## Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/165 | Language of work: Assamese |
| Author (s) / Editor (s): Lakshinath Bezbaruah | |
| Title: বাঁহী | |
| Transliterated Title: Baãhai | |
| Translated Title: | |
| Place of Publication: Kolkata (Calcutta) | Publisher: Editor. |
| Year: 1913, 14, 15, 16, 17, | Edition: |
| Size: 21 cms | Genre: magazine |
| Volumes: IV, V, VI, VII, VIII | Condition of the original: Brittle. |
| Remarks: . 1st 2 volumes reprinted in the year 1999. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

প্রঃ অষ্টম বর্ষ প্রথম সংখ্যা

# সূচী

| বিষয় | পৃষ্ঠা |
|---|---|
| | ৯ |
| সম্পাদকের কথা | ১০ |
| আহ্বান | ১৯ |
| মহাপুরুষের শ্রী[illegible] | ২৯ |
| গুরু চরিত্র | ৩১ |
| ঐ [illegible]দিগের চিন্তার ঢেউ | ৩৬ |
| পানিপথ | ৩৮ |
| মহাকবি কালিদাস | ৪৮ |
| উরনীয় [illegible] নতুন আয়নীর [illegible] | ৪৯ |
| শ্রীযুক্ত কুমারের বহরমপুরের ভক্তি[illegible] | ৫১ |
| | ৫৪ |
| চিঠির উত্তর | ৫৫ |
| খুচরো খবর | ৫৬ |
| সম্মিলনী গীত | |
| ধাঁধা | |

# সম্পাদকৰ চ'ৰা।

"লোকেশ-চৈতন্য ময়াধিদেব
মঙ্গল্য বিষ্ণো ভবদাজ্ঞয়ৈব।
হিতায় লোকস্য তব প্ৰিয়াৰ্থং
সংসাৰযাত্ৰামনুবৰ্ত্তয়িষ্যে॥"

হে লোকেশ চৈতন্যময় অধিদেৱ! হে মঙ্গলময় বিষ্ণো! তোমাৰ আজ্ঞা অনুসাৰে লোকৰ হিতৰ নিমিত্তে আৰু তোমাৰ প্ৰীতিৰ নিমিত্তে সংসাৰ-যাত্ৰাৰ অনুবৰ্ত্তী হবলৈ প্ৰবৃত্ত হওঁ।

* *

বাঁহীয়ে আজি পঞ্চম বছৰত ভৰি দি "পৰম পুৰুষ পৰম আনন্দ পৰম গুৰু হৰি, অনাদি অনন্ত অচিন্ত্য ঈশ্বৰ ভকতৰ ভয়হাৰীৰ" অভয় চৰণত শৰণ লৈ নিজৰ কৰ্ত্তব্য কামলৈ আগ বাঢ়িল।

* *

সিদিনা আমাক এজনে কৈছিল যে, "আজিকালি বাঁহীখন ধৰ্ম্মৰ কাকত হল; সেইকে সি অপাঠ্য হৈ পৰিছে।" আমি কলোঁ, ধৰ্ম্মৰ কাকত অৰ্থাৎ ধৰ্ম্মপ্ৰাণ কাকত বাঁহী হব পৰা নাই; হৈছে যদি সেই বাবেহে সি অপাঠ্য হৈছে। বাঁহীক ধৰ্ম্মপ্ৰাণ কৰিব পৰা হৈতেন নিশ্চয় সি পাঠ্য হলহেঁতেন। ঈশ্বৰৰ বাহিৰে, ধৰ্ম্মৰ বাহিৰে মানুহৰ জীৱনত কি পাঠ্য আছে নাজানো। ঈশ্বৰৰপৰা আঁতৰি, ধৰ্ম্মপৰা আঁতৰি হে যে আমাৰ জীৱন অপাঠ্য অধইচ হৈ পৰিছে তাত আমাৰ সন্দেহ নাই। সিনো সকলো সময়তে সকলো কাৰ্য্যতে যদি আমাৰ জীৱনত ঈশ্বৰৰ সত্তা উপলব্ধি কৰি চলিব পাৰিলোঁহেঁতেন,

"ওঁ য একোঽবৰ্ণো বহুধাশক্তি যোগাৎ
বৰ্ণাননেকান্নিহিতাৰ্থো দধাতি।
বিচৈতি চান্তে বিশ্বমাদৌ স দেবঃ
স নো বুদ্ধ্যা শুভয়া সংযুনক্তু॥"

অৰ্থাৎ যি এক আৰু বৰ্ণহীন, আৰু যি প্ৰাণীসকলৰ প্ৰয়োজন জানি বহু প্ৰকাৰ শক্তিযোগৰ দ্বাৰাই বিবিধ কাম্য বস্তু বিধান কৰিছে, সমুদায় ব্ৰহ্মাণ্ড আদ্যন্তমধ্য যাত ব্যাপ্ত হৈ আছে, যি আমাক শুভ বুদ্ধি প্ৰদান কৰিছে, সেই দীপ্যমান পৰমেশ্বৰক উপলব্ধি কৰি চলিব পাৰিলোঁহেঁতেন, তেন্তে আমাৰ কিহৰ চিন্তা?

ঈশ্বৰক পিছত থৈ আমি আগবাঢ়িবলৈ গৈ, ধৰ্ম্মক অকামিলা বস্তু বুলি অবহেলা কৰি হে আমি মৰিছোঁ। আমাৰ স্কুল কলেজত (Godless education) ঈশ্বৰ আৰু ধৰ্ম্মবিবৰ্জ্জিত শিক্ষাই, যৰত ধৰ্ম্ম, নীতি, সদাচাৰ বিহীন শিক্ষা বা কুশিক্ষাই আমাৰ জীৱন ফোপোলা কৰিলে। আমি ধৰ্ম্মক আৰু ঈশ্বৰক বুঢ়াকেইটা আৰু বুঢ়ীকেইজনীৰ ভাগত দি, নিজৰ গাটো পাতলাই বৈ জপিয়াই হাঁহি ফুৰিছোঁ! হায়!! মহাপুৰুষ মাধৱদেৱৰ ভাগিনিয়েক ৰামচৰণ ঠাকুৰে গাইছিল,—

"ডেকা ভাই, কিসৰ হবিষ তোৰ ?
চক্ষুৰে নেদেখ, বুঢ়াক হাসস,
তোক পাইলে কাল চোৰ ॥
আছিলি ছৱাল, ভৈল যুৱা কাল,
কেনে ভাত নাহি মন।
আপদৰ বন্ধু যতনে লৈয়ো
ৰাম নাম মহাধন ॥
আয়ু আদি কৰি যত ধন জন
তাক কাল চোৰে হৰে।
দেখি নেদেখস বুঢ়াক হাসস
ছৱাল কালতে মৰে ॥
যৌবন গৰ্ব্বক ঝাণ্টে পৰিহৰি
নামক লৈয়ো যতনে।
কালৰ হাতত বৃদ্ধ যুৱা নাই,
কহন্ত ৰামচৰণে ॥



বহুতে কয় যে ঈশ্বৰৰ বিষয়ে আমি ভাবি চিন্তি একো ঠিক কৰিব নোৱাৰোঁ, সেইদেখি সেই বিষয়ে মূৰ ঘমোৱাটো বৃথা। গ্ৰীচৰ চক্রেটিচেও ইয়াকে কৈছিল। কিন্তু মূৰ নঘমাওঁ বুলি থাকোঁ কেনেকৈ ? কোনবাই পাৰে নে থাকিব ? কোনেও নোৱাৰে। এদিন নহয় এদিন, আজি নহয় কাইলৈ, ঈশ্বৰ চিন্তাত তুমি মূৰ ঘমাবই লাগিব। তুমি ঈশ্বৰৰ অংশ জ্ঞানময় জীৱ ; অজ্ঞানৰ অন্ধকাৰে তোমাক ঢাকি ৰাখিবলৈ যিমানকে চেষ্টা কৰক, তুমি সেই অন্ধকাৰ আৱৰণ ভেদ কৰি উঠিবলৈ প্ৰাণপণে যতন কৰিবাই কৰিবা; কাৰণ তোমাত পৰমাত্মাৰ অংশ আছে; পাৰ্থিব বস্তুৰ আৱৰণ ঠেলি সমধৰ্মী অংশই পূৰ্ণ পৰমাত্মাৰে মিলিবলৈ, ঈশ্বৰৰ অভিমুখী হৈ চলিবলৈ সংগ্ৰাম কৰি থাকিবই যেতিয়ালৈকে সি নিৰ্দ্দিষ্ট স্থান নাপায়গৈ। ভাৰতৰ ষড়্‌দৰ্শন প্ৰণেতাসকলৰ ভিতৰৰ কোনো কোনো দাৰ্শনিকে অকল তৰ্ক যুক্তিৰ বাট ধৰি যদিও ঈশ্বৰৰ জ্যোতিত নোলাই অৱশ্যে অন্ধকাৰত ওলাইছিলগৈ, তথাপি তেওঁলোকেও মূৰ নঘমাই নোৱাৰিলে থাকিব। জৈমিনিৰ মীমাংসাৰ মীমাংসা,—বেদ নিত্য আৰু অভ্ৰান্ত। জীৱৰ ধৰ্ম্ম,—বেদবিহিত যাগ যজ্ঞাদি কৰ্ম্ম কৰি পুণ্য সঞ্চয় কৰি স্বৰ্গ কামনা কৰা। ইয়াতেই শেষ। এই মীমাংসাত ঈশ্বৰৰ আৱশ্যকতা নাই। কপিলৰ সাংখ্যত কৰ্ম্মকাণ্ডৰ অসাৰতা দেখুৱাই যদিও জ্ঞানৰ শ্ৰেষ্ঠতা দেখুৱা হৈছে তথাপি সাংখ্য ঈশ্বৰমুখী নহয়, সাংখ্য এক প্ৰকাৰ নিৰীশ্বৰবাদী। সাংখ্যই কয়,—প্ৰকৃতিৰ লগত আত্মা বা পুৰুষৰ সংযোগেই যত দুখৰ মূল। প্ৰকৃতিৰপৰা পুৰুষৰ ভেদ সাক্ষাৎকাৰ হলেই সকলো সুখ দুখৰ ওৰ পৰে। ইয়াকেই সাংখ্যই কৈৱল্য বোলে, অৰ্থাৎ পুৰুষ বা আত্মাৰ স্বতন্ত্ৰতা বোধ। ঈশ্বৰৰ অস্তিত্ব কল্পনা এই দৰ্শনৰ মতে অনাৱশ্যক। "ঈশ্বৰাসিদ্ধেঃ" "প্ৰমাণাভাবাৎ ন তৎ সিদ্ধিঃ" ইত্যাদি সূত্ৰৰ দ্বাৰাই সাংখ্যই ঈশ্বৰক এক প্ৰকাৰ অস্বীকাৰ কৰিছে। পতঞ্জলিৰ যোগত "নিৰ্ব্বীজ সমাধি"। সাংখ্যৰ কৈৱল্য আৰু যোগৰ "নিৰ্ব্বীজ সমাধি" প্ৰায় একে ;—প্ৰভেদ মাথোন যে, পতঞ্জলিয়ে ঈশ্বৰ মানিছিল ; কিন্তু "ঈশ্বৰ প্ৰণিধানাদ্বা" বুলি সমাধি সিদ্ধিৰ বাবে আন আন উপায়ৰ লগতে ঈশ্বৰ প্ৰণিধানও এটা উপায় বুলি উল্লেখ কৰিছে মাথোন। এই নিমিত্তে জৈমিনিৰ কৰ্ম্মযোগ, কপিলৰ জ্ঞানযোগ আৰু পতঞ্জলিৰ ধ্যানযোগ ঈশ্বৰমুখী নহয়। ষড়দৰ্শনৰ

বাহিৰা চাৰ্ব্বাক দৰ্শন তো একেবাৰেই নাস্তিক। ব্যাসৰ উত্তৰ মীমাংসা বা বেদান্ত ব্ৰহ্মপ্ৰতিপাদক, কিন্তু সেই ব্ৰহ্ম নিৰ্গুণ। বেদান্তৰ মুখ্য উদ্দেশ্য নিৰ্গুণ ব্ৰহ্মত স্থিতি অৰ্থাৎ মোক্ষ লাভ। কিন্তু নিৰ্গুণ ব্ৰহ্ম সাধাৰণ লোকৰ ধাৰণাৰ অতীত; সেই বাবেই সগুণ ব্ৰহ্মৰ আৱশ্যকতা। সগুণ ব্ৰহ্মই ঈশ্বৰ। উচ্চ অঙ্গৰ হিন্দুশাস্ত্ৰত সেইদেখি ব্ৰহ্ম, ঈশ্বৰ, আৰু শক্তি এই তিনিটা তত্ত্বৰ অৱতাৰণা।

* *

ব্ৰহ্ম

"অশব্দমস্পৰ্শমৰূপমব্যয়ং
তথাৰসং নিত্যমগন্ধৱচ্চ যৎ
অনাদ্যনন্তং মহতঃ পৰং ধ্ৰুবং
নিচায্য তং মৃত্যুমুখাৎ প্ৰমুচ্যতে ॥"

অৰ্থাৎ যাত শব্দ নাই, স্পৰ্শ নাই, ৰূপ নাই, ৰস নাই, গন্ধ নাই, যাৰ ক্ষয় নাই, যি অনাদি অনন্ত, যি মহত্তত্ত্বতকৈয়ো মহৎ আৰু নিত্য নিৰ্ব্বিকাৰ; এনে ব্ৰহ্মক জানি জীৱই মৃত্যুমুখৰপৰা প্ৰমুক্ত হয়।

"অণোৰণীয়ান্ মহতোমহীয়ান
আত্মা গুহায়াং নিহিতোঽস্য জন্তোঃ।
তমক্ৰতুং পশ্যতি বীতশোকো
ধাতুঃ প্ৰসাদান্মহিমানমীশম্ ॥"

অৰ্থাৎ পৰমাত্মা ব্ৰহ্ম সূক্ষ্মতকৈও সূক্ষ্ম, আৰু মহত্তকৈও মহৎ। তেওঁ প্ৰাণিসকলৰ হৃদয়ত বাস কৰে। বিগতশোক ব্যক্তিয়ে সেই ভোগাভিলাষবৰ্জ্জিত ঈশ্বৰক আৰু তেওঁৰ মহিমাক তেওঁৰ প্ৰসাদত দৃষ্টি কৰে।

ব্ৰহ্মক কোনো সংজ্ঞাৰে বুজাব নোৱাৰি; সেইদেখি শ্ৰুতিত "নেতি" "নেতি" কৰি অৰ্থাৎ ব্ৰহ্ম এনে নহয়, এনে নহয়, কৰি বুজোৱা হৈছে। এনে নিৰ্গুণ ব্ৰহ্মক সকলোৱে ধাৰণা কৰিব নোৱাৰে। সেইবাবে ব্ৰহ্মক সগুণ ভাবে আৰাধনা কৰা হয়, আৰু সগুণ ব্ৰহ্মৰ আৰাধনাই সকলোৱে সাধ্যায়ত্ত।

* *

ব্ৰহ্মৰ শক্তি ব্ৰহ্মত লীন থাকে। সৃষ্টিত সেই শক্তি ব্যক্ত অৰ্থাৎ প্ৰকাশিত হয়। সৃষ্টিৰ অন্তত অৰ্থাৎ প্ৰলয়ৰ পিছত সেই শক্তি আকৌ ব্ৰহ্মত লীন হৈ অব্যক্ত



হয়। ব্ৰহ্মই সগুণ হৈ সৃষ্টি কৰে। অব্যক্ত তুৰীয় বা নিৰ্গুণ ব্ৰহ্মই আংশিকৰূপে ব্যক্ত হৈ সৃষ্টি কৰে। সগুণ শক্তিসম্বলিত ব্ৰহ্মই অৰ্থাৎ ঈশ্বৰেই ভক্তৰ উপাস্য। শক্তিসম্বলিত ব্ৰহ্মক অৰ্থাৎ ঈশ্বৰক উপাসনা কৰিলেই যথেষ্ট, ঈশ্বৰৰ শক্তিক ঈশ্বৰৰপৰা বেলেগাই লৈ উপাসনা কৰিবৰ সকাম কি? সূৰ্য্যৰ ৰশ্মিয়েই সূৰ্য্য নহয়; ৰশ্মিক পূজা কৰিলেই সৰ্ব্বাঙ্গীন সূৰ্য্য পূজা নহয়; কিন্তু সূৰ্য্যক পূজা কৰিলে ৰশ্মিৰ পূজাও তাৰ অন্তৰ্গত হয়।

* *

ব্ৰহ্মৰ উপাসনা যোগ ধ্যান সমাধি আদিৰ দ্বাৰাই কৰা সকলোৱে সাধ্যায়ত্ত নহয়; সেইটো অতি দুৰ্গম পথ। সত্য ত্ৰেতা দ্বাপৰত সেই পথ নিৰ্নীত থাকিলেও কলি কালত অল্পপ্ৰাণ মানুহৰ নিমিত্তে সেই পথ অৱলম্বনীয় নহয়। এইদেখি ন বিধ সাত্ত্বিক ভক্তিৰ পথেৰে সগুণ ঈশ্বৰৰ উপাসনা কলিৰ লোকৰ অৱলম্বনীয়। ন বিধৰ ভিতৰত শ্ৰৱণ কীৰ্ত্তন শ্ৰেষ্ঠ আৰু সুগম। এই হৰিনাম শ্ৰৱণ কীৰ্ত্তন ভক্তিকে মুখ্যতঃ প্ৰকাশ কৰি জীৱৰ তৰণৰ উপায় কৰিছিল মহাপুৰুষ শঙ্কৰদেৱে, আৰু তেওঁৰ প্ৰভাৱেৰে অনুপ্ৰাণিত আৰু প্ৰভাৱে আলোকিত তেওঁৰ দুজন শ্ৰেষ্ঠ শিষ্য মহাপুৰুষ মাধৱদেৱ আৰু মহাপুৰুষ দামোদৰদেৱে। এই বাবেহে মাধৱদেৱে ঘোষাত লেখিছে—

"বৈকুণ্ঠ প্ৰকাশে হৰিনাম ৰসে
প্ৰেম অমৃতৰ নদী।
শ্ৰীমন্ত শঙ্কৰে পাৰ ভাঙি দিলে
বহে ব্ৰহ্মাণ্ডক ভেদি ॥"

এইবাবেই শঙ্কৰদেৱে "হৰিৰ নামৰ গোপ্য পেৰাৰ মুখ মেলি দিলে" বুলি মাধৱদেৱে কৈছে; এই বাবেই মাধৱদেৱে গাইছে,—

"হৰিভকতিৰ পাতিলন্ত হাট
শঙ্কৰে জগত জুৰি,
হৰি নামৰত্ন বেহায়া জগতে
চলয় বৈকুণ্ঠপুৰি ॥"

* *

শঙ্কৰদেৱে গীতা, শ্ৰীমদ্ভাগৱত আৰু সহস্ৰ-নামৰপৰা তেওঁৰ ধৰ্ম্মৰ সাৰ গ্ৰহণ কৰিছে। বেদৰ সাৰ ভাগ উপনিষদ; উপনিষদৰ সাৰ গীতা। গীতাই নিৰীশ্বৰবাদী, সন্দেহবাদী আৰু ব্ৰহ্মবাদী দৰ্শনবোৰৰ সমন্বয় কৰি তাৰ মত-বোৰ ঈশ্বৰমুখী কৰিছে। গীতাই মীমাংসা দৰ্শনৰ কৰ্ম্মকাণ্ড, পাতঞ্জলিৰ ধ্যানযোগ, বেদান্তৰ জ্ঞানযোগৰ সমন্বয় কৰি এক-শৰণ ভক্তিযোগৰ প্ৰাধান্য দেখুৱাইছে। গীতাই কৰ্ম্মবাদীক কৈছে,— তুমি যথাসাধ্য ভালকৈ কৰ্ম্ম কৰা, কিন্তু তোমাৰ সকলো কৰ্ম্ম ঈশ্বৰত সমৰ্পণ কৰি কৰিবা; অৰ্থাৎ ঈশ্বৰমুখী হৈ কৰ্ম্ম কৰা. ফলৰ আকাঙ্ক্ষা নকৰিবা; কৰ্ম্মত হে তোমাৰ অধিকাৰ, ফলত নহয়। গীতাই সাংখ্যাবাদীক কৈছে—তোমাৰ প্ৰকৃতি পুৰুষ স্বতন্ত্ৰ নহয়, ঈশ্বৰৰ অধীন; তোমাৰ তত্ত্বজ্ঞান কেৱল অনাদি অনন্ত পৰমেশ্বৰৰ স্বৰূপ জ্ঞান; ঈশ্বৰ সাধনা নহলে তোমাৰ কৈবল্য নহয়। গীতাই যোগমাৰ্গাবলম্বীক কৈছে,—তোমাৰ যোগ নিৰ্ব্বীজ-সমাধি বা আত্মসাক্ষাৎকাৰ নহয়, তোমাৰ যোগৰ মুখ্য উদ্দেশ্য,— ঈশ্বৰৰ সঙ্গলাভ হে। গীতাৰ প্ৰকৃত মৰ্ম্ম নুবুজি অনেকে ভাবে যে গীতাই ঈশ্বৰবাদী, নিৰীশ্বৰবাদী, আগম, নিগম, সকলো পন্থৰ ধৰ্ম্মলৈ ঠাই ৰাখিছে। গীতাৰপৰা এই শ্ৰেষ্ঠ ভক্তিযোগ, সগুণ ঈশ্বৰত একশৰণ আনি শঙ্কৰদেৱে তেওঁৰ প্ৰচাৰিত ধৰ্ম্মত প্ৰাণ সঞ্চাৰণ কৰিছে। শঙ্কৰদেৱৰ ধৰ্ম্মৰ কৰ্ম্ম,—ঈশ্বৰৰ উদ্দেশে কৰ্ম্ম; জ্ঞান,—ঈশ্বৰৰ জ্ঞান; ধ্যান,—ঈশ্বৰৰ ধ্যান; কিন্তু সকলো ভক্তিমূলক। শঙ্কৰী ধৰ্ম্মত ভক্তিবিবৰ্জ্জিত কৰ্ম্ম, জ্ঞান, ধ্যান অসাৰ্থক। ভক্তিৰ মূলত বিশ্বাস, আৰু বিশ্বাসেই একশৰণ। গীতাৰো শেষ বচন এয়ে—"সৰ্ব্ব ধৰ্ম্মান্ পৰিত্যজ্য মামেক শৰণং ব্ৰজ"। খ্ৰীষ্টান ধৰ্ম্মতো বিশ্বাসেই মূল মন্ত্ৰ;— ত্ৰাণকৰ্ত্তা খ্ৰীষ্টত একশৰণ। ইচ্লাম ধৰ্ম্মতো বিশ্বাসেই মূলমন্ত্ৰ;—ঈশ্বৰৰ শেষ "প্ৰফেট" মহম্মদত বিশ্বাস আৰু একশৰণ।

* *

শঙ্কৰদেৱৰ ধৰ্ম্মৰ মজ্জা আনথন শাস্ত্ৰ শ্ৰীমদ্ভাগৱত। ব্যাসে অনেক পুৰাণ অনেক শাস্ত্ৰ কৰি, বেদান্তত জ্ঞান-পথ আলোচনা কৰি ব্ৰহ্মৰ স্বৰূপ নিৰ্ণয় কৰিও তেওঁৰ মনত শান্তি নাপালে। অন্তত মহাভক্ত নাৰদৰ উপদেশত তেওঁ সগুণ ঈশ্বৰৰ লীলা বৰ্ণনা কৰি শ্ৰীমদ্ভাগৱত ৰচনা কৰিহে শান্তি পালে। জ্ঞানে শুকাই থোৱা ব্যাসৰ অন্তৰত ভক্তিৰসৰ ঢৌ উঠিল; তেওঁৰ মন ভক্তিৰ



শান্তি-বাৰিৰে সজীৱ কৰিলে। সগুণ ঈশ্বৰৰ গুণশীল শ্ৰৱণ কীৰ্ত্তন কৰি ঈশ্বৰক ভজনা কৰিবলৈ শিক্ষা দিয়াই শ্ৰীমদ্ভাগৱতৰ উদ্দেশ্য। ভাগৱতৰ সগুণ ঈশ্বৰৰ প্ৰেমমূলক ধৰ্ম্মই শঙ্কৰৰ ধৰ্ম্ম। তত্ত্বজ্ঞানী মুক্ত সিদ্ধ পুৰুষ সনক, সনন্দ, সনাতন, সনৎকুমাৰ, নাৰদ, শুক আদিয়েও জ্ঞানত পৰিতৃপ্ত নহৈ প্ৰেমভক্তিমূলক সগুণ ঈশ্বৰৰ গুণ-শীল শ্ৰৱণ কীৰ্ত্তনলৈ অশেষ হেপাহ কৰে। মুক্তসকলেও ভাৰতত মানৱী জনম লভি তপ জপ যজ্ঞ বিবৰ্জ্জিত হৰিনাম প্ৰেমামৃত পান কৰিবলৈ হাবিলাষ কৰে। এই বাবেই মহাপুৰুষ গুৰুজনে বৰগীতত কৈছে—

"ধন্য ধন্য কলিকাল, ধন্য নৰতনু ভাল,
ধন্য ধন্য ভাৰতবৰিষে।
তপ জপ যজ্ঞ ত্যজি, তোমাৰ চৰণ ভজি,
তুৱা নাম মুখিও হৰিষে॥"

এইবাবে কলিত "হৰেৰ্ণাম হৰেৰ্ণাম হৰেৰ্ণামৈব কেৱলম।"

* *

নামধৰ্ম্মৰ বিৰুদ্ধবাদীসকলে কয় যে তৰিবৰ বাট যদি ইমান উজু হল যে ঈশ্বৰৰ নাম ললেই হয়, তেন্তে ৰাধা কৃষ্ণ বোলা ভাটৌ মইনাও তৰিবলৈ বাধা কি? আৰু কত মানুহে দিনে ৰাতিয়ে ৰাম কৃষ্ণ বুলি আছে সেইবোৰও দেখোন তৰিব; আৰু ফলত সকলো উদ্ধাৰ হৈ বৈকুণ্ঠত ঠায়ে নেওঁৱা হব। উত্তৰত আমি ইয়াকে কওঁ যে, শ্ৰদ্ধা ভক্তিৰে নাম ললেহে প্ৰকৃত নাম লোৱা হয়; এনেই কপট ভাবে বা অৰ্থশূন্য ভাবে নাম ললে তাৰ ফল পোৱা নাযায়। শঙ্কৰদেৱে মাধৱদেৱে সেই শিক্ষা হে দিছে; "গালো নাম গল উৰি, তাৰ কি আছে আগ তৰি" শিক্ষা দিয়া নাই। সেইদেখি শঙ্কৰদেৱে কৈছে "মুখে বোলা ৰাম হৃদয়ে ধৰা ৰূপ, এতেকে কুকুতি পাইবা কহিলোঁ স্বৰূপ॥" "কৃষ্ণ কথা শ্ৰৱণত শুদ্ধ হৈবে মন। সৰ্ব্বদায়ে কৰিবেক কৃষ্ণৰে কীৰ্ত্তন॥ কৃষ্ণৰ চৰণ চিন্তিবেক হৃদয়ত।" সেইদেখি মাধৱদেৱে কৈছে "পৰম শ্ৰদ্ধায়ে নিতে হৰিগুণ যত। শ্ৰৱণ কীৰ্ত্তন সুখে কৰয় সতত॥ অতি অল্প কালে আসি প্ৰভু ভগৱন্ত। হিয়াত সাক্ষাতে তাৰ প্ৰকাশ হোৱন্ত॥" শঙ্কৰৰ ধৰ্ম্মই প্ৰথমতে লোকক নাম লৈ থাকিবলৈ উপদেশ দিছে; কাৰণ নাম লওঁতে লওঁতে নাম লওঁতাজনৰ ৰুচি জন্মি ক্ৰমে নামত তেওঁৰ আসক্তি হব আৰু

তেতিয়া ঈশ্বৰ তেওঁৰ হৃদয়ত প্ৰকাশিত হব।

* *

পৃথিবীত যত প্ৰকাৰ শগাইত সুতীক্ষ্ণ অস্ত্ৰ আছে সকলোৰে ভিতৰত শব্দ-অস্ত্ৰ সকলোতকৈ চোকা। "কথাতে কটা যায়, কথাতে নটা পায়" বুলি কয়। "ভাতৰ তিতা সহিব পাৰি, মাতৰ তিতা সহিব নোৱাৰি।" এইবোৰ বুঢ়ালোকৰ সাকৰা বচন। শব্দক সেইদেখি শব্দব্ৰহ্ম বোলে। ওঁকাৰ সেইদেখি মূল মন্ত্ৰ। বাইবেলত সেই দেখি Word is God বুলিছে। প্ৰথমতে হেলাতে ৰাম নাম লৈ থাকোঁতে থাকোঁতে লাহে লাহে সি মানুহৰ চিত্ত অধিকাৰ কৰে; প্ৰথমতে মানুহে সেইটো গম ধৰিব নোৱাৰে। অৱশ্যে প্ৰথমতে আওকাণ কৰি উচ্চাৰণ কৰি থকা নামে কালত উচ্চাৰণ কৰোতাৰ গোটেই অস্তিত্ব অজ্ঞাতসাৰে অভিভূত কৰি পেলায়। এই বাবেই ভাৰতবৰ্ষৰ মানুহ শাক্তই হওক বা শৈৱই হওক বা বৈষ্ণৱেই হওক তেওঁলোকৰ উপাস্য দেৱতাৰ নাম তেওঁলোকে নিজ সন্তানসকলক দিয়ে। শঙ্কৰ দেৱৰ নাম ধৰ্ম্মৰ বিৰুদ্ধবাদী শাক্ত শৈৱ সকলেও তাৰা দুৰ্গা শিৱ গণপতিৰ নাম নিজৰ সন্তানসকলক দি নামৰ প্ৰাধান্য অজ্ঞাতসাৰে স্বীকাৰ কৰিব লাগিছে।

* *

হাতুৰিৰে কোবাওঁতে কোবাওঁতে প্ৰথমতে নোসোমোৱা গজালও পিছত সোমাই যায়। ঈশ্বৰত ৰতি নোহোৱাই ঈশ্বৰৰ নাম প্ৰথমতে চেলেং-পেতেংকৈ লওঁতে লওঁতেও কালত তাৰ মন ঈশ্বৰত নিবিষ্ট হয়। এই বাবেই কি কৰ্ম্মকাণ্ডবাদী, কি জ্ঞানকাণ্ডবাদী, কি শাক্ত, কি শৈৱ, কি বৈষ্ণৱ সকলোৰে তেওঁলোকৰ অনুষ্ঠান আৰু ক্ৰিয়াবোৰ আৰু ইষ্ট মন্ত্ৰ জপ, গায়ত্ৰী সন্ধ্যা আদি দিনৌ কৰে। গিৰ্জাত আৰু মচ্‌জিদত এই বাবেই ঈশ্বৰৰ "প্ৰেয়াৰ" আৰু "নামাজৰ" ব্যৱস্থা। এই বাবেই শঙ্কৰদেৱৰ দিনৌ নাম প্ৰসঙ্গৰ ব্যৱস্থা। নাম লোৱা ভকতক উপহাস কৰোঁতাসকলে তেওঁলোকৰ নিজৰে ঠিক এনে বিধৰ ব্যৱস্থালৈ চকু দিবলৈ পাহৰিহে বৈষ্ণৱক তেনে উপহাস কৰে। বাল্মীকিয়ে "মৰা" "মৰা" জপ কৰোঁতে কৰোঁতে পিছত তেওঁৰ মুখত ৰাম ওলালহি; আৰু ওলালতে বৈকুণ্ঠৰ গোটেইখন দুৱাৰ তেওঁলৈ মুকলি হল।

* *

সিদিনা আমাৰ এজন শ্ৰদ্ধাভাজন বন্ধুৱে এই নামৰ বিষয়ে তৰ্ক উলিয়াই



অজামিলৰ উপাখ্যানৰ উল্লেখ কৰি কৈছিল, যে "নাৰায়ণ নামৰ পুতেকক অজামিলে মৰিবৰ সময়ত মাতি ওবিল বুলি কি হিচাপত ভাগৱতে কয়? অজামিলে ঈশ্বৰক মনেৰে সৈতে নামাতি পুতেকক হে মনেৰে সৈতে মাতিছিল; এনে অৱস্থাত অজামিল তৰা কথাটোৰ কোনো সঙ্গতি দেখা নাযায়। আৰু বাস্তৱিকতে চাবলৈ গলে বিষ্ণু দূতকেইটা গৰু, যমদূতকেইটাহে পণ্ডিত আছিল।" বন্ধুবৰৰ এই কথাৰ উত্তৰ দিয়াটো অৱশ্যে নিচেই সহজ নহয়। আমি ইয়াকে কওঁ, যে সকলো বস্তুৰে এটা স্বকীয় ধৰ্ম্ম বা গুণ আছে। জুইৰ ধৰ্ম্ম বা গুণ পোহৰ কৰাটো আৰু পোৰাটো; পানীৰ ধৰ্ম্ম বা গুণ চেঁচা কৰা, পিয়াহ গুচুৱা ইত্যাদি। নামৰ ধৰ্ম্ম বা গুণ পাপ ধ্বংস কৰা, উদ্ধাৰ কৰা; সেইদেখি তাক জানিয়েই লওক বা নাজানিয়েই লওক সি ওলালেই পাপ নাশ কৰিবই। শঙ্কৰদেৱে কীৰ্ত্তনত কৈছে "বিষ বুলি অমৃতক পিলে যিটো নৰ। দুহিৰে কি জানা সিটো অজৰ অমৰ॥" লৰাই নাজানি জুইত হাত সুমাই দিলে তাৰ হাত নপুৰিব নে? কোনোৱে নাজানি ফটিকা খালে তাৰ ৰাগিয়ে তাক নধৰিব নে? সেইদেখি অজামিলে নাজানি নাৰায়ণ বোলাতো স্বধৰ্ম্ম গুণত নামে অজামিলৰ পাপ দহন কৰিলে। সৰ্ব্বসাধাৰণত মানুহে নাজানি হৰিনাম উচ্চাৰণ কৰিলেও যে সেই নামে সেই মানুহৰ সেই মুহূৰ্ত্তত পাপ ধ্বংস নকৰে এনেকৈ নো কেনেকৈ বোলা যায়? সেই পুত ভাব স্থায়ী নোহোৱা বাবে মানুহটোৰ মনক আকৌ লাহে লাহে কদৰ্য্যে কলুষিত কৰে। চোতালখন এবাৰ চুকৰিলে তাত কি আকৌ বন নগজাকৈ থাকিব? ধোৱাই ধোৱা বগা কাপোৰখন তুমি পিন্ধিলা, কিন্তু তুমি তাৰ পিছতে আকৌ যদি বোকাত লেটি লোৱা তেন্তে সি আকৌ কলা নহব নে? এইবাবে সদায় নাম লৈ থাকিবৰ ব্যৱস্থা। সদায় নাম লৈ থাকোঁতে থাকোঁতে যেতিয়া সেই অৱস্থা সহজ হব তেতিয়া অপ্ৰয়াসে তোমাৰ মুখত নাম আহিব। এই বাবে মৰিবৰ সময়ত অৰ্থাৎ ঠিক মানুহৰ প্ৰাণ বাহিৰ হবৰ আগতে মানুহক ঈশ্বৰৰ নাম শোৰোৱা হয়, আৰু তেতিয়া সেইক্ষণে ঈশ্বৰৰ নাম উচ্চাৰণ কৰিব পাৰিলে বা শ্ৰৱণ কৰিলে তেওঁ নিষ্পাপ হৈ মুক্ত হয়, নকে পাপে তেওঁক অধিকাৰ কৰিবলৈ নেপায়, অৰ্থাৎ নামে সেইক্ষণৰ পাপ ধ্বংস কৰাৰ পিছত আৰু নকৈ তেওঁত পাপ প্ৰবেশ কৰিবলৈ নাপালে. ধোৱা বগা কাপোৰত আকৌ ধূলি বোকা লাগিবলৈ নাপালে।

অজামিলে ঠিক মৰিবৰ সময়ত নাৰায়ণ বুলিছিল সেইদেখি হে অজামিল তৰিল। আৰু অকল নাম লৈয়ে সকলো তৰি বৈকুণ্ঠত ঠাইৰ নাটনি হোৱাৰ কথা যি কোৱা হৈছে, তাৰ বিষয়ে ইয়াকে কলেই হব যে, ঈশ্বৰৰ প্ৰতি লোম-কূপতে একোটা ব্ৰহ্মাণ্ড; ব্ৰহ্মাণ্ড অসংখ্য অলেখে কোটী কোটী। একোটা ব্ৰহ্মাণ্ডৰ ওপৰত একোজনকৈ ব্ৰহ্মা বিষ্ণু মহেশ্বৰ। কেইজনে ৰাম বুলিছে যে তেওঁলোক উদ্ধাৰ হৈ বিশ্বপতিৰ বিশ্বগৃহ বৈকুণ্ঠৰ ঠাই তেওঁলোকে জুৰি পেলাব? ঈশ্বৰৰ আকাশত কোটী কোটী গ্ৰহ উপগ্ৰহ চন্দ্ৰ সূৰ্য্য। একো একোটাৰ আগত আমাৰ এই পৃথিৱী সূৰ্য্য চন্দ্ৰ বালিচাহী। সেইবোৰত জীৱৰ বসতি আছে, বিজ্ঞানে এই কথা নিঃসন্দেহে প্ৰমাণ কৰিছে, ই কবিৰ কল্পনা নহয়। আমাৰ মাধৱদেৱে ঘোষাত কৈছে,—"গোবিন্দ গোবিন্দ গোবিন্দ গোবিন্দ, গোবিন্দ ৰাম মুৰাৰি। অনন্ত কোটী ব্ৰহ্মাণ্ডৰ হৰি অধিকাৰী" এতেকে ঈশ্বৰৰ নাম লৈ উদ্ধাৰ হোৱা কেচা, পকা, সিজা, নিসিজা, এধাসিজা ভকত অভকত সকলক তেওঁৰ বৈকুণ্ঠ ধামত ঈশ্বৰ ৰক্ষাই ঠাইৰ দিহা কৰি accommodate কৰিব পাৰিব, চিন্তা নাই। আৰু যদিহে শ্ৰীমন্ত শঙ্কৰদেৱৰ কৃপাত নাম লৈ তৰা ভকতসকলেৰে এইটো ব্ৰহ্মাণ্ডৰ বৈকুণ্ঠখন ভৰি যায়, তেন্তে তাঁৰ-নথকা টেলিগ্ৰাফৰ সহায়ত (Wireless telegraphy) আন এটা ব্ৰহ্মাণ্ডৰ বৈকুণ্ঠ এখনত "আতৈসকললৈ" ঠাই উলিয়াব পৰাটো অসম্ভৱ বুলি নো ধৰোঁ কেনেকৈ? এইবাবে আমাৰ ভকতসকলক কওঁ—"আতৈসকল, তোমোৰাসকলে মন মেলি হৰি নাম লওক, শঙ্কা নকৰিব।"—

"নাম লোৱাঁ বাপুসকল নকৰিবা হেলা।
নাগেসে ৰাখিব মোৰ শঙ্কৰৰ বেলা॥"

"শ্ৰীমন্ত শঙ্কৰ হৰি ভকতৰ জানা যেন কল্পতৰু" আপোনাসকলৰ সহায় আছে, আপোনাসকলে নাম লওক।

---

# আহুকাল।

সৃষ্টিৰ কৌশল এটা, স্বৰূপ এটা, দুটা বা সৰহ নহয়। বস্তু এটা কাটি চিৰাই নিলে অন্তত শেষত তত্ত্ব ধৰা পৰে, সেই তত্ত্ব এটা। সকলো বস্তুতে অন্তত এটা



মাথোন তত্ত্ব দেখা যায়। এই একেটা তত্ত্বৰপৰা সকলো বস্তুৰ, সকলো প্ৰাণীৰ জনম হয়, বৰ্দ্ধন হয়, আৰু মৰণ হয়। পাছত, এই তত্ত্বটো বা এই কৌশলটো কি? অৰ্থাৎ ইয়াৰ প্ৰকৃতি কেনে? এই বিষয়ত অতীত কালৰ মহাপুৰুষবিলাকৰ মত আছে। সিবিলাকে কয় বোলে কৌশলটো আন একো নহয়, ই কেৱল এটা গতি। জগতৰ সকলো বস্তুৰ গতি আছে, চন্দ্ৰ সূৰ্য্যৰ গতি আছে, গ্ৰহ উপগ্ৰহৰ গতি আছে, তৰাবিলাকৰ গতি আছে। কিন্তু এই গতি আন এক বিধৰ গতি, ই বস্তুৰ তত্ত্ব নহয়, ই জীৱনৰ কৌশল নহয়, ই ব্ৰহ্মাণ্ডভেদী গতি নহয়, ই স্বয়ম্ভূ গতি নহয়, ই আদিৰ গতি নহয়। ই পাছত জন্মা গতি, ই আনে সৃজা গতি। যি গতি বস্তুৰ তত্ত্ব বা সৃজনৰ কৌশল সি বস্তুৰ অন্তৰত লুকাই থাকে, তাক চকুৰে নেদেখি, কাৰ্য্যৰপৰা হে অনুমান কৰিব পাৰি। গমন জীৱ মাত্ৰেই লৰিচৰি ফুৰিব পাৰে। ইও এবিধ গতি, কিন্তু ই তুমি সৃজা গতি। তোমাৰ উত্তৰলৈ যাবৰ মন গল, তুমি ভৰি চলাই গলা, অৰ্থাৎ তুমি উত্তৰলৈ যোৱা গতি উৎপন্ন কৰিলা। এতেকে এই গতি তোমাৰ সৃজা গতি। এইদৰে সকলো গমন জীৱই ইচ্ছামতে একোটা গতি সৃজিব পাৰে। দলি এটা মাৰো গতি হয়, কিন্তু সেই গতি দলিয়াওঁতাই সৃজি পঠিয়ায়। দলিৰ গতি যেনে, চন্দ্ৰ সূৰ্য্য বা গ্ৰহ উপগ্ৰহৰো গতি তেনে। সেই গতিও আদিতে আন এজনে সৃজি পঠিয়াইছে। অৰ্থাৎ এই গতি বস্তুৰ পাছত জন্মিছে, অৰ্থাৎ বস্তু জন্ম হোৱাৰ পাছত এই গতি কোনো কাৰণত উৎপন্ন হৈ চন্দ্ৰ সূৰ্য্য আদি বস্তুবিলাকক ঘূৰাই লৈ ফুৰাইছে। এই গতিৰপৰা চন্দ্ৰ সূৰ্য্যৰ জন্ম হোৱা নাই। ই জীৱনৰ তত্ত্ব নহয়।

জীৱন-গতি অৰ্থাৎ যি গতিৰপৰা জীৱন জন্মে সেই গতি নানা প্ৰাণীৰ নানা ঠাইত থাকে। মানুহ, পশু, পক্ষী, আৰু এনে ৰকমৰ সকলোবোৰ জীৱৰ জীৱন-গতি সিহঁতৰ হৃদিত থাকে। হৃদিত গতিৰ কৌশল বা কল স্থাপিত হৈছে। সেই কৌশলৰ গুণত সিহঁতৰ শৰীৰৰ আন আন ঠাইত গতি চলা দেখা যায়। মানুহৰ হাতত, ভৰিত, আৰু আন আন ঠাইত এগছ শিৰ টিপিং টিপিং কৰে। এই টিপিং-টিপিং গতিৰ জন্ম বুকুত। বুকুত এডোখৰ মঙহ আছে, সেই মঙহ ডোখৰ সদায় টিপিং টিপিং কৰি থাকে। এই গতিটো টেলিগ্ৰাফৰ গতি যোৱাৰ দৰে নানান শিৰেৰে যাব নানান ঠাইত [illegible]

নব দুৰ্ব্বল হলে শৰীৰৰ আন আন ঠাইত এই পিপ্‌পিপনি লোপ হয়। ইয়াকে মানুহে চলিত কথাত নাড়ি বুৰা বোলে। শৰীৰৰ আন ঠাইত নাড়ি বুবিলেও বুকুত চলি থাকে। বুকুত নাইকিয়া হলেই মানুহৰ মৰণ হয়। মানুহ, পশু, পক্ষী ইত্যাদিৰ বাহিৰে অন্য গমন জীৱবিলাকৰো গাৰ ভিতৰত এডোখৰ ঠাই আছে, সেই ঠাইডোখৰত জীৱন গতিৰ যন্ত্ৰ থাকে, তাৰপৰা গতি ওলাই গাৰ অন্যান্য ঠাইত দেখা দিয়ে। এই ব্যৱস্থা গমন জীৱ সমন্ধে, গছন জীৱৰ ব্যৱস্থা বেলেগ। গছ-গছনিবোৰ লৰিচৰি ফুৰিব নোৱাৰে, কিন্তু সেইবাবে সিহঁতৰ গতি নাই বুলি ভাবিব নালাগে, সিহঁতৰ ভিতৰতো গতি আছে। গছ বা লতা পুলিৰপৰা ডাঙৰ হয়। ডাঙৰ হয় কিহৰ বলত? কি ক্ৰিয়াৰপৰা সৰু মান পুলিটো বা অঙ্কুৰটো কালত গৈ এডাল বৃহৎ গছ হৈ উঠে? গতিৰ ক্ৰিয়াৰপৰা, অৰ্থাৎ গতিৰ বলত হয়। মানুহকে আদি কৰি জীৱ জন্তুবিলাকৰ মাতৃ-গৰ্ভত শৰীৰ সৃষ্টি হয়। শৰীৰ আদি অৱস্থাত এডোখৰ মঙহ মাথোন, তাত হাত ভৰি বা কাণ মুখৰ কোনো চিনেই নাথাকে। সেই শৰীৰত তেতিয়া পিপ্‌পিপনিও নাথাকে। কিন্তু পিপ্‌পিপনি নাই দেখি তাৰ ভিতৰত কোনো গতি নাই বুলি ধৰিব নালাগে। মঙহ ডোখৰ সৃজোঁ মঙহ নাছিল, এবিধ পনীয়া বস্তু আছিল, সেয়ে কালত, পানী গোট মাৰি মৰম হোৱাৰ নিচিনা, গোট মাৰি মঙহ হল; পিছত সেই মঙহ ডোখৰ অনুক্ৰমে বাঢ়ি বাঢ়ি শৰীৰৰ আকাৰ ধৰিলে, অৰ্থাৎ তাৰপৰা কাণ ওলাল, হাত গজিল, ভৰি গজিল। তেনেহলে সেই মঙহ ডোখৰত, বা আদিৰ সেই পনীয়া বস্তুটোত এটা গতি চলি নাছিল নে? নিশ্চয় আছিল। কোনো বস্তু হঠাৎ মুহূৰ্ত্তকতে নাবাঢ়ে; প্ৰতি পলতে, প্ৰতি মুহূৰ্ত্ততে সেই বাঢ়ন ক্ৰিয়া চলি থাকে। নৈ বা নিজৰা যেনেকৈ অবিৰাম ভাৱেৰে চলি থাকে, সেইদৰে বস্তৰ বাঢ়ন ক্ৰিয়াও অবিৰাম অখণ্ড ভাৱেৰে চলি থাকে। আমাৰ দুৰ্ব্বল চকুৱে সেই অবিৰাম গতি দেখা নাপাওঁ, গতি গোট খাই সৰহ হলে, অৰ্থাৎ বস্তুটো বাঢ়ি কিছু ডাঙৰ হলেহে বাঢ়িছে বুলি জানিব পাৰোঁ।

শৰীৰৰ আদি অৱস্থাত ধিপ্‌ধিপনি গতি নাথাকে। হাঁহৰ কণীৰ ভিতৰত জীৱন-গতি যেনে ভাৱেৰে বাস কৰে, তেনে ভাৱেৰে শৰীৰৰ আদি অৱস্থাত জীৱন-গতি বাস কৰে। পিছত শৰীৰত এটাইবোৰ অৱয়ৱ হৈ উঠিলে, অৰ্থাৎ



হৃদি আদি যন্ত্ৰবিলাক সম্পূৰ্ণ হলে জনিত ধিপ্‌ধিপনি আৰম্ভ হয়। এই ধিপ্‌ধিপনি নতুন বস্তু নহয়, ই আদিৰ বাঢ়ন গতিৰ এটা নতুন আকাৰ বা ৰকম মাথোন। যন্ত্ৰবিশেষত গতিৰ লক্ষণ ভিন্ন ভিন্ন হয়। এটা গতিৰেই এক ৰকম যন্ত্ৰত লগাই টনাব পাৰি, আৰু এক ৰকম যন্ত্ৰত লগাই ঠেলাব পাৰি। মানুহ বা পশু পক্ষীৰ হৃদি এটা যন্ত্ৰ, সি এক বিশেষ ৰকমৰ যন্ত্ৰ। সেই যন্ত্ৰত আদিৰ বাঢ়ন গতি বন্ধ হলে টিপিংটিপিং কৰে। গছগছনিৰ হৃদি যন্ত্ৰ নাই, গতিকে সিহঁতৰ জীৱন-গতিয়ে কতো টিপিংটিপিং নকৰে, অৰ্থাৎ টিপিংটিপিং কৰিবলৈ গছত কোনো যন্ত্ৰ স্থাপিত হোৱা নাই। কিন্তু গছ বাঢ়ে, আৰু মাটিৰপৰা সি ৰস শুহি লয়, আৰু সেই ৰস ঠাল, ঠেঙুলি, পাত আদি গছৰ সকলো অঙ্গলৈকে যায়। এইবোৰ ক্ৰিয়া কিহৰ বলত হয়? আদিৰ সেই জীৱন-গতিৰ বলত হয়। জীৱন-গতি বস্তৰ জনমৰপৰা মৰণলৈকে থাকে। এই গতিৰ আবিৰ্ভাৱত জীৱ লাভ হয়, আৰু তিৰোভাৱত জীৱ শেষ হয়, অৰ্থাৎ জীৱৰ মৰণ হয়, অৰ্থাৎ বস্তু লয় পায়। সকলো সৃষ্ট বস্তৰ লয় আছে। মানুহ সৃষ্ট বস্তু, সি মৰে। পশু পক্ষী সৃষ্ট বস্তু, সিহঁত মৰে। গছগছনি সৃষ্ট বস্তু, সিহঁতো মৰে। এই দৰে আন আন যিবোৰ সৃষ্ট বস্তু আছে সকলোৰে মৰণ হয়, অৰ্থাৎ পৰিবৰ্ত্তন হয়, অৰ্থাৎ সিহঁতে এটা আকাৰ এৰি আন এটা আকাৰ ধৰে। মৰণ বা লয় এটা পৰিবৰ্ত্তন মাথোন। মৰণত শৰীৰৰ ভিন ভিন বস্তবোৰ আদি বস্তুত গোট খায় গৈ। প্ৰতিমা গঢ়োঁতে খেৰ, বাঁহ, মাটি, ৰহণ আদি নানা বস্তু ব্যৱহাৰ কৰা হয়। সেই প্ৰতিমা পানীত পেলাই দিয়াৰ পাছত কি হয়? মাটিখিনি মাটিৰ লগত লগ লাগে, পানীখিনি পানীৰ লগত লগ লাগে। খেৰ, বাঁহ, ৰহণ, এইবোৰো মাটি হয়; ইহঁত মাটিৰ আকাৰবিশেষ মাথোন। বিশেষৰূপে ব্যৱহাৰৰ নিমিত্তে, অৰ্থাৎ বিশেষ এটা কাৰ্য্যত লগাবলৈ সিহঁতক একোটা বিশেষ আকৃতি দিয়া হৈছিল। কাৰ্য্য হৈ গলত সিহঁতৰ সেই আকৃতিৰ প্ৰয়োজন নোহোৱা হল। খেৰে খেৰৰ কাম কৰি এটালে, বাঁহে বাঁহৰ কাম কৰি এটালে, ৰহণে ৰহণৰ কাম কৰি এটালে। এতিয়া সিহঁতৰ সেই আকৃতি নলগা হল। গতিকে সিহঁতেও অনুক্ৰমে মাটি হৈ সিহঁতৰ আদিৰ মূৰ্ত্তি ধৰিলে। প্ৰতিমাৰ শৰীৰ এইদৰে পৰিবৰ্ত্তন হয়। মানুহ আৰু আন আন জীৱ জন্তুৰ শৰীৰো এইদৰেই পৰিবৰ্ত্তন হয়। মানুহ মৰিলেও তাৰ শৰীৰৰ পানী ভাগ

পানীত আৰু মাটিভাগ মাটিত লগ লাগে। এতেকে আদিৰ যিবোৰ বস্তু সেইবোৰ সকলো থাকে অৰ্থাৎ যিবোৰ বস্তু গোট খাই শৰীৰটো হৈছিল সেইবোৰ বস্তুৰ লয় নাই, কেৱল সিহঁত আগেয়ে এটা আকাৰত আছিল, এতিয়া সিহঁতে আন এটা আকাৰ ধৰিলে।

শৰীৰ লয় হয়, অৰ্থাৎ সৃষ্ট বস্তু লয় হয়, কিন্তু জীৱন-গতিৰ লয় নাই। এই দুৰ্জ্জয় গতি শৰীৰ খণ্ড খণ্ড হলেও থাকে, জীৱৰ মৰণ হলেও ইয়াৰ কাৰ্য্য শেষ নহয়। এই গতিৰ গুণত নানা বস্তুৱে নানা সময়ত নানা মূৰ্ত্তি ধৰিব লাগিছে। শৰীৰৰ মৰণ হলে, হাৰ মঙহ মাটি হয়। মাটি হয় কেনেকৈ? মাটি হয় সেই গতিৰ গুণত। হাৰ মঙহ বাঢ়োঁতে যেনেকৈ তিল তিলকৈ পলে পলে বাঢ়ি আছিল, পচি মাটি হওঁতেও তেনেকৈ তিল তিলকৈ পলে পলে মাটি হবলৈ ধৰে। গতিকে পূৰ্ব্বে যেনে জীৱন-গতি অবিৰাম ভাৱেৰে চলি আছিল, এতিয়াও সেই দৰে অবিৰাম ভাৱেৰে চলি থাকে। এই দৰে হাৰ মঙহ অনুক্ৰমে একেবাৰে মাটিৰ আকাৰ ধৰিলে গতি কলৈ যায়? গতিও লোপ হয় নে? নহয়। এই গতি লোপ হোৱা বস্তু নহয়। ইয়াৰ কাৰ্য্যত অন্ত নাই, ইয়াৰ হাতৰ আহৰি নাই। ই এটা কাম কৰি এটাই আৰু এটা কামত ধৰে, সেইটো হলে, আকৌ এটাত ধৰে। এই দৰে ই আনিৰপৰা কামত ব্যস্ত হৈ আছে। শৰীৰৰ হাৰ মঙহ সম্পূৰ্ণৰূপে মাটি হলে গতি অৰ্থাৎ জীৱন-গতি মাটিত সোমায়, অৰ্থাৎ পৃথিৱীত সোমায়, অৰ্থাৎ পৃথিৱীৰ শৰীৰৰ গতিৰ লগত মিহলি হৈ যায়। অন্যান্য শৰীৰৰ ভিতৰত যেনেকৈ এটা গতি চলি আছে, পৃথিৱীৰ শৰীৰৰ ভিতৰতো সেই দৰে এটা গতি চলি আছে। পৃথিৱীৰ অণুৱে অণুৱে, পৰমাণুৱে পৰমাণুৱে গতি আছে। এই গতিৰ গুণত পৃথিৱীৰ মাটি শিল হৈছে, শিল আকৌ মাটি হৈছে, খনিত সোণ হৈছে, ৰূপ হৈছে, হীৰা হৈছে, নাগ-মাটি হৈছে, আৰু কত কি নহৈছে। পিছত, যদি পৃথিৱী [illegible] লয় হয়, তেতিয়া গতি কলৈ যাব? গতি তেতিয়া বিশ্বৰ গতিৰ লগত লগ লাগিব, অৰ্থাৎ যি গতিৰ গুণত বিশ্বৰ সৃষ্টি হৈছে, সেই গতিৰ লগত গোট খাব। বিশ্বৰ গতি কেনে? আগত কোৱা হৈছে যে চন্দ্ৰ, সূৰ্য্য, বা পৃথিৱী যে ঘূৰি ফুৰিব লাগিছে, সেই গতি বিশ্বৰ গতি নহয়। সেই গতি বাহিৰৰ গতি, [illegible] গতি। বস্তুৰ শৰীৰৰ অভ্যন্তৰত যে গতি চলি থকা [illegible]



শৰীৰতো সেই দৰে এটা গতি চলি আছে। আমাৰ সৌৰজগৎ, আৰু তাৰ বাহিৰৰ এনে আন যিবিলাক সৌৰজগৎ আছে, আৰু তাৰ বাহিৰেও যি আছে, অৰ্থাৎ আকাশ, এই সকলোবোৰ গোট খাই বিশ্ব। এই বিশ্ব এটা গোট বস্তু, ভিন ভিন সৌৰজগৎ, বা গ্ৰহ উপগ্ৰহবিলাক ইয়াৰ বেলেগ বেলেগ অঙ্গ মাথোন। এই গোট বিশ্বৰ যি শৰীৰ তাত এটা গতি আছে। সেই গতিৰ গুণত তাতো নানাৰূপ পৰিবৰ্ত্তন হব লাগিছে। এই গতি বিশ্বগতি। আন আন শৰীৰৰ বা বস্তুৰ গতি শৰীৰ বা বস্তু লয় হলে, মূল গতিত, অৰ্থাৎ বিশ্বগতিত গোট খায়। স্বৰূপাৰ্থত গতি এটা, সেই গতি বিশ্বব্যাপি আছে। ভিন ভিন শৰীৰৰ গতি বিশ্বগতিৰ এটা ভাগ মাথোন। সেই ভাগ শৰীৰ বিশেষত বন্দী হৈ থাকে, পিছত শৰীৰ ধ্বংস হলে গতি উদ্ধাৰ হৈ মূল গতিৰ লগ লাগে। এটা টেকেলিত পানী ভৰাই পুখুৰীত পেলাই দিয়া। টেকেলিটো পুখুৰীৰ তলিত পৰি থাকিব, পানীখিনিও তাৰ ভিতৰত থাকিব। সেই টেকেলিৰ ভিতৰৰ পানী আৰু বাহিৰত থকা পুখুৰীৰ পানী তেতিয়া ভিন ভিন হৈ থাকে। পিছত টেকেলিটো কিবা এডালেৰে খোঁচ মাৰি পানীৰ তলতে ভাঙি দিয়া, তেতিয়া টেকেলিৰ ভিতৰৰ পানী কলৈ যাব? পুখুৰীৰ পানীৰে সৈতে সেই পানী মিহলি হৈ নাযাব নে? পুখুৰীৰ অলপ পানী টেকেলিটোত বন্দী হৈ বা বদ্ধ হৈ আছিল, টেকেলি ধ্বংস হলত সেই পানী উদ্ধাৰ হৈ মূল পানীত, অৰ্থাৎ পুখুৰীৰ পানীত মিহলি হল। সেই দৰে শৰীৰত বন্দী হোৱা এই বিশ্বব্যাপী গতিৰ মাজত বেলেগ হৈ পৰি থাকে, পিছত শৰীৰ লয় হলে সেই গতি গতি-সাগৰত মিহলি হৈ যায়।

গতি কি? গতি এটা বল। বল কেনে? যি গুণত, বা যিহৰ প্ৰভাৱত বস্তুৱে এটা আকাৰ এৰি আন এটা আকাৰ ধৰে। মাটিত বল আছে, কিয়নো মাটিয়ে মাটিৰ আকাৰ এৰি নাগমাটি হয়, বা শিল হয়। দলিৰ এবিধ বল আছে, কিন্তু মাটিৰ বল আৰু দলিৰ বল একে নহয়। দলিৰ বল ধাৰ কৰা বল, সেই বল দলিয়ে তোমাৰপৰা ধাৰ কৰি লৈছে, তাকে ব্যৱহাৰ কৰি সি এঠাইৰ পৰা আন ঠাইলৈ যায়। কিন্তু মাটিৰ বল নিজা সুকীয়া বল। সেই বল মাটিৰ [illegible] পাইছে বা সেই বলৰ যত্নত মাটিয়ে জন্ম পাইছে। এই বল পৰমাণু [illegible] আছে। অনেক পৰমাণু গোট খাই এটা বস্তু হয়। সেইদেখি

যন্ত্ৰত বল থাকে, সেইদেখি শৰীৰৰ ভিতৰতো বল থাকে। এই বলে আদিত প্ৰাণীৰ শৰীৰ বঢ়ায়, পিছত টুটায়, অৰ্থাৎ পচাই মাটি কৰে। কিয় মাটি কৰে? কিয় পচায়? কেৱল বঢ়াই নাথাকে কিয়? দেখা যায়, যেতিয়ালৈকে প্ৰাণীৰ জীৱ থাকে, অৰ্থাৎ প্ৰাণীটো জীয়াই থাকে, অৰ্থাৎ সি লৰিচৰি ফুৰিব পাৰে, তেতিয়ালৈকে প্ৰাণীৰ শৰীৰটো নপচে, পিছত অৰ্থাৎ লৰিচৰি ফুৰিব নোৱাৰা হলে, অৰ্থাৎ মৰিলে শৰীৰ পচিবলৈ ধৰে। মৰণ কেতিয়া হয়? যেতিয়া বুকুৰ ধিপ্‌ধিপনি নাইকিয়া হয়, অৰ্থাৎ ধিপ্‌ধিপনিৰ যন্ত্ৰটো বন্ধ হয়। প্ৰাণী মৰা মাত্ৰেই শৰীৰ পচিবলৈ আৰম্ভ কৰে। পচে কেনেকৈ? যিমান পৰমাণু গোট খাই শৰীৰটো হৈছিল, সেই পৰমাণুবিলাক বেলেগ বেলেগ হয়, অৰ্থাৎ থান থান হয়, অৰ্থাৎ যি পৰমাণু যাৰ, তালৈ যায়, অৰ্থাৎ মাটিৰ পৰমাণু মাটিলৈ যায়, পানীৰ পানীলৈ যায়, বায়ুৰ বায়ুলৈ যায়। এই দৰে গৈ এটালৈ শৰীৰ পচি নাইকিয়া হয়। তেনে হলে দেখা গল, যি বলে শৰীৰ বঢ়াইছিল সেই বলেই পচালে, অৰ্থাৎ মৰণৰ আগেয়ে আৰু মৰণৰ পাছে দুয়ো কালতে বলটো থাকে, কেৱল মৰণৰ আগেয়ে কিবা এটাই পৰমাণুবিলাক গোট কৰি ধৰি আছিল, মৰণ হলত ধৰোঁতা নাইকিয়া হল, সেই ছল পাই পৰমাণুবিলাক, স্কুল ছুটি হলে স্কুলীয়া লৰাৰ দৰে, নিজ ঘৰলৈ পিয়াপি দি যাবলৈ ধৰে। সেই ধৰি থকা জন কোন বা কি?

শৰীৰটো এটা ৰেইলওৱে ইঞ্জিন। ইঞ্জিন ভাপৰ বলত চলে, শৰীৰ গতিৰ বলত চলে। ইঞ্জিনৰ ভিতৰত ভাপে কাৰ্য্য কৰিবলৈ এডোখৰ ঠাই আছে, শৰীৰৰ ভিতৰত গতিয়ে কাৰ্য্য কৰিবলৈ এডোখৰ ঠাই আছে। সেই ঠাই-ডোখৰৰ নাম বুকু বা হৃদি। ভাপৰ কাৰ্য্য চলাই দিলে ইঞ্জিন চলিবলৈ ধৰে, কিন্তু ইঞ্জিনটোৱে নিজে কোনো কাৰ্য্য নকৰে। ইঞ্জিন চলাই লৈ মানুহে তাক ই কামত সি কামত লগাই দি কাম কৰায়। শৰীৰটোকো চলাই লৈ অৰ্থাৎ জীয়াই লৈ, অৰ্থাৎ জীৱ দান দি চলিব পৰা কৰি লৈ, কোনোবাই বা কিবাই তাক ই কামত সি কামত লগাই দি কাম কৰায়। ইঞ্জিন ভাপৰ বলত যদিওবা চলে কিন্তু সি লাগতিয়াল অনাগতিয়াল বাছি কাম কৰিব নোৱাৰে। তাক এজন জ্ঞান বুদ্ধি থকা জীৱই, অৰ্থাৎ মানুহে চলাই লাগতিয়াল অনাগতিয়াল বুজি কাম কৰায়। শৰীৰটোকো সেইদৰে কিবা এটা জ্ঞান বুদ্ধি থকা বস্তুৱে চলায়, আৰু তাৰে লাগতীয়া অলাগতীয়া বুজি কাম কৰায়।



ৰেইলওৱে ইঞ্জিন যেনে গাড়িৰ চকৰি ঘুৰিবৰ পূৰ্ব্বেও চলি থাকে, তেও মানুহে ঘুৰিবলৈ নিদিয়ে মানে ইঞ্জিনে চকৰি ঘুৰাব নোৱাৰে, সেইদৰে শৰীৰটো চলি থাকিলেও, অৰ্থাৎ সম্পূৰ্ণ নীৰোগ অৱস্থাত জীয়াই থাকিলেই সি নিজে কোনো কাম কৰিব নোৱাৰে, সেই জ্ঞান বুদ্ধি থকা বস্তুটোৱে চলালেহে কৰিব পাৰে। টোপনিত শৰীৰ জীয়াই থাকে, অৰ্থাৎ জীৱন গতি চলি থাকে, কিন্তু সি একো কাম কৰিব নোৱাৰে, কিয়নো, তেতিয়া জ্ঞান বুদ্ধি থকা বস্তুটো কৰবলৈ যায়, অথবা তাৰ কিবা হয়। এতেকে বুজা গল, ইঞ্জিন আৰু ইঞ্জিন চলোৱা মানুহজন যেনে বেলেগ বস্তু, সেই দৰে শৰীৰ আৰু শৰীৰ চলোৱা বস্তুটো বেলেগ বস্তু। ইহঁত দুয়োৰো ভিতৰত একো সম্বন্ধ নাই। মানুহে যেনেকৈ ঘৰত বাস কৰে, ইও তেনেকৈ শৰীৰত বাস কৰে। ঘৰ বেয়া হবলৈ বা ভাগি যাবলৈ ধৰিলে মানুহে বেয়া হবলৈ বা ভাগি যাবলৈ নিদিয়ে, ভাল কৰি লয়; সেই দৰে, বোধ হয়, শৰীৰ বেয়া হবলৈ ধৰিলে, অৰ্থাৎ শৰীৰৰ পৰমাণুবিলাক বেলেগ হব খুজিলে, সেই জ্ঞান বুদ্ধি থকা বস্তুটোৱে হব নিদিয়ে, কিবাপ্ৰকাৰে ধৰি ৰাখে।

শৰীৰ পচিবলৈ নিদিয়াকৈ যেয়েই বা যিহেই ৰাখক নাৰাখক শৰীৰটো যে এটা কিবা জ্ঞান বুদ্ধিবিশিষ্ট বস্তুৱে চলায়, ইয়াৰ কোনো সন্দেহ নাই। পিছত, এই জ্ঞান বুদ্ধিবিশিষ্ট বস্তুটো অৰ্থাৎ এই চিদ্‌যুক্ত বস্তুটো কি? ইয়াৰ প্ৰকৃতি কেনে, ই আগেয়ে ক'ত আছিল, কেনেকৈ শৰীৰলৈ আহিল? এনেবিলাক প্ৰশ্নই মানুহক জুমুৰি দি ধৰে, কিন্তু মানুহে সিহঁতৰ উত্তৰ বিচাৰি নাপায়। আদিৰ সমস্যা আজো ওলাল। ইমান বিচাৰ কেৱল কথাৰ খৰচ। তাৰপৰা আচল সমস্যা সম্বন্ধে কোনো ফলোদয় নহল। এই সমস্যাৰ খণ্ডন বিচাৰি মানুহে যেই বাটেৰে যাওক নাযাওক খণ্ডন নাপায়। ই দুৰ্ভেদ্য সমস্যা, ইয়াৰ খণ্ডন নাই, ইয়াৰ উত্তৰ নাই। কিন্তু কোনো কোনো পণ্ডিতে উত্তৰ পোৱা বুলি কয়। সিবিলাকে সেই উত্তৰ নানা শাস্ত্ৰত ব্যাখ্যা কৰিছে, কিন্তু উত্তৰ সন্তোষ-জনক যেন বোধ নহয়। সেই পণ্ডিতসকলৰ বাহিৰে ই জ্ঞান কাৰো মনৰ দুৱাৰ ভাঙিব পৰা নাই, নাইবা এই সম্বন্ধে আজিও বিচাৰ চলি নাথাকিলে-

হৈছেন। যত বিচাৰ মানে চিদ্‌ সম্পৰ্কে নিষ্ফল। বিচাৰত সৎ পোৱা যায়। সৎ সহজে প্ৰমাণ হয়। সৎ চকুৰে দেখিবলৈ পোৱা বা মনেৰে ভাবি ধৰিব পৰা বস্তু। সৎ নানা আকাৰত থাকিব পাৰে। সি স্থূল আকাৰতো থাকে, সূক্ষ্ম আকাৰতো থাকে। বস্তু এটা সৎৰ স্থূল আকাৰ, তাৰ ভিতৰত থকা গতি সূক্ষ্ম আকাৰ। দুয়ো কিন্তু একে বস্তু, অৰ্থাৎ ভূতৰ সমষ্টি। কোনো এটা বস্তু ভাগ কৰি দিলে, অৰ্থাৎ ভঙিয়াই সৰু সৰু কৰিলে, অৰ্থাৎ সৰুতকৈ সৰু কৰিলে, অৰ্থাৎ ৰংপৰোনাস্তি সৰু কৰিলে, তাৰ স্থূল দেহ নাথাকে, অৰ্থাৎ আকাৰ নাথাকে, থাকে কেৱল সূক্ষ্ম দেহ, অৰ্থাৎ সূক্ষ্ম আকাৰ, অৰ্থাৎ গতি। বিজ্ঞানৰ গুণত বুজা গৈছে যে দৃশ্যমান শৰীৰটো একো নহয়, ই এটা ভুৱা, বা বাজিকৰৰ ফাং। ই গতিৰ ( energy ) সমষ্টি মাথোন। বিজুলী এটা গতি, ইও অৱস্থাবিশেষত চকুৰ গোচৰ হয়। শৰীৰ বা দৃশ্যমান বস্তু গতিৰ এটা বিশেষ অৱস্থা মাথোন।

চিৎ এটা অনুমানৰ বস্তু, ইয়াক কোনেও চকুৰে দেখা নাই, বা আন কোনো ইন্দ্ৰিয়েৰে বোধ কৰা নাই, কেৱল বিশ্বৰ বস্তুবিলাকৰ প্ৰকৃতি দেখি মানুহে চিৎ আছে বুলি অনুমান কৰে। চিৎ বুদ্ধি জ্ঞানৰ এটা বেলেগ নাম। বিশ্বৰ বস্তুবিলাক এনেৰূপে সৃষ্ট হৈছে যে তাৰপৰা স্ৰষ্টোতাৰ জ্ঞান বুদ্ধি বিদিত হৈ পৰিছে, অৰ্থাৎ জ্ঞান বুদ্ধি নথকা লোকে বস্তু সেইদৰে কৰিব নোৱা-ৰিলেহেঁতেন। প্ৰত্যেক বস্তুতেই উদ্ভাৱন আৰু মৰণৰ মন্ত্ৰ ৰক্ষা আছে, অৰ্থাৎ বস্তু উৎপন্ন হবলৈ বা লয় হবলৈ কোনেও কাৰবাৰ কৰিব নালাগে। এটা বস্তুৱে তাৰ সদৃশ আন এটা বস্তু উৎপন্ন কৰিব পাৰে। মানুহে মানুহ কৰিব, গছে গছ কৰিব পাৰে, আৰু চিৰকাল কৰিব লাগিছে। সেইদৰে জগতে জগৎ কৰিব পাৰে, অৰ্থাৎ এক জগৎ লয় হলে আকৌ তাৰপৰা নতুন জগৎ উদ্ভৱ হব পাৰে, নতুন জগৎ কৰিবলৈ আন নতুন কাৰবাৰ কৰিব নালাগে। বিশ্ব নানা জগতৰ সমষ্টি, তাৰো লয় আছে, আৰু উদ্ভৱ আছে। মুঠতে কব লাগিলে সকলো বস্তু বাৰ বাৰ হৈছে মৰিছে, হৈছে মৰিছে, কিন্তু হবলৈ আৰু মৰিবলৈ নতুন আহৰি নালাগে, স্ৰষ্টোতাই আদিতে মৰণৰ আৰু জনমৰ আহৰি বস্তুৰ ভিতৰত ৰাখি দিছে। এই ব্যৱস্থা বুদ্ধি নথকা কোনো বস্তুৰপৰা ওলাব পাৰে নে? কেতিয়াও নোৱাৰে। এতেকে, বস্তুৰ আদি



কাৰণ কেৱল শক্তি অৰ্থাৎ গতি নহয়, সেই শক্তি বা গতিত জ্ঞান বুদ্ধি আছে, অৰ্থাৎ তাৰ ভিতৰত বেয়া ভাল বুজিবৰ ক্ষমতা আছে। এইটো মানুহৰ অনুমান। এই অনুমান দুজন চাৰিজনৰ বাজে পৃথিৱীৰ সকলো মানুহে সঁচা বুলি মানি লৈছে। কিন্তু এই চিৎ শক্তিৰ প্ৰকৃতি কি? ই কি বস্তু?

শ্ৰীসত্যনাথ বৰা।

---

# মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ। *

বৌদ্ধধৰ্ম্ম বুদ্ধদেৱৰপৰা, ক্ৰিষ্টান ধৰ্ম্ম যিশু ক্ৰিষ্টৰপৰা, আৰু মহম্মদীয় ধৰ্ম্ম যেনেকৈ মহম্মদৰপৰা ওলাইছে, মহাপুৰুষীয়া ধৰ্ম্মও শঙ্কৰদেৱৰপৰা তেনেকৈ ওলাইছে বুলি কব নোৱাৰি। কাৰণ বৌদ্ধধৰ্ম্ম, ক্ৰিষ্টান ধৰ্ম্ম আৰু মহম্মদী ধৰ্ম্ম ঐতিহাসিক ধৰ্ম্ম; একো একোজন পুৰুষে এটা নতুন পথ উলিয়াই সেই পথ অৱলম্বন কৰে, সেই মতে ধৰ্ম্ম প্ৰতিষ্ঠা কৰিছে আৰু সেই ধৰ্ম্মকে তেওঁলোকে প্ৰচাৰ কৰিছে; কিন্তু শঙ্কৰদেৱে যদিও তেওঁলোকৰ দৰে ধৰ্ম্ম প্ৰচাৰ কৰিছিল, সেই ধৰ্ম্ম কিন্তু তেওঁৰ নহয়, ই নতুন ধৰ্ম্ম নহয়, ই বহুদিনীয়া পুৰাতন আৰ্য্যৰ সনাতন সত্য ধৰ্ম্ম। আমাৰ দেশত ই নতুনৰ দৰে হৈ পৰিছিল; বহুত দিন গুপ্তভাৱে থাকি দেশত ধৰ্ম্মভাৱ আৰু ধৰ্ম্মৰ চৰ্চ্চা নাইকিয়া হওঁতে এই ধৰ্ম্ম প্ৰচাৰ হৈছিল, সেই কাৰণে ইয়াক মহাপুৰুষ শঙ্কৰদেৱৰ ধৰ্ম্ম বুলি মানুহে ধৰিছিল; আৰু মহাপুৰুষৰ নাম অনুসাৰে মহাপুৰুষীয়া ধৰ্ম্ম বুলি ধৰিলে। মাধৱদেৱে লেখিছে—

"পৰম অমূল্য বস্তু
হৰিৰ নামৰ পেৰা
অতিগুপ্ত স্বৰূপে আছিলা।
লোকক কৃপায়ে হৰি
শঙ্কৰে স্বৰূপে আসি
মুদ ভাঙ্গি সমস্তকে দিলা॥"

এতেকে মহাপুৰুষীয়া ধৰ্ম্ম এটা নতুন ধৰ্ম্ম নহয় আৰু ই হিন্দু ধৰ্ম্মৰ কোনো নতুনীয়া ধৰ্ম্মও নাছিল।

* যোৰহাটত শঙ্কৰদেৱৰ সভাত এই ৰচনা পাঠ কৰা হৈছিল।

'শঙ্কৰদেৱৰ জন্মৰ সময়ত দেশত তান্ত্ৰিক শক্তি পূজা অনুসৰি অনেক বলি দিয়া পূজা প্ৰচলিত আছিল। কলিকাপুৰাণ ঠিক সেই সময়ৰ কিছু আগেয়ে ৰচিত হৈছিল, তাত মানুহ বলি দিয়াৰ কথাৰ বিশেষ বিৱৰণ লেখা আছে অৰ্থাৎ বলিদিবলৈ উপযুক্ত মানুহৰ লক্ষণাদি কেনে হব লাগে, আৰু কেনেকৈ সেই বলি দিব লাগে তাৰ বিষয়ে বহলকৈ বৰ্ণনা কৰা হৈছে। মুছলমানে ভঙ্গা কামাখ্যা মন্দিৰ নৰনাৰায়ণ ৰজাই আকৌ সজাই কামাখ্যা প্ৰতিষ্ঠা কৰোঁতে ১৪০টা মানুহ বলি দিয়া হৈছিল। উজনিত সদিয়াৰ ফালে ছুটীয়াবিলাকৰ ভিতৰত কালীপূজা প্ৰচলিত আছিল, সেই কালীক "কেচাইখাতী গোসানী" বুলিছিল। এই কেচাইখাতী গোসাঁনীৰ আগত নৰ বলি দিয়া হৈছিল। এনেকৈয়ে ঠায়ে ঠায়ে নৰবলি দিয়াৰ প্ৰথা আছিল, আৰু তাৰ বাহিৰে অনেক গৰ্হিত কাণ্ড ধৰ্ম্মৰ মুখা পিন্ধি মানুহৰ মাজত চলিব লাগিছিল। এনেকুৱা সময়ত শঙ্কৰদেৱৰ পৃথিবীত জন্ম। শঙ্কৰদেৱৰ কীৰ্ত্তনৰ প্ৰথম অধ্যাতে ইয়াৰ আভাষ দিছে। তেওঁ লেখিছে,

"নিচিন্তে চৰণ নাম নলবে তোমাৰ।
সদায়ে প্ৰমত্ত লোকে পাষণ্ড আচাৰ॥"

এই নৰবলি দিয়া, হাঁহ, ছাগলী, মহ, পাৰ আদি জীৱ বধ কৰা, আন আন ভৌতিক বিদ্যা, ঐন্দ্ৰজাল বিদ্যা, সুৰাপান কৰা ইত্যাদি ক্ৰিয়াই শঙ্কৰদেৱৰ দৃষ্টি আকৰ্ষণ কৰি এই "ৰজোগুণ" আৰু "তমোগুণময়" বৃত্তিৰ ভাৱ বিসৰ্জন কৰিবলৈ আৰু শুদ্ধ সত্ত্ব বৃত্তি, "দৈৱৰ সম্পত্তি"ৰ ভাৱলৈ আহিবলৈ হৰিৰ নিৰ্গুণ ভকতি প্ৰকাশ কৰিলে।

তেওঁৰ ধৰ্ম্ম শ্ৰীমদ্ভাগৱত আৰু গীতাৰপৰা উদ্ধৃত; আৰু এই ভাগৱত শাস্ত্ৰ সমস্ত বেদান্তৰ সাৰ। এতেকে মহাপুৰুষীয়া ধৰ্ম্ম সমস্ত বেদান্তসাৰৰ ধৰ্ম্ম।

"সমস্ত বেদান্তসাৰ শ্ৰীভাগৱত শাস্ত্ৰ
ইয়াৰ অমৃত ৰস পাই।
পৰম সন্তোষে পান কৰিলে যিজনে তাৰ
অন্যত্ৰ ৰসত ৰতি নাই॥"



"বৈকুণ্ঠৰ কল্পতৰু ভাগৱত শাস্ত্ৰ।
ইয়াৰ উত্তম ফল হৰিনাম মাত্ৰ॥"

আৰু গীতাৰ বিষয়ে—

"সকলে উপনিষদ ধেনু, দোগ্ধা ভৈল তাৰ নন্দসুত,
তাৰ বৎস ভৈল কুন্তী সুত ধনঞ্জয়।
দুগ্ধ ভৈল মহাগীতামৃত, কৃষ্ণৰ চৰণে দিয়া চিত্ত
সুবুদ্ধি সকলে সন্তোষে পান কৰয়॥

এতেকে বেদান্ত আৰু উপনিষদৰ ধৰ্ম্মই হৈছে মহাপুৰুষীয়া ধৰ্ম্ম।

শঙ্কৰদেৱে এই মহাপুৰুষীয়া ধৰ্ম্ম প্ৰচাৰ কৰা, মোৰ মনেৰে ভাৰতত বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰ কৰাৰ এয়ে প্ৰথম। ইয়াৰ আগেয়ে যদিও বৈষ্ণৱ ধৰ্ম্ম মানুহৰ মুখত একেবাৰে লোপ পোৱা নাছিল, তথাচ ইয়াৰ চৰ্চ্চা আৰু ভক্তি নথকাৰ দৰেই।

মাধৱদেৱে কৈছে

"হৰি ভকতিৰ পাতিলন্ত হাট
শঙ্কৰে জগত জুৰি।
ৰাম নাম ৰত্ন বেহায়া জগতে
চলয় বৈকুণ্ঠ পুৰি॥"

ইয়াত "জগত জুৰি" আৰু "বেহায়া জগতে" বুলি অসম দেশখনকে যে দেশ দেশান্তৰ বুজা পণ্ডিত এজনে কৈছে তাক মোৰ কেতিয়াও মনে নধৰে। তদুপৰি বঙ্গদেশৰ চৈতন্যদেৱৰ বৈষ্ণৱ ধৰ্ম্ম প্ৰচলন বহুত দিনৰ যে পাছত তাক ইতিহাসেই কৈছে। যেতিয়া শঙ্কৰদেৱৰ ধৰ্ম্ম প্ৰচাৰৰ ভৰ সময়, তেতিয়া সমস্তকনিষ্ঠ চৈতন্যদেৱ শান্তিপুৰত স্কুলীয়া পণ্ডিত। গতিকে শঙ্কৰদেৱেই প্ৰথমে গোটেই ভাৰতৰ ভিতৰত বৈষ্ণৱ ধৰ্ম্মৰ গুটি সিঁচে।

কেবাজনো মহাত্মাই এই বৈষ্ণৱ ধৰ্ম্মকে পাছলৈ ভাৰতত শিক্ষা আৰু প্ৰচাৰ কৰে, কিন্তু সকলোবিলাকৰ ভিতৰত শঙ্কৰদেৱৰ শিক্ষা অতি সহজ, পবিত্ৰ, ই ধৰ্ম্মৰ আৰু মানুহে সহজে আচৰিব পৰা যেন লাগে।

"হৰি নাম কীৰ্ত্তনৰ নাহি দেশ কাল পাত্ৰ
নিয়ম সংযম একো বিধি।
হৰিত শৰণ লৈয়া কেৱল হৰিৰ নাম
কীৰ্ত্তন কৰন্তে হোৱে সিদ্ধি॥"

ভাগৱতত মুক্তিৰ পথ দুটা আছে, এটা ভক্তি আৰু এটা প্ৰেম। ৰাধিকা আৰু কৃষ্ণৰে সৈতে যি লীলা দেখুৱা হৈছি সি ঈশ্বৰ প্ৰেমৰ চানেকী, আৰু অৰ্জ্জুনৰে সৈতে যি লীলা দেখুৱা হৈছে সি ভক্তিৰ। বঙ্গদেশৰ চৈতন্যদেৱৰ শিক্ষা আগৰ বিধৰ আৰু শঙ্কৰদেৱৰ পাছৰ বিধৰ। শঙ্কৰদেৱৰ ধৰ্ম্মত ৰাধাৰ নাম গোন্ধেই নাই, তেওঁৰ কেৱল ভক্তিহে প্ৰধান। সেয়ে ন বিধ ভক্তি, যেনে,

"শ্ৰৱণ কীৰ্ত্তন স্মৰণ বিষ্ণুৰ
অৰ্চ্চন পদ সেৱন।
দাস্য সখিত্ব বন্দন বিষ্ণুত
কৰিবা দেহা অৰ্পণ॥
নৱবিধ ভক্তি বিষ্ণুত আচৰে
সেহিসে পাঠ উত্তম॥"

এই নৱবিধ ভক্তি বিষ্ণুতে কৰিবা, আৰু তাৰ চানেকী হৈছে মহাৰথী অৰ্জ্জুন। বিষ্ণুৰ বাহিৰে এই নৱবিধ ভক্তিৰ পৰাকী অন্য কোনো নাই, বিষ্ণুৱে সকলোৰে সাৰ।'

"মায়া আদি কৰি যত সমস্ত জগত জড়,
কৃষ্ণসে চৈতন্য আত্মা শুদ্ধ।"

বিষ্ণু এই সৰ্ব্বব্ৰহ্মাণ্ডব্যাপী একমেবাদ্বিতীয়ং। বিষ্ণুৰ বাহিৰে অন্য দেৱতা নাই। তেৱেঁইহে

"সৃষ্টি স্থিতি অন্তকাৰী দেৱ,
তান্ত বিনে আন নাহি কেৱ,
জানিবা বিষ্ণুসে সমস্ত জগতে সাৰ।"

আৰু সেই কাৰণে তেওঁ "অনাদি অনন্ত নিৰ্গুণ গুণ নিয়ন্তা।" এতেকে মহাপুৰুষীয়া বা বৈষ্ণৱসকলৰ বিষ্ণুৰ বা কৃষ্ণৰ বাহিৰে কোনো উপাস্য দেৱতা বা উপদেৱতা হব নোৱাৰে আৰু বিষ্ণুৰ শ্ৰৱণ কীৰ্ত্তনৰ বাহিৰে অন্য শ্ৰেষ্ঠ ভকতি নাই। আৰু সেই বিষয়ে অলপো খুঁত বি নাথকিবলৈ মাধৱদেৱৰ খোলোচা বাণী,—"বেদৰ বিহিত যত আছে ধৰ্ম্ম সংসাৰত, সবে হৰিনামৰ কিঙ্কৰ" কথাই সম্পূৰ্ণ প্ৰমাণ।



আগেয়ে কোৱা হৈছে যে শঙ্কৰদেৱৰ ধৰ্ম্ম আচৰিবলৈ অতি সহজ। কলিকালত মানুহৰ নানা জঞ্জাল হব, আয়ুস কম হব, নানা কৰ্ম্মত ব্যস্ত থাকিহে মানুহ নিজৰ জীৱিকা নিৰ্ব্বাহ কৰিব পাৰিব, ইত্যাদি কথা আমাৰ শাস্ত্ৰকৰ্ত্তা সকলে অনুমান কৰিব পাৰিছিল। শঙ্কৰদেৱৰ ধৰ্ম্ম এই কলিকালৰ নিমিত্তে যে উপযোগী ধৰ্ম্ম তাক সহস্ৰ বাৰ কৈছে, আৰু বাস্তৱিকতে বহুত কথাত বুজা যায় যে সহজ নহলে ধৰ্ম্ম আচৰণ কাৰ্য্য আজিকালি দুৰূহ। আমাৰ মাজতে খোলোচাকৈ কবলৈ গলে ধৰ্ম্মৰ কাৰ্য্য কিবা আছেনে ভাবিলে বেয়া লাগে। ধৰ্ম্মৰ নাম গোন্ধ নোহোৱাকৈ আজীৱন চলিলেও আমাৰ সমাজৰ আমাৰ ওপৰত একো একুতিয়াৰ নাই আৰু আমাক বেয়া ভাল বোলোতা নাই ;—এনে সামাজিক অৱস্থা আমাৰ বাহিৰে কোনো ধাৰ্ম্মিক সমাজত নাই। নিতৌ যাগ যজ্ঞাদি কৰি তন্ত্ৰ মন্ত্ৰ পাঠ কৰি এই দিনত আৰু এই কালত সুকলমে চলাটো বাস্তৱিকতে টান। গতিকে শঙ্কৰদেৱৰ ধৰ্ম্ম আজিকালিৰ মানুহে অবাধে গ্ৰহণ কৰা উচিত ; কাৰণ ই সকলোৱে আচৰণ কৰিব পৰা ধৰ্ম্ম। তদুপৰি আমাৰ দেশত ধৰ্ম্মৰ কথা জানিবলৈ যাৰে তাৰে ক্ষমতা নাছিল ; সকলোৱে সমান ভাৱে ধৰ্ম্ম কৰ্ম্ম কৰিব পৰা নাছিল ; কিন্তু শঙ্কৰদেৱৰ ধৰ্ম্মই সকলোকে সমান ক্ষমতা দিলে, সেই কাৰণে সমান হবলৈ ইচ্ছা থকা বা সমান হলে লোকচান নথকা মানুহৰ ভিতৰত যে শঙ্কৰদেৱৰ ধৰ্ম্ম ততালিকে ব্যাপৃত হৈ যাব সি একো আচৰিত কথা নাছিল। শঙ্কৰদেৱৰ ধৰ্ম্মত কোনো মানুহক বাদ দিয়া নাই, সকলোৱে সমানে ধৰ্ম্ম আচৰিব আৰু পালন কৰিব পাৰিব,

"পৰম নিৰ্ম্মল ধৰ্ম্ম, হৰিনাম কীৰ্ত্তনত
সমস্ত প্ৰাণীৰ অধিকাৰ॥
বৰ্ণাশ্ৰম ধৰ্ম্ম যত যাৰ যেন বিধি আছে
তাৰেসে কেৱল অধিকাৰ।

হৰি নাম কীৰ্ত্তনত নাহিকে নিয়ম একো।
এতেকেসে ধৰ্ম্ম মাজে সাৰ ॥"

সেই কাৰণেই দেশত পৰি থকা হিন্দু জাতিৰ তলতীয়া শ্ৰেণীৰ মানুহে এই ধৰ্ম্ম যেনেকৈ আগ্ৰহেৰে ললে ওপৰ থাপৰ সকলো-মানুহ-সমান বুলি ধৰিলে মনত কি অন্যত্ৰত স্বতি হোৱা শ্ৰেণীৰ মানুহে ইয়াক সিমান আগ্ৰহেৰে গ্ৰহণ নকৰিলে। বাস্তবিকতে যেতিয়া বেদৰ বিহিত যাগ যজ্ঞাদিও কৰিবলৈ শঙ্কৰদেৱৰ ধৰ্ম্মই মানা কৰিলে তেতিয়া যাগ যজ্ঞাদিৰপৰা লাভ পোৱা যাজক ব্ৰাহ্মণসকলৰ ওচৰত এই ধৰ্ম্ম আৰু শঙ্কৰদেৱ চকুৰ শূল যেন হল; কিন্তু এই ধৰ্ম্মই কছাৰি, মিৰি, গাৰো, যৱন, চণ্ডাল, মটক, ভোট আদিক অতি সহজে বিশুদ্ধ আচাৰ নীতি দি হিন্দুজাতিৰ ভিতৰত সুমুৱালে, আৰু তেওঁলোকেও পতিত পাৱন ভাগৱতী মতেৰে শৰণ লৈ নিজক হিন্দু বোলাই ধন্য বিবেচনা কৰিলে। আজিকালি আমি ভাৰতত Depressed class বুলি এটা যে কেৰাটাও জাতিক উদ্ধাৰ কৰিবলৈ নানা সভা সমিতি পাতি উদাৰ নীতিৰ মুখেৰে বক্তৃতা দি দেশৰ বাতৰি কাকতত ঠায়ে নধৰা কৰিছোঁ, কিন্তু স্বাৰ্থত্যাগী শঙ্কৰদেৱৰ মহিমা অলৌকিক, তেনেকুৱা জাতিক তেওঁ তেওঁৰ ধৰ্ম্মৰ বলেৰে উদ্ধাৰ কৰিছিল। আমাৰ দেশত এই তলতীয়া জাতিবিলাক শঙ্কৰদেৱৰ ধৰ্ম্মৰ প্ৰভাৱত আজিলৈকে ক্ৰমে উদ্ধাৰ হৈ আছে আৰু আমাৰ সমাজেও সেই উদাৰ নীতেৰে তেওঁলোকক গ্ৰহণ কৰি, আন দেশৰ ঠেক আৰু সীমাবদ্ধ সমাজতকৈ আমাৰ সমাজ যে বহল আৰু মুকলি তাৰ প্ৰমাণ কৰিছে। ধন্য ভাগৱতী ধৰ্ম্ম! ধন্য শঙ্কৰদেৱ! আৰু তোমাৰ বাবেই আসাম, তুমিও ধন্য!

কৈ অহা হৈছে যে শঙ্কৰদেৱৰ ধৰ্ম্ম সকলোৰে সমানে উপযোগী। তলতীয়া থাপ মানুহে বিষ্ণুৰ নাম কীৰ্ত্তন কৰিব, জগৎ ব্ৰহ্মময় বা বিষ্ণুময় দেখিব, ক্ৰমে মায়া নিবাৰিত হব আৰু সেই ৰকমে ধৰ্ম্ম সিজিব। ঠিক তেনেকৈ ওপৰ থাপৰ মানুহবো ই সম্পূৰ্ণ উপযোগী; এই খিনিতে এটা সন্দেহ হব পাৰে;— শঙ্কৰদেৱৰ ধৰ্ম্মত বিষ্ণুক "নিৰাকাৰ" 'নিৰ্ব্বিকাৰ' 'অনাদি' 'অনন্ত' বুলি কৈ দৈৱকীনন্দন শ্ৰীকৃষ্ণ সকলো নিৰ্গুণ-গুণ নিয়ন্তা কেনেকৈ হৈছে তাক বুজিবলৈ বহুতে সুবিধা নেপাই বেদান্তকাৰৰ ধৰ্ম্মৰপৰা মহাপুৰুষীয়া ধৰ্ম্ম [illegible] আঁতৰাব খোজে। অনন্ত আৰু নিৰাকাৰ ঈশ্বৰ সাকাৰ নৰ-মনুষ্য কেনেকৈ হব পাৰে? ইও নো বেদান্ত-উপনিষদৰ কথা নে? অৱশ্যে নিৰাকাৰ পৰম ব্ৰহ্মই আকৌ সাকাৰ পৰমেশ্বৰ কেনেকৈ হয় তাক বুজিবলৈ কিছু শকত। কিন্তু ই সম্পূৰ্ণ বেদান্তগত। "সৰ্ব্বং খল্বিদং ব্ৰহ্ম।" এই উপনিষদৰ বাক্য অনুসৰি সংসাৰৰ সকলো বস্তুতে ঈশ্বৰ আছে, সকলো বস্তুৱেই ঈশ্বৰ। বেদান্ত দেখা ব্ৰহ্মস্বৰূপ ঈশ্বৰৰ বৰ্ণনা দুৰূহ সংস্কৃত ভেদ কৰি আজি কবলৈ মোৰ শক্তি নাই। স্বামী বিবেকানন্দই সহজ ইংৰাজীত কোৱা কথাৰে তাৰ কিছু আভাষ দিব পাৰিলেই মোৰ কাৰ্য্য সিদ্ধি হব যেন পাওঁ। তেওঁ এমেৰিকাত Vedanta Philosophy অৰ্থাৎ বেদান্ত তত্ত্বৰ কথা কওঁতে কৈছিল, "The idea of the Advaitites is to generalize the whole Universe into one—that something which is really the whole of the Universe. And they claim that this whole Universe is one, that it is one being manifesting itself in all these various forms. It is not, the Vedantists say, that there is something as phenomena and something as nomena. When one is in ignorance, he sees the phenomena and does not see God. Ignorance or Maya as It is called is the cause of all these Phenomena. Maya then is the real Cause of this Universe. Maya gives the name and from to what Brahman or God gives the material and the latter seems to have been transformed in to all this. In the lowest ,worm as well as in the highst human being the same divine nature is present. Behind everything the same Divinity is existing, and out of this comes the basis of morality. Do not injure another; in injuring another I am injuring myself and in loving another I am loving myself." স্বামী সাৰদানন্দই সেই তত্ত্বকে আৰু বহলাই কৈছে, "The Vedanta is one with the science of Evolution in as much as it says that the Cause of the change of one species into another is the struggle of the Divine within every form to

১. এই শব্দ [illegible] অচলিত — [illegible]

manifest itself better and better. The struggle of the Divine has produced or evolved higher and higher forms up to the form of man. This is going on still and it will be completed only when the Divine will manifest itself perfecty without any ber or boltts to hinder." শঙ্কৰদেৱেও ঠিক এই বেদৰ ব্ৰহ্মেশ্বৰক লেখিছে। শ্ৰীকৃষ্ণই তেওঁৰ প্ৰিয় উদ্ধৱক বৈষ্ণৱ ধৰ্ম্ম কি আৰু তাক কেনেকৈ আচৰিব লাগে তাক কৈছে :—

"উদ্ধৱক সম্বোধি মাতন্ত কৃষ্ণে পাছে,
কৰ্ম্মবন্ধ এৰাইবে প্ৰবন্ধ যাৰ আছে ॥
বৈষ্ণৱৰ সঙ্গ যিটো লৈব প্ৰথমত।
মোহোৰ চৰিত্ৰ শুনিবেক ভকতত ॥
সমস্ত ভূততে ব্যাপি আছোঁ মই হৰি।
সবাকো মানিবা তুমি বিষ্ণু বুদ্ধি কৰি ॥
ব্ৰাহ্মণৰ চণ্ডালৰ নিবিচাৰি কুল।
দাতাত চোৰত যেন দৃষ্টি এক তুল ॥

* *

বিশেষত মনুষ্যগণত যিটো নৰে।
বিষ্ণু বুদ্ধি ভাবে সৰ্ব্বদায়ে মান্য কৰে ॥

* *

কুকুৰ চণ্ডাল গৰ্দ্দভৰো আত্মাৰাম।
জানিয়া সবাকো পৰি কৰিবা প্ৰণাম ॥"

ইত্যাদি বেদান্তৰ উদ্ধৃত শ্লোকৰ ব্যাখ্যা। মানুহ মাত্ৰেই ঈশ্বৰৰ অংশ, সকলো মনুষ্যৰ আধাৰ ঈশ্বৰ "Man according to Vedanta is Divine and everything that is strong good and poweful in human nature is the expression of the Divinity within him." (স্বামী সাৰদানন্দ)। এই যে strong, good and powerful শক্তিবিলাক মানুহৰ আছে সি ঐশ্বৰিক। যি এই শক্তিবিলাক বেছি পৰিমাণে পাইছে বা প্ৰকাশ



কৰিছে সিয়েই ঈশ্বৰৰ ওচৰ চাপিছে। সি সাধাৰণ মানুহতকৈ এই শক্তিবিলাকৰ বিকাশ পাই মানুহৰ আত্মাৰ কুশলৰ অৰ্থে কাৰ্য্য কৰিছে; তেওঁৰ গাত ঈশ্বৰৰ অংশ সাধাৰণতকৈ বেছি আছে বুলি ধৰিব লাগে, তেৱেঁই অৱতাৰ।

শঙ্কৰদেৱৰ মতে ঈশ্বৰৰ সৃষ্টিয়েই ঈশ্বৰৰ অৱতাৰ —"মৎস্যৰূপে অৱতাৰ হৈলা প্ৰথমত।" "মৎস্য"ই ঈশ্বৰৰ প্ৰথম সৃষ্টি—সেই কাৰণে সি প্ৰথম অৱতাৰ কিন্তু মৎস্যক কোনেও এতিয়া মানুহৰ দৰে পূজা বা মান্য নকৰে; শঙ্কৰদেৱেও সবাকে মানিবা তুমি বিষ্ণু বুদ্ধি কৰিতকৈ বেছিকৈ মাছ এটাকে মানিবলৈ কব খোজা নাই। বেদৰ মতেৰে অৱতাৰৰ মানে এয়ে। শঙ্কৰদেৱে তাক বহলাই লৈছে। বেদত মোটে ১০ অৱতাৰ। শঙ্কৰদেৱ বেদৰ দিনতকৈ বহুত পাছত হোৱাত তেওঁ ২৩ অৱতাৰ ধৰিছে। বাস্তৱিকতে প্ৰত্যেক জীৱই ঈশ্বৰৰ এক অৱতাৰ; কিন্তু যি জীৱত ঐশ্বৰিক গুণ বা শক্তি বেছি পৰিমাণে প্ৰকাশ পায় তেওঁ সাধাৰণ অৱতাৰবৰপৰা উঠি বিশেষ অৱতাৰত পৰেগৈ। মহম্মদ যিশু খ্ৰিষ্টও নিশ্চয় একো একো অৱতাৰ।

শ্ৰীকৃষ্ণ শঙ্কৰ কি সকলো বৈষ্ণৱৰ প্ৰধান অৱতাৰ। যি শ্ৰীকৃষ্ণৰ কাৰ্য্য কলাপ মহাভাৰতত কি পুৰাণত পঢ়িছে, তেওঁৱেই বুজিব যে শ্ৰীকৃষ্ণৰ গাত বিষ্ণুৰ প্ৰায় সকলো শক্তি প্ৰকাশ পাইছিল। তেওঁৰ অসাধাৰণ শক্তিৰে আৰু অলৌকিক মহিমাৰে বাল্যসঙ্গী গোপবিলাক যৌবনসঙ্গী গোপিনীবিলাকক নিজ নিজ অভিমতে সন্তোষ দি সকলোৰে মন তোষ কৰিছিল; কুৰু-পাণ্ডৱৰ যুদ্ধত অমানুষিক বুদ্ধি আৰু কৌশল দেখুৱাইছিল; বৈষ্ণৱ ধৰ্ম্মৰ বিজ্ঞান, তত্ত্ব আৰু ৰহস্য তেওঁ প্ৰিয় বন্ধু অৰ্জ্জুন, উদ্ধৱ আদিক দিছিল। তেওঁৰ কোনো এটা বৃত্তি অলৌকিকৰূপে প্ৰকাশ নোহোৱাকৈ নাছিল। যুদ্ধক্ষেত্ৰত যুদ্ধৰ প্ৰণালী জনা আৰু কৰ্ম্মক্ষেত্ৰত কৰ্ম্মজ্ঞ; ধৰ্ম্ম ব্যাখ্যাত অতুলনীয় ধৰ্ম্মতত্ত্বজ্ঞ আৰু ৰহস্য ভেদ কৰা; মানসিক বৃত্তিৰ স্ফূৰ্ত্তিজ্ঞানত গোপিনীসকলৰ মন মোহা আদি কৰি বৃত্তিবিলাকৰ সম্পূৰ্ণ বিকাশ প্ৰাপ্ত এজন পুৰুষ। বাস্তৱিকতে ঐশ্বৰিক নহলে সাধাৰণ মানুহৰ গাত এনে হোৱাৰ আশা কৰা অসম্ভৱ। সেই কাৰণে শ্ৰীকৃষ্ণক ষোলকলা সম্পূৰ্ণ অৱতাৰ বুলি ভক্তসকলে জ্ঞান কৰে। বহুত ঠাইত শঙ্কৰদেৱে শ্ৰীকৃষ্ণ আৰু বিষ্ণু দুয়োকো এক কৰি লেখিছে। শ্ৰীকৃষ্ণৰ পুৰুষৰূপ অস্তিত্ব যদিও পাশ্চাত্যসকলে কোনোৱে দৃঢ় ভাৱে স্বীকাৰ কৰিবলৈ ভাল নাপায় কিন্তু শঙ্কৰ

বেদৰ যেনে বিশ্বাস সম্পূৰ্ণ আছিল, আৰু লিখিত আৰু বৰ্ণিত ৰূপে যদি তেওঁৰ অস্তিত্ব মানি লোৱা যায়, তেন্তে তেওঁক বেদৰ মতে সম্পূৰ্ণ অৱতাৰ বুলিবলৈ একো কেঠা নাই। 'অসাধাৰণ শক্তিমন্ত পুৰুষেই তেওঁৰ মানত ঈশ্বৰৰ অৱতাৰ।' সেইকে শ্ৰীকৃষ্ণ সম্পূৰ্ণ অৱতাৰ হোৱাত একো বিচিত্ৰ নহয়। কিন্তু সেই বুলি শ্ৰীকৃষ্ণ "অনাদি" "অনন্ত" নহয়, তেওঁ অনাদি অনন্তৰ গুণ থকা—'নিৰ্গুণ গুণ নিয়ন্তা।"

আৰু এটা কথা। মানুহৰ সদাই ভাল হবলৈ ইচ্ছা। শেষ ভালৰ অৰ্থ মুক্তি লাভ বা স্বৰ্গ লাভ অৰ্থাৎ ঈশ্বৰৰ লগ পোৱা। ঈশ্বৰৰ এজন আহিৰ নিচিনা অৱতাৰ আগত লব পাৰিলে সেই ফালে লক্ষ কৰিবলৈ সকলোৰে সুবিধা আৰু সহজ যেন লাগে। তাৰ নিমিত্তে শ্ৰীকৃষ্ণৰ জীৱন শঙ্কৰদেৱৰ নৈতিক আৰু আধ্যাত্মিক পথৰ আহি। শঙ্কৰদেৱ আমাৰ আহিৰ নহয় নে? মহম্মদ আমাৰ আহিৰ নহয় নে? এই সকলোজনা ঈশ্বৰৰ অৱতাৰ।

মহাপুৰুষীয়া ধৰ্ম্মৰ নিচিনা উদাৰ, ওখ থাপৰ আৰু কাৰ্য্যকৰী ধৰ্ম্ম সংসাৰত অতি বিৰল। শাৰিৰিক আৰু মানসিক, নৈতিক আৰু আধ্যাত্মিক সকলো সমান ভাৱে বিকাশ পাবলৈ উপযোগী ধৰ্ম্ম পৃথিৱীত অতি কমহে আছে যেন পাওঁ।

আজি বছৰচেৰেকৰপৰাহে শঙ্কৰদেৱ, মাধৱদেৱ আদি মহাপুৰুষ সকলৰ আলোচনা, চৰ্চা আৰু কিছু কথা প্ৰকাশ হোৱা দেখা গৈছে। ই অৱশ্যে আমাৰ বৰ সৌভাগ্যৰ বিষয় যে এই মহাপুৰুষ সকলক আমি চিনি পাবলৈ চেষ্টা কৰিব পাৰিছোঁহঁক।

শঙ্কৰদেৱ যে আমাৰ অকল ধৰ্ম্মপ্ৰচাৰক সমাজসংস্কাৰক আছিল তেনে নহয়, তেওঁ আমাৰ ভাষাপ্ৰবৰ্ত্তক, দেশৰ মানুহবিলাকক একে লগে কাম কৰিবলৈ একে লগে গোট খাবলৈ আৰু একে লগে বহি একে ঠাইতে ধৰ্ম্মোপাসনা কৰিবলৈ শিক্ষা দিওঁতা। সাৰ্ব্বত আজি নামঘৰে নামঘৰে মানুহবিলাকে সমাহ পাতি নাম গাই উৎসৱ কৰে, ইয়াৰ গুৰি শঙ্কৰদেৱ। তাল মৃদং আৰু খোল বজাই আৰু গান গায়ো যে হৰিনাম লব পাৰি, তাক শিকাওঁতা শঙ্কৰদেৱ। আমি আশা কৰোঁ যিমান দেশত প্ৰকৃত শিক্ষা বিস্তাৰ হব সিমান শঙ্কৰদেৱৰ আদৰ বাঢ়িব আৰু তেওঁৰ ধৰ্ম্মৰ মোল মানুহে বুজিব, সিমান মহাপুৰুষীয়া ধৰ্ম্মই দীপাব; আৰু আমাৰ সত্ৰ আৰু ভকতীয়া স্বাৰ্থত্যাগ কৰি মানুহে মানুহে



সমভাৱ কৰি মহাপুৰুষীয়া ধৰ্ম্ম গ্ৰহণ কৰিব। "সকলো চিন্তাশীল অসমীয়াই এই বিষয়ে নিজ কৰ্ত্তব্য বুজি কাম কৰিব, আৰু বুজিব যে পৰমেশ্বৰৰ বিশেষ কৃপা আৰু আমাৰ পৰম সৌভাগ্যগুণেহে এনে বিশুদ্ধ ঈশ্বৰমুখী উদাৰ সত্য ধৰ্ম্ম আমাৰ দেশত মহাপুৰুষসকলৰ দ্বাৰাই প্ৰবৰ্ত্তিত হৈছিল।"

শ্ৰীদেৱেশ্বৰ চলিহা।

---

# গুৰু চৰিত্ৰ।

( ৩১ )

এই প্ৰকাৰে লীলা কৰি আছে, এনে সময়তে বেহাৰৰপৰা ৰাজ আজ্ঞা মতে দূত অহি জনাইছে বাপ। মহাৰাজে কাপোৰ নিবলৈ পঠাইছে। আৰু এখনি কাৰখানা পাতিবলৈ আজ্ঞা কৰিছে। ৰাজ আজ্ঞা পায় মথুৰাদাসক মুখ্য তাঁতি পদত নিযুক্ত কৰি কামৰূপ বেহাৰৰ সমুদায় তাঁতি মতাই আনি তাঁতি কুচিত ধৰ সমাই কাপোৰ বৱলৈ প্ৰস্তুত কৰি দিছে। এই ঘোৰ কামৰ বন্দবস্ত কৰি দুই জনা গুৰু পাট বাউসীলৈ গৈছে, বাটত যাওঁতে শুনিবলৈ পালে যে "ভাট" গোৱা ব্ৰাহ্মণে 'ভাট' গাইছে। গুৰুজনে অনুমতি কৰিছে বঢ়াৰ পো! আমাৰো গাব নোৱাৰি নে? গুৰুৰ আজ্ঞা পায় এই ভটিমাটী ৰচিছে। প্ৰাতঃ সময়ে যশোৱা জননী মুখ চুম্বিত শ্যাম জগাৱনকো। এদিন গুৰুজন, মাধৱ, ঠাকুৰ আতা, জয়ন্তিৰ মাধৱ চাৰিজন পথত যাওঁতে আজ্ঞা কৰিছে তিনিয়োজনে তিনটা পয়াৰ কৰি দিব লাগে। জয়ন্তিৰ মাধৱে গাইছে, বাইছে নাৱৰ বাচক শ্ৰীশঙ্কৰৰ ঘাটে, যাৰ নোৱাৰো নাৱৰ বাচক বঁঠা নাইকিয়া হাতে। ঠাকুৰ আতাই গাইছে; জয় জয় শ্ৰীমন্তশঙ্কৰ মই তুয়া দাসৰ দাস। উজানৰ হন্তে আসি প্ৰাণনাথ নিকটে কৰিলা বাস। মাধৱদেৱে গাইছে, জয় গুৰু শঙ্কৰ সৰ্ব্ব গুণাকৰ যাকেৰি নাহি উপাম। মাধৱৰ ভটিমাটী শ্ৰৱণ কৰি গুৰু ঈশ্বৰে অতিশয় আহ্লাদিত হৈ বৰে প্ৰশংসা কৰিছে। পাট বাউসীৰ পৰা তাঁতি কুচিলৈ প্ৰায় অহা যোৱা কৰি থাকে, কেতিয়াবা নাৱেৰে যায় কোনো সময় খোজে যায়। এদিন নৌকা যোগে গৈছে এজন চণ্ডালে মাছ মাৰিছিল, সি কৃষ্ণ কৃষ্ণ বুলি ডাক দিয়া শ্ৰৱণ কৰি মাতি আনি প্ৰশংসা কৰিছে; আৰু এদিন খোজে অহাত এজন গৰখীয়াইকৃষ্ণ

কৃষ্ণ বুলিছে; গুৰু ঈশ্বৰে শুনি প্ৰেমাশ্ৰু হোৱাত কিছু বেলি তন্ময় থাকি তাক ধন্যবাদ দিছে। লোক শুদ্ধ যুগ শুদ্ধ। আৰু এদিন ভকত সকলৰ সহিত গুৰুজন গমন কৰিছে, হঠাৎ বনৰীয়া মহ দেখি আনবোৰ ভকত আঁতৰ হৈ গৈছে, মাধৱদেৱ সমুখে যোৱা দেখি, এজন ভকতে বাধা দিছে; তেওঁ উত্তৰ দিছে মৃত্যু উপস্থিত নহলে কোনে মাৰিব পাৰে। গুৰু ঈশ্বৰে এই কথাত মাধৱক খণ্ড কৰিছে। যদি সাপে বাঘে খেদি যায় তেনেহলে কাল মৃত্যু বোলে; তাক খেদি গলে মৰিলে অপমৃত্যু বোলে। গুৰু বাক্য শুনি মাধৱ দেৱ ভকতৰ সংগে গৈছে।

কেতিয়াবা গুৰু ঈশ্বৰ যায়, কেতিয়াবা মাধৱদেৱ যায়, গুৰুজন যাবৰ দিন চাৰি আঙ্গুল কম কাপোৰ প্ৰস্তুত হয়, মাধৱ যাবৰ দিনা এবেগেত বেটি হয়, তাকে দেখি মহাপুৰুষে কৈছে; বড়াপো! আমাত থাকি তুমি বৰ। মাধৱ দেৱ সনক ক্ষুছিৰ পৰা পাট বাউসীলৈ যাওতে বাটতে এজন লোকে সুধিছে তুমি কলৈ যাবা, তেওঁ কৈছে আমি শঙ্কৰ দেৱৰ ঠাইলৈ যাও। তেওঁ তোমাৰ কি হয়। আমাৰ গুৰু হয়। শঙ্কৰৰ গুৰুনো কোন? উত্তৰ দিব নোৱাৰি সত্ৰলৈ গৈ গুৰু ঈশ্বৰত জিজ্ঞাসা কৰিছে। তেওঁ উত্তৰ দিছে, আমি দুলি নকলা কিয়? প্ৰাৰ্থনা কৰি মাধৱে জনাইছে বাপ নুবুলিব। কথাৰ মিমাংসাৰ নিমিত্তে চৌধাৰীৰ মদনাৰ গৰু দেখুৱাই সংশয় গুচাইছে। ফিৰি যাওতে সেই জন লোকত বুজাই কোৱাত পূৰ্ণ বুলি সেৱা কৰিছে।

এদিন নামত কৃষ্ণ সূৰ্য্য ভৈলন্ত উদিত, নাম ধৰ্ম্ম কৰিলা বিদিত, এই ঘোষাটি দিছে। সকলো ভকতে অৰ্থ জানিবলৈ ইচ্ছা প্ৰকাশ কৰি ঠাকুৰ আতাত প্ৰাৰ্থনা কৰিছে, আতা নাজানো বুলি জনাইছে। এনে সময়তে দামু আতই গুৰুজনক জনাইছে দাদা! আমি ভটিয়াই যাবলৈ ইচ্ছা কৰো; সিবাৰ আপুনি নোযোৱা কাৰণে দেখিবলৈ নাপালো, অনুগ্ৰহ কৰি অনুমতি দিলেই মনোবাঞ্ছা সফল হয়। সেৱকৰ প্ৰাৰ্থনা শুনি যাবলৈ আজ্ঞা কৰিছে, তুমি বৃন্দাবনলৈ যাবা, কেশবায় আছে, গকুল, মথুৰা, গোবৰ্দ্ধন, যমুনা, কদম্ব, বৃন্দাবন, বৃন্দাবনধাম আছে সেই সকল দৰ্শন স্পৰ্শন কৰি দাব বনত বাদমূৰ্ত্তি পূজা কৰিবা। সিবাৰ আমাৰ কথা নুশুনা হেতু কষ্ট পাইছিলা, এইবাৰ হেলা নকৰিবা।

---



# গুটীদিয়েক চিন্তাৰ ঢৌ।

( ১১ )

আগতে দেখাই আহিছোঁ যে ভাল বেয়া দুইটিৰেই সীমা আছে আৰু তাৰ সোঁ পাক বাওঁ পাক (Postive and negative motions) আছে। সেই দৰে, ধৰ্ম্মৰো সীমা আছে। মনেৰে পিটিকি চোৱাঁ, দয়া ক্ষমা প্ৰেম ভক্তি এই চাৰি বিধেই হৈছে মানুহৰ ধৰ্ম্ম, মনুষ্যত্ব বা দেৱত্ব বৃত্তি; কিন্তু এই বৃত্তিবিলাককো অবিচাৰ কৰি বাওঁ পাকে যদি ঘুৰুৱা হয় তাতো অধৰ্ম্ম বা ধ্বংস (Destructive cause) কাৰণ হৈ উঠে। যেনে এজন বলীয়ে নিৰ্ব্বলীক অলপ কথাতে কাজিয়া লাগি অবিচাৰ কৰি গালত টানি চৰ এটা মাৰিলে; তেতিয়া নিৰ্ব্বলীজনে বলীজনৰ ওপৰত তাৰ কোনো প্ৰকাৰ পোতক তুলিবলৈ চেষ্টা নকৰি যদি তেওঁক ক্ষমা কৰে তেন্তে সেই ক্ষমাৰ একো মূল্য নাই। তেনে স্থলত বলীয়ে যদি নিৰ্ব্বলীক ক্ষমা কৰে তেনে হলে তাৰ মূল্য আছে আৰু তাকেই ক্ষমা ধৰ্ম্ম বোলে। দয়া, প্ৰেম ভক্তি এই তিনি বিধ দেৱবৃত্তিয়ে স্থলবিশেষে অধৰ্ম্মৰ কামো কৰে। মিছাৰ সমান পাপ নাই বুলি সকলো ধৰ্ম্ম শাস্ত্ৰই এক মুখেৰে কয়, কিন্তু কোনো কোনো ঠাইত ইও ধৰ্ম্মৰ কাম কৰা দেখা যায়। ইতালী দেশক স্বাধীন কৰা মহাবীৰ গাৰিবল্‌দিয়ে যেতিয়া এদিন অষ্ট্ৰিয়াৰ সৈন্যৰ লগত ৰণত হাৰি পলায়, অষ্ট্ৰিয়াৰ সৈন্যৰ গতি বিধি দেখাৰ কাৰণে তেওঁ ওচৰতে নিজৰ ৰঙা পোছাক এৰি লুকি আছিল, এনেতে অষ্ট্ৰিয়াৰ সৈন্যই তেওঁক ধৰিবলৈ বিচাৰি ফুৰোতে চাৰি আলিৰ মূৰত বহি থকা ইতালীৰ মানুহ এমথাক সুধিলে যে তেওঁবিলাকে ৰঙা পোছাক পিন্ধা ভূতক দেখিছেনে? (Have they seen the red devil?) গাৰিবল্‌দি যেতিয়া তেওঁবিলাকৰ ভিতৰতে আছিল, তথাপি তেওঁবিলাকে তেওঁক দেখা নাই বুলি কলে; এইখিনিতে মিছাই ধৰ্ম্মৰ কাম কৰিলে, কিয়নো তেওঁবিলাকে যদি তেতিয়া সত্যত চলি গাৰিবল্‌দিক দেখাই দিলেহেঁতেন তেনেহলে ইতালি স্বাধীন হৈ কেতিয়াও বৰ্ত্তমান জাতীয় গৌৰৱ ৰক্ষা কৰি স্বজাতিৰ কল্যান সাধন কৰিব নোৱাৰিলেহেঁতেন! জয়মতী ৰাণীয়েও যদি কাৰৰতে থকা স্বলত, সোৱাত গদাধৰ সিংহ মহাৰাজক দেখাই দিলেহেঁতেন তেনেহলে তেওঁ পতিঘাতিনী মহাপাপিয়সী নাম পালেহেঁতেন আৰু মানৱ জাতিৰ পৃথিৱীৰ

সঙ্গীতিবোতাৰ সুৰগ্ৰীত তেওঁৰ নাম কেতিয়াও নুঠিনছৈতেন। এইদৰে স্থল বিশেষে অনেক কাৰ্য্যত দেখা যায়, মিছাই ও ধৰ্ম্মৰ কাম কৰে, সেই বুলি যে বহলাই দেখা ভাবেৰে মিছা যে পাপ নহয় আৰু তাক ঠাই দিব লাগে এনে কথা ধৰ্ম্ম মূলক বুলি ধৰিব নোৱাৰি। আগতে দেখাই আহিছোঁ, সকলো কথা বা কাৰ্য্যৰেই সীমা বা জোখ আছে, এনে সীমা বা জোখৰ অতিক্ৰম হলেই সেই সেই কাম বা কথাৰেই বিনাশ আহি পৰেহি। বিশ্বব্ৰহ্মাণ্ডৰ কি চৈতন্য কি জড়ক জোখত ৰখাৰ গৰাকী হৈছে প্ৰভুপৰমেশ্বৰ, তেওঁৰ বাহিৰে মানুহৰ একো হাত নাই। মানুহ যিমান জ্ঞানী যিমান বুদ্ধিমান হওক তেওঁ নিজৰ ক্ষমতাৰে একোকে কৰিব নোৱাৰে, ক্ষমতা বা শক্তিৰ মূলতো স্বয়ং ভগৱান বিৰাজমান। যি জন ইচ্ছাময়ৰ ইচ্ছাতেই এই বিশ্ব ব্ৰহ্মাণ্ড ধ্বংসলৈ নগৈ আজিলৈকে জোখতেই চলি আছে, তেওঁৰ ইচ্ছাতেই যি মানুহৰ দ্বাৰাই যি কাম কৰাব লাগে কৰাইয়েই আছে, মানুহ "নিমিত্তভাগী ভব সব্যসাচীৰ" দৰে মাত্ৰ। যেই কোনো মানুহ বা জাতিয়ে ঈশ্বৰৰ বুজনি সুবুদ্ধি যেতিয়া মইমতীয়া হৈ পৰে তেতিয়া তাৰ পতন অনিবাৰ্য্য। এইকথাটি লিখোতে এটি প্ৰশ্ন আগতে মীমাংসা কৰিব লগীয়া হল। ঈশ্বৰৰ ইচ্ছাতেই যদি সকলো কথা ঘটে, তেনেহলে ভাল বা বেয়া কৰাৰ মানুহ গৰাকী নহয়? অৱশ্যে ঈশ্বৰৰ হাতৰ যিবিলাক কাৰ্য্য সেইবিলাক ঈশ্বৰৰ ইচ্ছাতেই হয়। যেনে দিন ৰাত মাহ ঋতু বছৰ সদায় জন্মমৃত্যুৰ দৰে অহা যোৱা কৰিয়েই আছে। পানী বাঢ়িছে, কেতিয়াবা বৰ ধুমুহা বতাহে মহাপ্ৰলয় কৰিছে, কেতিয়াবা পানীয়ে গাওঁ ভুঁই ভহাই নিছে আৰু কেতিয়াবা ভুঁইকপে দেশকে তল ওপৰ কৰিছে; এনেবিলাক কথাত মানুহৰ হাত নাই; কিন্তু মানুহে নিজে আত্মঘাতী হোৱা আৰু বেয়া কাম কৰি নিজে তললৈ নমা আৰু ভাল কামৰ দ্বাৰাই নিজে চেষ্টা কৰি ওপৰলৈ উঠা, এইবিলাক মানুহৰ নিজ কৰ্ম্ম ফল। এই খিনিতে মোৰ কথা এটি মনত পৰিল। এদিন মই ৰেল গাড়িৰ লাইট এঞ্জিনখনিত ফুৰিছিলোঁ, তাত উঠি ফুৰোঁতে ফুৰোঁতে মনত এনে এটি ভাবে দেখা দিলে যে মানুহে ঈশ্বৰৰ কামবিলাকক জীৱটি দিয়াৰ বাহিৰে নকল কৰিব পাৰে দেখি মানুহক ঈশ্বৰৰ প্ৰতিনিধি বা তেওঁৰ অংশ বোলা যায়। মানুহে ঈশ্বৰে কৰি থকা কামবিলাক নকল কৰাৰ বাহিৰে নোহোৱা নোপোজা কাম একোকে উলিয়াবৰ তেওঁৰ শক্তি নাই এই নিমিত্তে মানুহৰ শক্তি



যেনে সীমাবদ্ধ বুদ্ধিও তেনে সীমাবদ্ধ। মই তেতিয়া চিন্তা কৰি দেখিলোঁ মানুহে যে নানা তৰহৰ কল উলিয়াইছে তাক কেৱল মানুহে নিজৰ দেহটি আৰু শক্তিক নকল কৰিহে উলিয়াইছে। ৰেলৰ এঞ্জিনটি দেখি মনত ঠাৱৰ কৰিলোঁ ই কেৱল মানুহে নিজৰ দেহ যন্ত্ৰটিকেই হে নকল কৰিছে। যি পঞ্চভূতেৰে গঢ়া মানুহৰ দেহটি সেই পঞ্চভূতেৰেই ৰেলৰ ইঞ্জিনটিকো মানুহে গঢ়িছে। এঞ্জিনটিৰো আহাৰ হৈছে পানী আৰু নাগ-মাটি। ৰেলৰ এঞ্জিনখনিক চলোৱাৰ গৰাকী হৈছে ড্ৰাইভৰ জন, তেওঁ যেতিয়া যেনে ভাবেৰে প্ৰয়োজন মতে ৰেলগাড়িখনি চলাব পাৰে, ৰাখিব পাৰে, ঘুৰাব পাৰে, আমাৰ দেহ যন্ত্ৰটিকো সেইদৰে আমাৰ ড্ৰাইভাৰজনে যেনে ইচ্ছা তেনে কৰিব পাৰে। আমাৰ দেহ-যন্ত্ৰটীৰ ভিতৰত থকা ড্ৰাইভৰজনে এঠাইত টিপা দিছে, ভৰিয়ে খোজ কাঢ়িছে, হাতে লৰচৰ কৰি কাম কৰিছে, মুখে কথা কৈছে, চকুয়ে নিজক মুকলি কৰি দেখিছে, কাণে শুনিছে ইত্যাদি। উলটি যেতিয়া তেওঁ প্ৰয়োজন নাইকিয়া দেখিছে তেতিয়া সকলোবিলাককে সামৰি নিজে জিৰণি লৈছে। এনে জিৰণি লোৱা অৱস্থাটিকেই নিৰ্গুণ নিষ্ক্ৰীয় বা সুষুপ্তি অৱস্থা বোলে। আমাৰ অসমীয়াত এটি দৃষ্টান্তৰ কথা আছে—'বাঘ চাব লাগিলে বিৰালীকে চোৱাঁ'; হে ভাবুক ভাইসকল! ব্ৰহ্মক যদি দেখিব খোজা এবাৰ নিজকে দৰকৈ মনি দেখা। "যি নাই দেহত, সি নাই ব্ৰহ্মাণ্ডত।" মানুহে নকল কৰিব পাৰে দেখি পৃথিবীত মানুহ শ্ৰেষ্ঠ জীৱ। যেই সেই কাৰ্য্য বা শক্তিকেই মানুহে নকল কৰক কেৱল ঈশ্বৰৰ শক্তি বা কাৰ্য্যকেইহে মানুহে নকল কৰে মাথোন অথবা ব্ৰহ্মৰ ক্ৰিয়াকেই চিত্ৰ কৰি তোলে। এই কথাখিনি এবাৰ বহলাই ভাঙি কব লগীয়া হল। মানুহে বেদ শাস্ত্ৰ আদি যিমানবিলাক কিতাপ লিখিছে তাকো ভগৱানৰ কাৰ্য্য আৰু শক্তিকেই হে চিত্ৰ কৰি তুলিছে। মানুহে ভাবময় দৃশ্যময় যি চিত্ৰকে তোলক কেৱল ব্ৰহ্মৰ কাৰ্য্য আৰু শক্তিকেই তোলে! কবিয়ে কবিতাৰ নানা তৰহৰ সুৰেৰে গান কৰি যিবিলাক ভাবময় চিত্ৰ তুলিছে সেইবিলাকো ভগৱানৰ শক্তি আৰু কাৰ্য্যৰেইহে মহিমা বৰ্ণনা। যি মানুহে যি ভাবৰ যি বিষয়ৰ কিতাপ লিখক ভাল দৰে ভলকি চালে ভগৱানৰ কাৰ্য্য আৰু শক্তিৰেইহে চিত্ৰ তোলা দেখা যায়। কি স্কুল কলেজ কি বিশ্ববিদ্যালয় যঃবিলাক পঢ়াশালি আছে মানুহে প্ৰকৃতিৰ একোটি একোটি ভাবময় বা দৃশ্যময় চিত্ৰ

আঁকি দিছে তাকেই ছাত্রবিলাকে পঢ়িছে, এনেদৰে পিটিকি পিটিক চালে দেখা যায়, কি বিজ্ঞান কি দৰ্শন যিমানবিলাক মানুহৰ জ্ঞানৰ চিত্র আঁকা পাবা সকলোবিলাক ভগৱানৰ শক্তিৰ আৰু কাৰ্য্যৰেইহে চিত্র মাথোন। যেনেকৈ আদি যুগত পোনতে মানুহে যুদ্ধত শিলগুটি চপৰা-দলি দলি মাৰি শত্রুৰে সৈতে ৰণ কৰা শক্তিটোৱেই (force) পিছে ধনু শৰ হৈ তাৰ পিছত বৰ্তমান হিচৈ বৰতোপ হৈ পৰিলহি। এইদৰে বৰ্তমান সভ্য জগতৰ যতবিলাক বিজ্ঞানৰ কাম দেখিবা সকলোবিলাকেই গুৰিত ভগৱানৰ কাৰ্য্য বা শক্তিৰেই হে নকল, তাৰ বাহিৰে মানুহে নোহোৱা নোপজা এটা কৰাৰ সাধ্য কি? ওপৰত যে এঞ্জিনখনি বুলিছোঁ সি কেৱল মানুহৰ দেহ যন্ত্রটিৰেই নকল। ৰেলৰ এঞ্জিনখনি যি দৰে ড্রাইভাৰ নহলে নচলে পৰি থাকে, আমাৰ শৰীৰৰূপ এঞ্জিনটিও সেইদৰে ড্রাইভৰ গুচি গলে নচলা হৈ পৰে। তেতিয়া মুখ থাকিও মুখে কথা কব নোৱাৰে, চকু থাকিও চকুৰে দেখা নাপায়, কাণ থাকিও কাণে নুশুনে, ইত্যাদি। শৰীৰৰূপ এঞ্জিনটিও তাৰ ড্রাইভাৰজনে, ৰেলৰ এঞ্জিনৰ ড্রাইভৰজনৰ দৰে জুই পানী বতাহেৰে চলায়। ৰেলৰ এঞ্জিনৰ ড্রাইভৰ জনে যেনেকৈ কলটি চলাবলৈ নাগমাটি বা কয়লাৰে জুই ৰাখি ষ্টীম বা ভাপ ৰাখি থাকিবই লাগে, সেইদৰে শৰীৰৰূপ কলটিৰ ড্রাইভৰজনেও সদায় তাত ভাপ দি থোৱাৰ কাৰণে ভাত, আঞ্জা, পিঠা, চিৰা আদি নানাতৰহৰ খোৱা বস্তুৰূপ নাগ-মাটি সদায় দেহ-এঞ্জিনখনিত ৰাখি থয়, যেতিয়াই তাৰ কয়লা নোহোৱা হৈ পৰে তেতিয়াই থোজে। এনেদৰে সময় মতে খোৱাকেই পিয়াহ বা ভূখ বোলে। এতিয়া পাঠক পাঠিকাসকলে নটৈক চিন্তা কৰি দেখক, যেনে ড্রাইভৰজনেৰে সৈতে কয়লাৰ একো সম্বন্ধ নাই, কেৱল তেওঁক কল চলাবলৈ লাগে মাথোন, সেইদৰে শৰীৰ যন্ত্রৰ কয়লা খোৱা পিয়াৰে সৈতে আত্মাৰ কি সম্বন্ধ? খোৱা পিয়াই আত্মাক একো প্রকাৰে অপবিত্র কৰিব নোৱাৰে। খোৱা পিয়া আদি দেহৰূপ এঞ্জিনখনিৰ কয়লা আৰু পানীক ভাপ বা ষ্টীম দিয়াৰ নিমিত্তে ব্যৱহাৰ কৰাৰ কাৰণে "মই" (ড্রাইভৰেই) দায়ী। মই যিমানৰ সমৰ্থ অৰ্থাৎ যেনে বুদ্ধি জ্ঞান মোত আছে তাৰ মতে মই মোৰ কলটিলৈ ষ্টীম দিয়া বস্তু যুগুত ৰাখোঁ। এই গতিকে কোনো ড্রাইভৰে যেৰ ভাবৰ অৰ্থাৎ তমো ভাবৰ আহাৰ যেনে পেঁয়া ওকান মচহ আৰু বাহী ভাত আদিৰে



এঞ্জিনত জুই ৰাখি ষ্টীম দিয়ে, কোনো মইয়ে ভালদৰে সিজোৱা মচহ মাছ আদি নানাৰূপ উপাদেয় আহাৰ মদ পানীৰ লগত মিলাই কলটিত ষ্টীম দিয়ে আৰু কোনো মইয়ে আলুগুটী ভাতত দিয়া মগুমাহৰ আঞ্জা ঘিউ গাখীৰ আদিৰে কলত জুই ৰাখি ষ্টীম দিয়ে। সেইদৰে ৰেলৰ এঞ্জিনৰ কোনো ড্রাইভৰে কয়লাৰে বেগ চলায়, কোনো ড্রাইভৰে একেবাৰে ধোঁৱা মুগুলি বিজুলীৰ (Electricity) বলেৰে কল চলায়। শ্রীমৎভাগৱত গীতাৰ সাত্বিক ৰাজসিক তামসিক আহাৰ ভাগি দেখিলে একেই কথা। এতিয়া কোনোৱে এনে কথা শুধিব পাৰে যে আহাৰেৰে সৈতে যেনে মনৰ সম্বন্ধ তেনে হলে সাত্বিক আহাৰে ড্রাইভৰৰ মনক যেনে উন্নত ৰাখিব পাৰে বাকী দুবিধ আহাৰে তেনে নোৱাৰে। সত্ব: ৰজ: তম: এই তিনটি গুণ কোনো ড্রাইভৰৰ গাতেই অকলসৰে সুকীয়া ভাৱেৰে থাকি কাৰ্য্য কৰিব নোৱাৰে; সত্ব: ৰজ: তম: এই তিনটি গুণ যেই সেই ড্রাইভৰৰ গাতেই বেছি কম জোখেৰে মিহলি নাথাকিলে ড্রাইভৰে একো কামকেই কৰিব নোৱাৰে অৰ্থাৎ ড্রাইভৰ ক্রিয়াবান হব নোৱাৰে। এইগতিকে দেখ যায় ক্রিয়াৰ লগত খোৱা পিয়াৰো সম্বন্ধ। ধৰ্ম্ম বা আত্ম ৰক্ষাক (Protective Cause) ৰাখিবলৈ গলে অকল সাত্বিক গুণক, অকল ৰাজসিক বা তামসিক গুণক ৰক্ষা কৰিবলৈ গলেও ধ্বংস বা বিনাশ (Destrrction) কাৰণ আহি পৰেহি। ভাৰতবৰ্ষৰ বৌদ্ধধৰ্ম্ম লোপ পোৱাৰ ঘাই মুল কাৰণ ৰজোগুণক আওঁৰাই সাত্বিক গুণক প্রকৃতিৰ নিয়মৰ বিৰুদ্ধে ৰাখিবলৈ চেষ্টা কৰাতকৈ আন একোনহয়। এইকাৰণে ভাৰতৰ হিন্দু জাতি আজি হাজাৰ বছৰ পৰাধীন। মহাত্মা শাক্যসিংহৰ ধৰ্ম্ম অহিংসা ধৰ্ম্ম; তাৰ মুল মত নিৰ্ব্বান। কিন্তু সংসাৰক অসাৰ ভাব কৰি পৰকালৰ পুণ্যৰ টোপোলা ৰক্ষা গুৰিত তেওঁৰ ধৰ্ম্ম নহয়। সেইয়ে যদি হলহেঁতেন তেনেহলে তথাগতে কেতিয়াও সংসাৰ নকৰিলেহেঁতেন। তেওঁৰ আৰ্হি আছিল সংশ্লিষ্টো পি অসংশ্লিষ্টোস্যাৎ অৰ্থাৎ গীতাৰ অৰ্থমতে সংসাৰত লিপ্ত থাকিও নিৰ্লিপ্ত হোৱা। অৰ্থাৎ আসক্তিবৰ্জ্জিত হৈ সংসাৰধৰ্ম্ম পালন কৰা। নিৰ্ব্বানৰ প্রকৃত অৰ্থ এইয়েই, অহিংসা ধৰ্ম্মৰ মানে আত্ম ৰক্ষা, জাতি ৰক্ষা স্বদেশ ৰক্ষাৰ পক্ষেও যে হিংসাক পাপ বিবেচনা কৰি গা এৰি দিব লাগে এনে নহয়, তেনে স্থলত অহিংসা ধৰ্ম্ম খটালে বৰঞ্চ পাপ হয়; কিয়নো ধৰ্ম্মৰ মানেই আত্ম ৰক্ষা কৰা।

# পানিপথ।

## একবিংশ অধ্যায়।

সময় অনুসৰি বাবৰৰ সৈন্য আৰু ৰাণাৰ সৈন্য মিলিত হ'ল। পৰ্ব্বতৰ পৰা ভূধন নৈ ওলাই আহি একে ঠাইতে মিলি সমুখৰ বাধাৰ প্ৰতি যেনে বেগেৰে বৈ যায়, সেইদৰে এই মছলমান আৰু হিন্দু সৈন্য মিহলি হৈ সম্ৰাট ইব্ৰাহিমৰ বিৰুদ্ধে যুদ্ধযাত্ৰা কৰিলে। ইপিনে ইব্ৰাহিমে হৰলালৰপৰা শুনিলে যে ৰাণা কেতিয়াও তেওঁৰ বিৰুদ্ধে নহয় আৰু নহব। তেওঁ ৰাজপুতৰ কথাত বিশ্বাস কৰে; সেই বাবে তেওঁ ফিৰিল। আন সময়ত হ'লে ইব্ৰাহিমে এবাৰ যুদ্ধযাত্ৰা কৰি ফিৰি নাহ'লহেঁতেন; বিশেষতঃ ভবিষ্যতলৈকো কেতিয়াবা যেতিয়া ৰাণাৰপৰা ভয় আছিল। কিন্তু তেতিয়া তেওঁৰ সকলো অৱস্থা বিষম। সন্দেহৰ ওপৰত তেওঁ সেনাপতি গিয়াছুদ্দিনক বধ কৰিলে; ইপিনে এনে আন আমীৰ নাই যি উপযুক্ত সেনাপতিৰ ভাৰ ল'ব পাৰে; তেওঁ নিজেও ভাল সেনানায়ক নহয়। অগত্যা আগেয়ে যিবোৰ আমীৰ গিয়াছুদ্দিনৰ প্ৰতি তেওঁৰ বৰ বিশ্বাস থকাৰ নিমিত্তে তেওঁৰ বিৰুদ্ধে আছিল, তেওঁলোকক তেওঁৰ ফলীয়া কৰি লব পাৰিব, আৰু তেতিয়া বেছি সুবিধাৰে সৈতে চিতোৰ আক্ৰমণ কৰিব পাৰিব বুলি ভাবি ইব্ৰাহিমে সৈন্য ফিৰালে। কিন্তু তেওঁৰ সেই আশা ফলৱতী নহ'ল। অলপ বাটতে তেওঁ শুনিলে বাবৰ আৰু ৰাণাৰ সৈন্য লগ হৈ তেওঁৰ বিৰুদ্ধে আহিছে। তেওঁ যুদ্ধলৈ সাজু হ'ল। আৰু পানিপথ ক্ষেত্ৰত বিপক্ষক অপেক্ষা কৰি ৰ'ল।

ইপিনে বাবৰ আৰু ৰাণাৰ সৈন্য মিহলি হোৱাৰ পাছত দৌলত আৰু হৰলালৰ তলত দুইদল সেনা মনে মনে ইব্ৰাহিমক পাছৰপৰা আক্ৰমণ কৰিবলৈ পঠিওৱা হল। বাকী সৈন্যৰ অধিনায়ক নিজে বাবৰ আৰু মহাৰাণা সংগ্ৰাম সিংহ। মোগল বীৰ আৰু ৰাজপুত বীৰৰ অধিনায়কত্বৰ তলত দুইদল সেনা মিলিত হৈ ইব্ৰাহিমৰ বিৰুদ্ধে যাত্ৰা কৰিলে। পানিপথ ক্ষেত্ৰত দুইপক্ষৰে সাক্ষাৎ হ'ল।

১৫২৬খৃষ্টীয় শকৰ এদিনা পুৱা। সেইদিনা সূৰ্য্য অতি সোনকালে উঠি আকাশত ৰহি এই যুদ্ধ চাবলৈ উৎসুক হৈ আছে। চাৰিওপিনে নীৰৱ।



বতাহৰ শব্দ নাই, পশু পক্ষীৰ চীৎকাৰ নাই; মানুহৰ কোলাহল নাই। কেৱল দুই শিবিৰত দুই পক্ষ সেনাৰ যি মাতবোল, হাইবোল। সকলো দূৰতে থিৰ হৈ এই অতি বৃহৎ ঘটনাৰ প্ৰত্যেক ঘটনাকে দেখিবলৈ প্ৰত্যেক কথাকে শুনিবলৈ সাজু হৈ আছে। বেলা অলপ বেছি হল। সূৰ্য্যদেৱেও তেওঁৰ আকাশ পথৰ দুই তিন হাত অতিক্ৰম কৰিলে। তেতিয়া দুই শিবিৰৰপৰা ঘোৰ ৰবে ৰণোন্মত্ত ভেৰি, ঢাক, ঢোল, শিঙা শঙ্খ, বাজি উঠিল। ৰণবাদ্যবাজনোন্মত্ত ঘোঁৰাৰ চিঁহিঁহিঁ শব্দই আকাশ ছানি পেলালে। মত্ত মাতঙ্গে ঘোৰৰৱে সমাগত ঘোৰ যুদ্ধৰ ঘোষণা কৰি দিলে। সেনাৰ শিবিৰৰপৰা "হৰ" "হৰ" "বোম্ বোম্" আৰু "দিন্ দিন্" শব্দেৰে আকাশ ভৰি উঠিল। চাৰিওপিনে উন্মত্ততা আৰু আবেগৰ উন্মাদ! চাৰিওপিনে দৰ্প বীৰ্য্য আৰু অহঙ্কাৰৰ ঘোৰ ঘন ৰৱ!

যুদ্ধ আৰম্ভ হল। ইব্ৰাহিমৰ সৈন্য তিন ভাগত বিভক্ত হৈ তিন ঠাইত অৱস্থিতি কৰিলে। মাজৰ দলৰ নেতা স্বয়ং সম্ৰাট। বাবৰ আৰু মহাৰাণাৰ সৈন্যৰো তিন ভাগতে বিভক্ত হ'ল। মাজৰ ভাগ অৰ্দ্ধবৃত্তাকাৰে থিয় দিলে, যাতে পৰিধিৰ ওপৰ পিঠি (convex side) শত্ৰুৰ পিনে থাকে। দুই পাশৰ দুই শাৰী অৰ্দ্ধবৃত্তৰ মাজৰপিনা দুই পিনে থিয় দিলে। ইব্ৰাহিমৰ হৃদয় বিশ্বাসঘাতকতা প্ৰৱঞ্চনা আৰু শঠতাৰ দ্বাৰাই বিলোড়্যমান হৈ অতি দৃঢ় আৰু নিৰাশ হৈছে। তেওঁ উন্মত্তভাৱে সকলো সৈন্যকে একেবাৰে শত্ৰুক আক্ৰমণ কৰিবলৈ আদেশ দিলে। সম্ৰাটৰ সৈন্যই আদেশ পোৱা মাত্ৰকে "দিন্ দিন্" শব্দেৰে ধাবিত হল। ই পক্ষৰ সেনাৰ দুই পাশৰ অধিনায়ক বাবৰ আৰু পীৰমহম্মদ। হতাশ ইব্ৰাহিমৰ হতাশ সেনাই তেওঁলোকক পৰাজয় কৰাৰ নিচিনা প্ৰায় কৰিলে। মাজৰ দলৰ নায়ক সংগ্ৰাম সিংহৰ চিন্তা হল। যদি এতিয়াই দৌলত আৰু হৰলালে পাছৰপৰা আক্ৰমণ নকৰে, তেন্তে সকলো বৃথা হয়! ইব্ৰাহিমে জয় লাভ কৰে। এনেতে পাছৰপৰা ইব্ৰাহিমৰ সৈন্য আক্ৰান্ত হ'ল। ইব্ৰাহিমে আগেয়ে ইয়াক জনা নাছিল। এনে হোৱা দেখি তেওঁ হতাশ হৈ সকলো আশা এৰি দিলে। সূৰ্য্যাস্তৰ লগে লগে যুদ্ধ সমাপন হ'ল। ইব্ৰাহিম লোডীয়ে যুদ্ধত প্ৰাণত্যাগ কৰিলে।

যুদ্ধত জয় লাভ কৰিয়েই বাবৰ, মীৰমহম্মদ, দৌলত আৰু হুমায়ুনৰ দিল্লী অভিমুখে যাত্ৰা কৰিলে। নগৰ বিনাযুদ্ধে তেওঁলোকৰ হস্তগত হ'ল। বাবৰে বহুত চেষ্টা কৰি দিল্লীৰ নিৰীহ প্ৰজাক সৈন্যৰ অত্যাচাৰৰপৰা বচালে। সংগ্ৰাম সিংহেয়ো দিল্লী-সিংহাসন লোৱাৰ পৰামৰ্শ কৰিবলৈ চিতোৰত প্ৰবেশ কৰিলে।

---

# মহাকবি কালিদাস।

ৰসাত্মক বাক্যকে কাব্যবোলে। যি ৰসাত্মক বাক্য ৰচনা কৰিব পাৰে তেওঁকে কবি বোলে। ৰসাত্মক বাক্য ৰচনা কৰিব পৰা শক্তি সকলোৰ ভাগ্যত নঘটে। কথিত আছে যে—

নৰত্বং দুৰ্লভং লোকে বিদ্যা তত্ৰ সুদুৰ্লভা;
কবিত্বং দুৰ্লভং তত্ৰ শক্তিস্তত্ৰ সুদুৰ্লভা॥

এই জগতত মনুষ্য জন্ম দুৰ্লভ, কোনো প্ৰকাৰে মনুষ্য জন্ম লাভ কৰিলেও বিদ্যালাভ কৰা টান, বিদ্যা হলেও কবি হোৱা টান, কোনো প্ৰকাৰে কবি নাম হলেও কবিত্বশক্তি লাভ কৰা দুৰুহ।

প্ৰাচীন সময়ত এই ভাৰতবৰ্ষত আৰ্য্যসকলৰ সংস্কৃত ভাষাই একপ্ৰকাৰ মাতৃভাষা আছিল বুলি কলে অত্যুক্তি নহয়। সংস্কৃত ভাষাতে সকলো চৰ্চ্চা হৈছিল। সংস্কৃত ভাষাত ব্যুৎপন্ন আৰু কবিত্বশক্তি লাভ কৰাসকলে কোনো এক বিষয় অৱলম্বন কৰি শ্ৰব্য আৰু দৃশ্য কাব্য ৰচনা কৰিছিল। সেইবিলাক ৰচনাই সহৃদয় ৰসিকসকলৰ অন্তঃকৰণত শীতল বাৰি সিঞ্চন কৰিছিল। বিদ্যা আদি জনাদেক স্ত্ৰী বিগ্ৰহেও কাব্যামৃত সিঞ্চন কৰি ৰসিকৰ চিত্ত আকৰ্ষণ কৰা এতিয়াও অলপ নিদৰ্শন আছে। প্ৰাচীন কালত ভাৰতবৰ্ষত অসংখ্য কবি আছিল, প্ৰায় সকলোৱেই কাব্য কৰি সংস্কৃত সাহিত্যৰ ভঁৰাল পুৰাই থৈ গৈছে। কিন্তু সকলোৰে কাব্যই যে নিৰ্দ্দোষ আৰু লালিত্য গুণযুক্ত এনে নহয়। কাব্যৰচনা কৰিবলৈ গলে অনেক নিয়মৰ বশৱৰ্ত্তী হৈ সাৱধানে ৰচনা কৰিলেহে কাব্য নিৰ্দ্দোষ আৰু তাত লালিত্য হয়। সৰ্ব্বপ্ৰকাৰে নিৰ্দ্দোষ আৰু গুণযুক্ত কাব্য কৰিব পাৰিলেহে কবিৰ কীৰ্ত্তি উজ্জ্বল হয় আৰু কাব্যও বিদ্বৎ সমাজত আদৃত হয়।



কবিতকৈয়ো মহাকবি হোৱা আৰু টান। মহাকবি হবলৈ হলে কাব্য বিস্তীৰ্ণ হব লাগে, সেই অনুসাৰে কাব্য আলঙ্কাৰিক গুণযুক্ত হবও লাগে। পূৰ্ব্বকালত মহাকবিৰ সংখ্যা যে সামান্য এনে নহয়। কালিদাস, মাঘ ভাৰবি, শ্ৰীহৰ্ষ, বাণ আদি অনেক মহাকবিৰ কাব্য আৰু নাম পোৱা যায়। কিন্তু মাঘ আদি অনেকে নিৰ্দ্দোষ আৰু গুণান্বিত মহাকাব্য কৰিলেও কালিদাসৰ নাম বিশেষ ৰূপে উজ্জ্বল। কাব্যত সামান্য অধিকাৰ থকা লোকেও কালিদাসৰ নাম শুনিলেই অন্তঃকৰণত বৰ সন্তোষ পায়। এটা উদ্ভট শ্লোকত এই দৰে উল্লেখ আছে যে—

কালিদাস কবিতা নবং বয়ঃ
মাহিষং দধি সশৰ্কৰং পয়ঃ।
এণমাংস মবলাচ কোমলা
সম্ভৱন্তু মম জন্মজন্মনি॥

কালিদাসত যে কাব্যৰসিকজনৰ ইমান ভক্তি ইয়াৰ বিশেষ কাৰণ অৱশ্যে আছে। ইয়াৰ বিষয়ে যথাশক্তি পিছত আলোচনা কৰা হব। বৰ্ত্তমান এই কবিকুল চূড়ামণি কালিদাস কোন সময়ত কোন স্থানত আবিৰ্ভাব হৈ সৰ্ব্বোচ্চ কবিৰ আসন লাভ কৰিলে সেই বিষয়ে যথাসাধ্য আলোচনা কৰা হওক।

প্ৰাচীন কালৰ প্ৰায় খ্যাতনামা বিজ্ঞসকলেই নিজৰ জন্মসময় আৰু জন্মস্থান গোপন কৰাৰ কাৰণ কি কব নোৱাৰি। কোনো কোনো কবিৰ আকাৰে আভাসে জন্মসময়ৰ অলপ সূচনা থাকিলেও কালিদাসৰ সিও নাই।

কোনো কবিয়ে ৰজাৰ নাম, কোনোৱে পিতৃ মাতৃৰ নাম, কোনেৱে বা বংশ বিৱৰণ লেখি গৈছে, তাক অৱলম্বন কৰি আবিৰ্ভাৱৰ কালৰ এটা সিদ্ধান্ত কৰিব পাৰি। কিন্তু কালিদাসৰ নাম ভিন্ন আন অৱলম্বন পাবৰ কোনো উপায় নাই। অতএব কালিদাসৰ আবিৰ্ভাৱৰ সময় নিৰ্ণয় কৰা আমাৰ পক্ষে ধৃষ্টতা মাত্ৰ। তথাপি গোটাদিয়েক প্ৰমাণৰ ওপৰত নিৰ্ভৰ কৰি কবিৰ আবিৰ্ভাৱৰ সময়ৰ নিৰ্ণয়ত প্ৰবৃত্ত হোৱা গৈছে। ইয়াত আমাৰ ব্যতিক্ৰম দেখিলে যেন বিজ্ঞজনে ক্ষমা কৰে।

এই মহাকবি কালিদাসৰ আবিৰ্ভাবৰ বিষয়ে অনেকে অনেক প্ৰকাৰে সময় নিৰ্ণয় কৰিছে। আধুনিক অনেক বৈজ্ঞানিকে কালিদাসৰ আবিৰ্ভাবৰ সময় খৃষ্টীয় সপ্তম শতাব্দী বুলি সিদ্ধান্ত কৰে। কিন্তু এই সিদ্ধান্ত স্বীকাৰ কৰিবলৈ, তাৰ অনেক শতাব্দীৰ পূৰ্ব্বত ৰচিত পুলাকেশি তন্ত্ৰবাৰ্ত্তিকাদি প্ৰবন্ধত কালিদাসৰ ৰচিত পদ্য দেখিবলৈ পোৱা যায়, এইবাবে খৃষ্টীয় সপ্তম শতাব্দী কালিদাসৰ আবিৰ্ভাব কাল বুলি নিশ্চয় কৰিব নোৱাৰি।

ধন্বন্তৰিক্ষপণকামৰসিংহশঙ্কু
বেতালভট্ট ঘটকৰ্পৰ কালিদাসঃ।

খ্যাতো বৰাহমিহিৰো নৃপতেঃ সভায়াং
ৰত্নানি বৈ বৰৰুচিৰ্নব বিক্ৰমস্য ॥

এই "জ্যোতিৰ্ব্বিদাভৰণৰ" পদ্যমতে কিছুমানে কয় যে, বৰাহমিহিৰ নৱৰত্নৰ অন্তৰ্গত যেতিয়া কালিদাসো বৰাহমিহিৰৰ সমসাময়িক। এই বৰাহমিহিৰ ষষ্ঠ শতাব্দীত আবিৰ্ভাৱ হৈছিল, সুতৰাং কালিদাসো সেই সময়ৰে লোক।

এই বিষয় কিছুমানৰ আপত্তি এই যে, উল্লিখিত নৱৰত্নৰ অস্তিত্ব স্বীকাৰ কৰিব নোৱাৰি। নৱৰত্ন থকাহলে সেইসকলৰ ৰচিত প্ৰবন্ধও দেখিবলৈ পোৱা হলহেঁতেন। শঙ্কু বেতালভট্ট আৰু ক্ষপণাদিৰ নামো কোনো প্ৰবন্ধত দেখিবলৈ পোৱা নেযায়, অতএব সেইসকলৰ অস্তিত্ব বিষয়ে সম্পূৰ্ণ সন্দেহ। বৰাহমিহিৰৰ সহিত বৰৰুচি আদিক সমনীয়া বুলিবলৈ কোনো প্ৰমাণ নাই, এই বাবে নৱৰত্ন কল্পনা মাত্ৰ।

কিছুমানে এই বিষয়ে প্ৰতিবাদ কৰে যে, নৱৰত্নৰ অস্তিত্বত সন্দেহ কৰা অনুচিত, বিক্ৰমাদিত্যৰ নৱৰত্ন নামে পণ্ডিত-সভা অৱশ্যে আছিল। কিন্তু নৱৰত্নত নাম থকা এটাইবিলাকেই যে কবি এনে নহয়, জনদেক কবি জনদেক পণ্ডিত, এই বাবে সকলোৰে ৰচিত প্ৰবন্ধ পাব নোৱাৰি। আৰু কবি হলেই যে সকলোৱেই প্ৰবন্ধ ৰচনা কৰে এনে নিয়মো নহয়। ঘটকৰ্পৰৰ নীতিসাৰ, বেতালভট্টৰ নীতিপ্ৰদীপ আছে, এই দুই প্ৰবন্ধই দুইৰো অস্তিত্বৰ প্ৰমাণ দিছে। ধন্বন্তৰি আদিৰো আপ্তবাক্য দ্বাৰা অস্তিত্ব স্বীকাৰ কৰা অযুক্ত নহয়।



নৱৰত্নোক্ত অমৰসিংহ বিক্ৰমাদিত্যৰ অসৱৰ্ণ ভ্ৰাতাৰ আচল নাম দুৰ্গসিংহ। প্ৰবাদ আছে যে,—

ব্ৰাহ্মণ্যামভবদ্বৰাহমিহিৰো জ্যোতিৰ্ব্বিদামগ্ৰণীঃ।
ৰাজা ভৰ্ত্তৃহৰিশ্চ বিক্ৰমনৃপঃ ক্ষত্ৰাত্মজায়াং বিভুঃ ॥
বৈশ্যায়াং হৰিশ্চন্দ্ৰ বৈদ্যতিলকো জাতশ্চ শঙ্কু কৃতী।
শূদ্ৰায়ামমৰঃ ষড়েব শবৰস্বামি দ্বিজস্যাত্মজাঃ ॥

শবৰস্বামী নামক এজন ব্ৰাহ্মণে চাৰিউ বৰ্ণৰ ভাৰ্য্যা গ্ৰহণ কৰিছিল। তাৰ ভিতৰত ব্ৰাহ্মণীৰ সন্তান জ্যোতিৰ্ব্বিদ বৰাহমিহিৰ, ক্ষত্ৰিয়াৰ ভৰ্ত্তৃহৰি আৰু ৰাজা বিক্ৰমাদিত্য, বৈশ্যাৰ বৈদ্যশ্ৰেষ্ঠ হৰিশ্চন্দ্ৰ আৰু শঙ্কু; শূদ্ৰাৰ অমৰসিংহ। দুৰ্গসিংহই কলাপ ব্যাকৰণৰ বৃত্তি আৰু নামলিঙ্গানুশাসন বা অমৰকোষ নামে অভিধান ৰচনা কৰে; বিক্ৰমাদিত্যই তেওঁৰ কাৰ্য্যত প্ৰীতিলাভ কৰি তেওঁক অমৰ উপাধিৰে ভূষিত কৰে। শ্ৰীকণ্ঠব্যাখ্যাত উল্লেখ আছে যে,—

দুৰ্গসিংহ বিৰচিতে নামলিঙ্গানুশাসনে।
লভতেঽমৰোপাধিং ৰাজেন্দ্ৰ বিক্ৰমেণ সঃ ॥

এইৰূপে নৱৰত্নৰ অস্তিত্বৰ প্ৰমাণ হলে তদন্তৰ্গত পণ্ডিতসকলোৰো সমসাময়িক বুলি কিয় প্ৰমাণ নহব? নৱৰত্নান্তৰ্গত পণ্ডিতসকল সমসাময়িক হলেও মহাকবি কালিদাসক খৃষ্টৰ ষষ্ঠ শতাব্দীৰ বোলা উচিত নহয়। ষষ্ঠ শতাব্দীত নৱৰত্ন আৰু বিক্ৰমাদিত্য নামে ৰজা থাকিলেও থাকিব পাৰে। কিন্তু, সম্বৎ প্ৰচাৰক বিক্ৰমাদিত্য খৃষ্টজন্মৰো অলপ ওপৰ; মহাকবি কালিদাস তাৰো ওপৰ।

কোনো কোনোৱে কব খোজে যে মাতৃগুপ্তই কালিকাদাস অৰ্থাৎ "মাত্ৰা কাল্যা গুপ্তঃ দাসত্বেন ৰক্ষিতঃ" এই মাতৃ গুপ্ত ষষ্ঠশতাব্দীৰ লোক,—বিক্ৰমাদিত্যও সেই সময়ৰে। এইদৰে কোৱা সঙ্গত যেন নালাগে, কাৰণ মাতৃশব্দই কালিক বুজুৱা, গুপ্তশব্দই দাসক বুজুৱাৰ কোনো প্ৰমাণ নাই। মাতৃগুপ্ত কালিদাস, কালিদাস মাতৃগুপ্ত হোৱাও অসম্ভৱ। লক্ষ্মীনাথ লক্ষ্মীকান্ত একাৰ্থক হলেও ভিন্ন ব্যক্তিত আৰোপিত হোৱা বাবে লক্ষ্মীনাথো এটা লক্ষ্মীকান্তও এটা মানুহ। এইদৰে মাতৃগুপ্ত কালিদাস নিতান্ত ভিন্ন ব্যক্তি।

খৃষ্টৰ ষষ্ঠ শতাব্দীত বিক্ৰমাদিত্য নামে ৰজা নাছিল এনেকে বুলিব নোৱাৰি। ভাৰতীয় প্ৰাচীন ৰাজবংশত অনেক বিক্ৰমাদিত্য নামে ৰজা পোৱা যায়। প্ৰাচীন প্ৰবন্ধত দেখা যায় যে—

১। কল্কীৰাজাৰ বংশত কল্কীৰপৰা ত্ৰিশ পুৰুষ বিক্ৰমাদিত্য নামে প্ৰসিদ্ধ।

২। চীনদেশৰ পৰ্য্যাটক হিয়ানচাঙে ভাৰত ভ্ৰমণৰ বিৱৰণীত খৃষ্টীয় ৫০০ বছৰত শিলাদিত্য তাৰ পাছতে বিক্ৰমাদিত্য বুলি নিৰ্দ্দেশ কৰিছে।

৩। কোৰু নগৰৰ ওচৰত ম্লেচ্ছ জাতিক পৰাজয় কৰা ৰজাজন বিক্ৰমাদিত্য; এইজনা ৰজাৰ খৃষ্টৰ ষষ্ঠ শতাব্দীয়েই নিশ্চয়; এই বিষয়ে তামৰ ফলিও পোৱা হৈছে। অতএৱ বিক্ৰমাদিত্য শব্দটো যে কোনো ৰজাৰ নামবাচক এনে বোধ নহয়; কাৰ্য্যতঃ উপাধি যেন হে লাগে। যেই হওক, খৃষ্টাব্দৰ ভিতৰত অনেক বিক্ৰমাদিত্য নামে ৰজা হলেও সম্বৎ প্ৰকাশক বিক্ৰমাদিত্য স্বতন্ত্ৰ আৰু খৃষ্ট জন্মৰ পূৰ্ব্ববৰ্ত্তী। প্ৰাচীন নিবন্ধতে আছে যে:—

যুধিষ্ঠিৰো বিক্ৰম শালিবাহনৌ
ধৰাধিনাথো বিজয়াভিনন্দনঃ।
ততস্ত নাগাৰ্জ্জুন মেদিনীবিভুঃ
বলিঃ ক্ৰমাৎ ষট্ শককাৰকাঃ কলৌ॥

যুধিষ্ঠিৰ, বিক্ৰমাদিত্য, শালীবাহন, বিজয়াভিনন্দন, নাগাৰ্জ্জুন, বলি এই ছয় জনেই কলিযুগৰ শক প্ৰচাৰক ৰজা। যুধিষ্ঠিৰ শকাব্দ কলিযুগৰ আৰম্ভৰপৰা গণিত হয়, কলিৰ আৰম্ভৰপৰা ৩০৪৪বছৰৰ পাছত বিক্ৰমাব্দ ( সম্বৎ ) প্ৰচাৰিত হয়। সম্বৎ প্ৰচলিত হোৱাৰ ১৩৫ বছৰৰ পাছত শালিবাহনে বৰ্ত্তমান প্ৰচলিত শকাব্দ প্ৰচাৰ কৰে। প্ৰবাদ আছে যে বিক্ৰমাদিত্যক শালিবাহনে জয় কৰি নিজৰ শকাব্দ চলায়। প্ৰকৃতপক্ষে তেনে নহয়। শালিবাহনে নৰ্ম্মদাৰ দক্ষিণ ভাগত সম্বৎ আৰম্ভৰ ১৩৫ বছৰৰ পাছত সম্বৎ লোপ কৰি নিজৰ শকাব্দ চলায়। সম্বৎ প্ৰবৰ্ত্তক বিক্ৰমাদিত্য শালিবাহনৰ পূৰ্ব্ববৰ্ত্তী আৰু খৃষ্টাব্দৰো ৫৭ বছৰৰ পূৰ্ব্ববৰ্ত্তী। ওপৰত কৈ অহা ষষ্ঠ আৰু সপ্তম খৃষ্টাব্দৰ বিক্ৰমাদিত্য সম্বৎ প্ৰকাশক নহয়। সম্বৎ প্ৰবৰ্ত্তক বিক্ৰমাদিত্যতকৈয়ো মহাকবি কালিদাস যে প্ৰাচীন হব লাগে, তাৰ বিষয়ে প্ৰমাণ এই—

শকুন্তলা নামে কালিদাস কৃত এখন নাটক আছে। এই নাটকৰ দুষ্মন্ত নায়ক, শকুন্তলা নায়িকা। দুষ্মন্তই কণ্ব ঋষিৰ দুহিতৃ শকুন্তলাক দেখি তেওঁৰ মন শকুন্তলাৰ প্ৰতি আকৃষ্ট হল। কিন্তু ব্ৰাহ্মণৰ কন্যা ক্ষত্ৰিয়ৰ ভাৰ্য্যা হোৱাত অসুবিধা আছে, অথচ মনে অভিলাষও কৰিছে। তেতিয়া দুষ্মন্তই নিশ্চয় কৰিলে



যে, এই শকুন্তলা ক্ষত্ৰিয়ৰ নিশ্চয় ভাৰ্য্যা হব পাৰে, নহলে মোৰ সুসভ্য মনে কিয় অভিলাষ কৰিব। সন্দেহাস্পদ দ্ৰব্যত সাধুসকলৰ অন্তঃকৰণৰ প্ৰবৃত্তিয়েই প্ৰমাণ। এই কথাটো কালিদাসে এইদৰে ৰচনা কৰে।

অসংশয়ং ক্ষত্ৰ পৰিগ্ৰহক্ষমা
যদাৰ্য্য মস্যা মভিলাষি মে মনঃ॥
সতাং হি সন্দেহপদেষু বস্তুষু
প্ৰমাণমন্তঃকৰণ প্ৰবৃত্তয়ঃ॥

কুমাৰিল ভট্টই তন্ত্ৰবাৰ্ত্তিকত সদাচাৰ প্ৰমাণৰ বিষয়ে এই শ্লোকৰে উত্তৰাৰ্দ্ধ উদ্ধৃত কৰিছে। কুমাৰিলভট্টৰ শ্লোক এই—

এবঞ্চ বিদ্বদ্বচনাদ্বিনিৰ্গতং
প্ৰসিদ্ধৰূপং কবিভি ৰ্নিৰূপিতম্।
সতাং হি সন্দেহপদেষু বস্তুষু
প্ৰমাণমন্তঃকৰণ প্ৰবৃত্তয়ঃ।

ইয়াৰপৰাই বুজিব পাৰি যে কালিদাস কুমাৰিল ভট্টৰ পূৰ্ব্ববৰ্ত্তী। শঙ্কৰ বিজয়ত দেখিবলৈ পোৱা যায়, এই কুমাৰিল ভট্ট শঙ্কৰাচাৰ্য্যৰ সমসাময়িক। শঙ্কৰাচাৰ্য্য যুধিষ্ঠিৰৰ ২৬৩১ শকত যে জীবিত আছিল এই বিষয়ে দ্বাৰকামঠৰ সুধন্ব ৰাজদত্ত তামৰ ফলিয়েই বিশেষ প্ৰমাণ। দ্বাৰকামঠ শঙ্কৰাচাৰ্য্যৰে স্থাপিত। কোনোৱে কব পাৰিব যে উক্ত কুমাৰিল ভট্টৰ পদ্যৰ উত্তৰাৰ্দ্ধ কালিদাসে আনি শকুন্তলাত লেখিলে। এই বিষয়ে আমাৰ বক্তব্য এই যে, কালিদাস হেন মহাকবিয়ে পৰদ্ৰব্যাহৰণ কৰাৰ কোনো আৱশ্যক নাই। বিশেষতঃ তৎকৃত কাব্য সমূহত পৰোক্তিৰ উল্লেখ দেখিবলৈ পোৱা নাযায়। অতএৱ মহাকবি কালিদাস শঙ্কৰাচাৰ্য্যৰো পূৰ্ব্ববৰ্ত্তী।

কালিদাস কৃত "মালবিকাগ্নি মিত্ৰ" নামে এখন সংস্কৃত নাটক আছে। এই নাটকৰ শুঙ্গবংশৰ ৰজা অগ্নিমিত্ৰ নায়ক মালবিকা নায়িকা। বিষ্ণু পুৰাণত ভৱিষ্যৎ ৰজাৱলীৰ বিৱৰণত এই অগ্নিমিত্ৰৰ নাম পোৱা যায়। যেনে, "ততঃ পুষ্পমিত্ৰঃ স্বামিনং হত্বা ৰাজ্যং কৰিষ্যতি, অস্যাত্মজোঽগ্নিমিত্ৰঃ তস্মাৎ সুজ্যেষ্ঠ স্ততো বসুমিত্ৰঃ তস্মাদপ্যদ্ৰকঃ

এতে দশশুঙ্গা দ্বাদশোত্তৰং বৰ্ষশতং পৃথিবীং ভোক্ষ্যন্তি।" সেনাপতি পুষ্পমিত্ৰই ৰজাক মাৰি ৰজা হব ; তেওঁৰ পুত্ৰ অগ্নিমিত্ৰ, তৎপুত্ৰ সুজ্যেষ্ঠ, তৎপুত্ৰ বসুমিত্ৰ, তৎপুত্ৰ আৰ্দ্ৰক ইত্যাদিক্ৰমে দহজনা শুঙ্গবংশৰ ৰজাই ১১২ বছৰ পৃথিবী ভোগ কৰিব। এই অগ্নিমিত্ৰই শুঙ্গবংশৰ দ্বিতীয় ৰজা, সেনাপতি পুষ্পমিত্ৰৰ পুত্ৰ। বিষ্ণুপুৰাণত যিদৰে আছে, মালবিকাগ্নিমিত্ৰ নাটকতো সেই দৰেই। যেনে, "যজ্ঞশৰণাৎ সেনাপতিঃ পুষ্পমিত্ৰো বৈদিশস্থং পুত্ৰ মায়ুষ্মন্ত মগ্নিমিত্ৰং স্নেহাৎ পৰিস্বজ্যামু দৰ্শয়তি।"

পুষ্পমিত্ৰই বৃহদ্ৰথ বংশৰ ৰজাক মাৰি ৰজা হয়। কিছুদিনৰ পাছত উপযুক্ত পুত্ৰ অগ্নিমিত্ৰক ৰাজ্য ভাৰ অৰ্পণ কৰি নিজে সেনাপতি পদত থাকে। বিষ্ণুপুৰাণৰ লিখিত মতে এই অগ্নিমিত্ৰ কলি বা যুধিষ্ঠিৰৰ সাৰ্দ্ধ অষ্টাদশ শতাব্দীৰ ৰজা। সেই সময়তে মহাকবি কালিদাসে ৰজাৰ তুষ্টিৰ নিমিত্তে "মালবিকাগ্নিমিত্ৰ" নামক নাটক ৰচনা কৰি বসন্তোৎসৱত অভিনয় কৰায়। কালিদাস অগ্নিমিত্ৰৰ সমনীয়া, অগ্নিমিত্ৰৰ ৰাজত্বত কালিদাস জীবিত আছিল। এ বিষয়ে মালবিকাগ্নিমিত্ৰ নাটকৰ শেষ শ্লোকটিকে প্ৰমাণ স্বৰূপে উদ্ধৃত কৰা হল।

ত্বংমে প্ৰসাদসুমুখী ভব দেবি নিত্যং।
এতাবদেব হৃদয়ে প্ৰতিপালনীয়ম্ ॥
আশাস্ত্য মীতিবিগম প্ৰভৃতি প্ৰজানাং।
সম্পৎস্যতে নখলু গোপ্তৰি নাগ্নিমিত্ৰে ॥

অগ্নিমিত্ৰৰ পাটৰাণী ধাৰিণী দেবীয়ে নিজে ৰজাক মালবিকাক সমৰ্পণ কৰিলে। তাতে ৰজাই সন্তুষ্ট হৈ কলে যে ৰাণি! মোৰ প্ৰতি যেন সততে সন্তুষ্ট থাকা ইয়াকে মই মনত আশা কৰিছোঁ। প্ৰজাবৰ্গৰ অভিলষিত অনাবৃষ্টি আদি উপদ্ৰৱৰ নিবাৰণ অগ্নিমিত্ৰ ৰক্ষক থকাত অৱশ্যে হব। ইয়াত 'অগ্নিমিত্ৰে গোপ্তৰি সতি" বৰ্ত্তমানে অগ্নিমিত্ৰ থকাত, বৰ্ত্তমান কালত ভাবত সপ্তমী হৈছে। অতীত বা ভবিষ্যত কালৰ অগ্নিমিত্ৰ ৰজা হোৱা হলে বৰ্ত্তমানৰ প্ৰয়োগ নকৰিলেহেঁতেন। কোনো নাটকতেই এনেধৰণৰ শেষ শ্লোক দেখিবলৈ পোৱা নাযায়। ইয়াদ্বাৰা বুজিব পাৰি যে কালিদাস অগ্নিমিত্ৰৰ ৰাজত্বত জীবিত আছিল। নহলে "সম্পৎ স্যতে ন খলু গোপ্তৰি নাগ্নিমিত্ৰে" লেখিব নোৱাৰে। ইয়াৰ দ্বাৰাই কালিদাস কলিৰ বা যুধিষ্ঠিৰৰ ১৮৫০ অতীত বছৰৰ লোক বুলিব নাহ কৰিব পাৰি।



কালিদাসকৃত কাব্যত উত্তৰ ভাৰতবৰ্ষৰ আচাৰ ৰতি নীতি বিশেষৰূপে বৰ্ণিত আছে ; অতএব উত্তৰ ভাৰতেই কালিদাসৰ জন্মভূমি। মেঘদূত কাব্যত মেঘক বাট দেখুৱা ৰচনাবিলাকত উজ্জয়িনী নগৰৰ গ্ৰাম নদী আদিক বিশেষ ৰূপে উল্লেখ কৰিছে। উজ্জয়িনী নগৰ কবিৰ বিশেষৰূপে পৰিচিত আছিল ; এইবাবে উজ্জয়িনীয়েই কালিদাসৰ বসতিস্থান হোৱা সম্ভৱ।

কালিদাস যে কেৱল কবিত্বশক্তি সম্পন্ন আছিল এনে নহয়। তদীয় কাব্য সমূহ আলোচনা কৰি দেখিলে জানিব পাৰি যে কালিদাসৰ সকলো শাস্ত্ৰতে অসাধাৰণ ক্ষমতা আছিল। কালিদাসে কৰা কাব্যৰ ভিতৰত কুমাৰসম্ভৱ মহাকাব্যই প্ৰথম। এই কাব্য শিৱপুৰাণৰ হৰপাৰ্ব্বতীৰ বিবাহৰ কথা অৱলম্বন কৰি ৰচিত হৈছে। কিছুমান শ্লোক শিৱপুৰাণৰ শ্লোকেৰে সৈতে ঐক্য দেখা যায়। এই কাব্য ১৭দশ সৰ্গত সম্পূৰ্ণ। উনবিংশতি সৰ্গাত্মক ৰঘুবংশ মহাকাব্যও এই কবিৰেই ৰচিত, এই কাব্য প্ৰসন্ন মধুৰ ৰসান্বিত। ছয় সৰ্গেৰে বিভক্ত ঋতুসংহাৰ কাব্যও এই কবিৰেই ; ইয়াত গ্ৰীষ্ম আদি ছয় ঋতুক বিশেষৰূপে বৰ্ণাইছে। এই কাব্য প্ৰায় আদিৰসাত্মক। "মেঘদূত" খণ্ড কাব্যও এই কবিৰ অমৃতময়ী লেখনীৰপৰাই ওলাইছিল। মেঘদূতৰ ৰচনা কি মনোহৰ কি অনিৰ্ব্বচনীয়। একেটা শ্লোককে পুনঃ পুনঃ পঢ়িলেও হেপাহ নপলায়, নতুন নতুন ৰস আৰু ভাবে চিত্তক চমক লগায়। একমাত্ৰ মেঘদূত কাব্যই এই মহাকবিৰ নিৰ্ম্মল যশস্যাৰে দিক্ দিগন্ত পোহৰাব পাৰে।

শকুন্তলা, বিক্ৰমোৰ্ব্বশীয়, মালবিকাগ্নিমিত্ৰ এই তিনিখন নাটকো এই কবিৰেই কীৰ্ত্তি। তিনিওখনি নাটকেই মনোহৰ আৰু সহৃদয়ৰ চিত্তাহ্লাদকৰ হলেও শকুন্তলা নাটকে সৰ্ব্বোচ্চস্থান অধিকাৰ কৰিছে। এই বিষয়ে কথিত আছে যে,

কাব্যেষু নাটকং শ্ৰেষ্ঠং তত্ৰাপি চ শকুন্তলা।
তত্ৰাপিচ চতুৰ্থোহঙ্কস্তত্ৰ শ্লোক চতুষ্টয়ম।
যাস্যত্যদ্যেতি তত্ৰাপি শ্লোকঃ সৰ্ব্ব মনোহৰঃ ॥

কাব্যৰ ভিতৰত নাটক শ্ৰেষ্ঠ, নাটকৰ ভিতৰত শকুন্তলা প্ৰধান, তাৰ ভিতৰতো চতুৰ্থাঙ্ক মনোহৰ, চতুৰ্থাঙ্কৰ ভিতৰত চাৰিটা শ্লোক, চাৰিটা শ্লোকৰ ভিতৰত "যাস্যত্যদ্যেতি" শ্লোক অতি মনোহৰ।

জ্যোতির্ব্বিদাভৰণ, পুষ্পবাণবিলাস, নলোদয়, গঙ্গাষ্টক, মঙ্গলাষ্টক, শৃঙ্গাৰ-তিলক আদি কিছুমান কাব্য কালিদাসৰ ৰচিত বুলি প্ৰবাদ আছে। কিন্তু, কুমাৰসম্ভৱ আদিৰ ৰচনাৰ সহিত মিলাই দেখিলে ৰসভাবাদিৰ অনেক বৈপৰীত্য দেখা যায়। এই কাৰণে জ্যোতির্ব্বিদাভৰণাদি প্ৰবন্ধ মহাকবি কালিদাসৰ ৰচিত বুলিব নোৱাৰি। পৰবৰ্ত্তী অপৰ কালিদাসৰ হলে হব পাৰে।

মহাকবি কালিদাস কিমান দিনৰ প্ৰাচীন প্ৰমাণৰ দ্বাৰাই দেখুৱা হল। কালিদাসৰ পূৰ্ব্বে যে কিছুমান খ্যাতনামা কবি নাছিল এনে নহয়। এই বিষয়ে কালিদাসে নিজেই মালবিকাগ্নিমিত্ৰ নাটকত উল্লেখ কৰিছে। সূত্ৰধাৰঃ—অভিহিতোঽস্মি বিদ্বৎ পৰিষদা কালিদাস গ্ৰথিত বস্তু মালবিকাগ্নিমিত্ৰং নাম নাটক মস্মিন্ বসন্তোৎসবে প্ৰযোক্তব্যমিতি। তদাৰভ্যতাং সঙ্গীতকম্।" পণ্ডিত সভাই মোক কৈছে যে, এই বসন্তোৎসৱত কালিদাসৰ ৰচিত মালবিকাগ্নিমিত্ৰ নামে নাটক অভিনয় কৰিব লাগে। অতএব সঙ্গীত আৰম্ভ কৰা।

পাৰিপাৰ্শ্বিকঃ—মা তাবৎ; প্ৰথিত যশসাং ধাবক সৌমিল্লক বিপুত্ৰাদীনাং প্ৰবন্ধানতিক্ৰম্য বৰ্ত্তমান কবেঃ কালিদাসস্য কৃতৌ কথং বহুমানঃ। এইদৰে কৰ নালাগে; বিস্তীৰ্ণ কীৰ্ত্তিশালী ধাবক সৌমিল্ল বিপুত্ৰাদিৰ ৰচিত নাটক উপেক্ষা কৰি আধুনিক কালিদাস কবিৰ নাটকত কেলেই ইমান আগ্ৰহ? ইয়াৰ পৰা বুজিব পাৰি যে, কালিদাসৰ পূৰ্ব্বেও খ্যাতনামা অনেক কবি আছিল। সেইসকলৰ কাব্য যে লোপ হলেই নামবো নামাগ্ৰ পোহৰ হে আছে। কালিদাসৰ পৰবৰ্ত্তী অনেক কবিৰ প্ৰবন্ধ থকাতো যে কালিদাসৰ নাম দেশ বিদেশত ইমান বিখ্যাত ইয়াৰ কাৰণ কি? এই বিষয়ে আমি কওঁ যে, কালিদাস আত্মাভিমানশূন্য অমায়িক পুৰুষ। দ্বিতীয়ত কালিদাসৰ ৰচনা প্ৰসন্ন আৰু মধুৰ গুণযুক্তা হেতুকে ৰসিকৰ চিত্তত দি একাধিপত্য কৰিব পাৰে। এই বিষয়ে ৰসিকসকলেই সাক্ষী, অতএৱ বহলাই কোৱা অনাৱশ্যক।

আত্মাভিমানশূন্য অমায়িকৰ বিষয়েও ৰঘুবংশ কাব্যৰ—

ক্ক সূৰ্য্যপ্ৰভবো বংশঃ ক্ক চাল্পবিষয়া মতিঃ।
তিতীৰ্ষুৰ্দুস্তৰং মোহাদুড়ুপেনাস্মি সাগৰম্॥
মন্দঃ কবিযশঃ প্ৰাৰ্থী গমিষ্যাম্যুপহাস্যতাম্।
প্ৰাংশুলভ্যে ফলে লোভাদুদ্বাহুৰিব বামনঃ॥



এই দুই শ্লোকেই বিশেষ প্ৰমাণ দিছে। ইমান নম্ৰতা স্বীকাৰ কৰা কালিদাসৰ বাহিৰে অন্যান্য কবিত দেখিবলৈ পোৱা নযায়। নম্ৰতা যে মহৎ ব্যক্তিৰ অতি লাগতীয়াল বস্তু, কবিয়ে নিজেই শকুন্তলাত ব্যক্ত কৰিছে।

ভৱন্তি নম্ৰাস্তৰৱঃ ফলাগমৈ
ৰ্নবাম্বুভি ৰ্দূৰবিলম্বিনো ঘনাঃ।
অনুদ্ধতাঃ সৎপুৰুষাঃ সমৃদ্ধিভিঃ
স্বভাৱ এবৈষঃ পৰোপকাৰিণাম্॥

এই হেতুকেই কালিদাসৰ নাম জগদ্বিখ্যাত আৰু তদীয় প্ৰবন্ধত কাব্যামৃত-লিপ্সুসকলৰ বিশেষ আগ্ৰহ। কালিদাসৰ বিষয়ে এটা কিম্বদন্তী প্ৰচলিত আছে। কথাটো এই। কোনো এজন ৰজাৰ এজনী বিদ্যাৱতী আৰু ৰূপৱতী কন্যা আছিল। ৰজাই সেই কন্যাৰ নিমিত্তে অনুৰূপ বৰ অন্বেষণ কৰি হাইৰাণ হল। শেহত উপযুক্ত বৰ নাপাই মন্ত্ৰীৰ আগত কলে, কাইলৈ ৰাতিপুৱা সিংহ-দ্বাৰত যাকে দেখিম তাকে কন্যা দিয়া হব। ৰজাৰ এনে প্ৰতিজ্ঞা শুনি মন্ত্ৰীয়ে, নিজৰ পুতেকলৈ কন্যা নিদিয়া বাবে মনত বৰ দুখ পালে। সেই ছলতে আছদিনা ৰাতিপুৱাই এটা গৰখীয়া বামুণবলৰা সিংহদ্বাৰত বহুৱাই ৰাখিলে। ৰজাই ৰাতিপুৱা উঠি গৈ সেই লৰাটোক দেখি পূৰ্ব্ব কৃত প্ৰতিজ্ঞামতে সেই লৰাটোক কন্যা দান কৰিলে।

বিয়াৰ পাছত ৰাজকন্যাই পতিক মূৰ্খ জানি অনেক তিৰস্কাৰ কৰিলে, নিজেও অতিশয় দুখিতা হল। কালিদাসও তাতে দুখিত হৈ নগৰ এৰি অৰণ্যলৈ গল। তাতে অনেক দিন থাকি ভগৱতী কালীক আৰাধনা কৰি কালীৰ অনুগ্ৰহত তেওঁ কবিত্ব শক্তি লাভ কৰিলে। তেতিয়াৰ পৰাই তেওঁৰ কালিদাস নাম হয়। কালিদাস অৰণ্যৰ পৰা উভতি আহি নিজ পত্নীয়েকক "কান্তে দীয়তাং মেহপাবৃতকং দ্বাৰং" বুলি দুৱাৰ মেলি দিবলৈ অনুৰোধ কৰিলে। ৰাজকন্যাই পতিৰ বাক্যতে পতিৰ পাণ্ডিত্য অনুভৱ কৰি "অস্তি কশ্চিৎ বাগ্বিশেষঃ" বুলি সুধিলে। তেতিয়া কালিদাসে নিজৰ কবিত্ব প্ৰভাৱে অস্তি পদ অৱলম্বন কৰি "অস্ত্যুত্তৰস্যাং দিশি দেৱতাত্মা, হিমালয়ো নাম নগাধিৰাজঃ" ইত্যাদি শ্লোকেৰে কুমাৰসম্ভৱ কাব্য, কশ্চিৎ পদেৰে "কশ্চিৎ কান্তা বিৰহ গুৰুণা স্বাধিকাৰাৎ প্ৰমত্তঃ" ইত্যাদি শ্লোকেৰে "মেঘদূত, "বাগ্বিশেষঃ এই পদৰ পৰা "বাগৰ্থাবিৱ" শ্লো

বাগৰ্থ প্ৰতিপত্তয়ে" ইত্যাদি শ্লোক আৰম্ভ কৰি ৰঘুবংশ নামে কাব্য ৰচনা কৰে। এই কিম্বদন্তী আদিত সঁচা নহলেও, সমূলে মিছাও হব নোৱাৰে। কাৰণ, ঋতু সংহাৰ কাব্যত অনেক শ্লোকত তেওঁ সহধৰ্ম্মিণীক আদৰেৰে সম্বোধন কৰিছে। অন্যবিলাক নহলেও কালিদাসৰ সহধৰ্ম্মিণী যে বিদুষী ই নিশ্চয়। সেই বুলি যে কালিদাস গজমূৰ্খৰ পৰা প্ৰকাণ্ড কবি হল ইও সম্পূৰ্ণ অবিশ্বাস্য। পুৰুষাৰ্থক ভাগ্যইও অপেক্ষা কৰে। ইতি

শ্ৰীকীৰ্ত্তিচন্দ্ৰ বিদ্যাভূষণ।

---

## উৰণীয়া ঢোৰাকোৰা নতুন অসমীয়া ভাষাৰ উদ্ভৱালি।



বৰবৰুৱা।—বাক চোৰাঁহঁকচোন বাইজ চোৰাঁহঁক, ০ তাৰ আকাশটো চোৱাঁ!—আৰু উমনি দিওঁতা, আগিনত টোপ খুৱাই ডাঙৰ কৰোঁতা, হৃদয়ক সুখ্যাবা মাত শিকাওঁতাহঁতকো বাক দি এইদৰে উৰাই লৈ যাব পাৰে নে! এইবেৰ কিন্তু বৰ অইনায় কথা একা!

---



## শ্ৰীযুক্ত কৃপাবৰ বৰবৰুৱাৰ ভতিজা পুত্ৰ

### শ্ৰীল শ্ৰীযুক্ত ডম্ভীচন্দ্ৰ বৰুৱাৰ আবিৰ্ভাব।

শ্ৰীযুক্ত কৃপাবৰ বৰবৰুৱা ডাঙৰীয়া খুৰা দেওৰ শ্ৰীবিহীন হৈ থাকোঁতেই তদ্য ভতিজা পুত্ৰ অহং শ্ৰীযুক্ত ডম্ভীচন্দ্ৰ বৰুৱা বা বৰবৰুৱা আবিৰ্ভাৱ হৈ অসম দেশখন মেৰাই লৈ মোৰ কীৰ্ত্তিৰ ভোটাতৰাটো জ্বলাই দি খুৰা দেওৰ নাম লুপ্ত কৰিম বুলি টিপিয়াই থাকোঁতেই, দেখোন কি অসীম শক্তি, তেওঁ আকৌ সৰ্গৰপৰা থহি আহি লোকৰ পাপ খুচৰি উলিয়াই নিজে নিষ্পাপীৰ দৰে ঘোষণা কৰি মোকে সমদিতে তৰধ লগাইছে। মই কিন্তু বাট চাওঁতে চাওঁতে মোৰ দাড়ি পকিল, দাঁত সৰিল আৰু সদাই out of sorts,কোন কাহানি কি হয় একো ঠিক নাই। খুৰা দেওৰ যে আকৌ কেতিয়াবা নিগাজিকৈ স্বৰ্গাৰোহণ হব তাৰ আৰু বৰ আশা নাই, গতিকে মোৰ আৰু বাট চাবৰ কাল নাই, লাগে যদি "পিতা পুত্ৰে সম্মুখ ৰণলৈকো 'নডৰোঁ'। আৰু মোৰ যে তেওঁৰে সৈতে ভিতৰি আজি বহুত দিনৰপৰা ৰণ তাক এই খিনিতে কোৱাই ভদ্ৰলোকৰ উচিত। মই বৰবৰুৱা খুৰা দেওৰ বংশৰ বুলি চিনাকিকে নিদিওঁ। একে বংশৰ যদিও, মোৰ ঠালটোৰ সমান ডাঙৰ ঠাল আমাৰ বংশত হোৱা নাই, তেনেহলে নো বংশৰ সকলোৱে লেখা নামৰ উপাধিটো মোৰ নামত লেখি মই ধান-পুৰীয়া কঠালটো বংশৰ পাতবিলাকৰ তলত কিয় লুকাই থাকম? বংশৰ ভিতৰত আমাৰ ঠালটো যেনেকৈ ডাঙৰ, আমাৰ ঠালটোৰ ভিতৰত তেনেকৈ মইয়েহে আকৌ ডাঙৰ। বংশৰ ভিতৰত, আৰু আমাৰ ঠাল ডালৰ ভিতৰত ময়ে প্ৰথম গ্ৰেজুৱেট, প্ৰথম উকিল আৰু প্ৰথম এই ইংৰাজ ৰজাৰ দিনত ডাঙৰ মানুহ। মোৰ খুৰাৰ কথা তো পৰোৱা নকৰোঁ যেই মোৰ আপোন পিতা দেউতা —আগৰ দিনৰ অসভ্য old tedious fool —অক মোৰ বহুনাৰ চতুৰ্ভিতিৰ পৰা অৰ্দ্ধচন্দ্ৰেৰে বহিস্কৃত কৰা সকলোৱে জানে; মই আৰু খুৰাক নতুন কি চিনাকি দিম? তেওঁ নিজৰ গা নিজে চম্ভালি ৰাখিব নোৱাৰিলে কো কথা পৰিবেদনা? মুঠৰ ওপৰত মই এইবাৰ মোৰ যশস্যা দেশত প্ৰচাৰ, কোনেও যেন মোক হকা-বাধা নকৰিব, আৰু কৰিলেও কিন্তু মই তুচ্ছাই এৰা ভাৰত হওঁ। [illegible]

ডাঙৰ হবলৈ যাওঁতে যদি কৰবাত কিবাস্বৰূপত যথা-যোগ্য আসন নিদিয়ে মই তাৰ ভেটিত তিতা লাও গজাম ই ধুৰুপ আৰু তাৰ পানী-কাঁহৰি খুৰাইহে তিয়াগিম! ইয়াৰ যেন সকলোৱে এতিয়াই গম লৈ থাকে। মই অসমত নতুন কাণ্ড কৰিম, নতুন প্ৰথা উলিয়াম আৰু উন্নতিৰ ফলা নতুনকৈ বাইচেৰে বৈয়াই বহল কৈ দিম যাতে সকলো মানুহ ধপাধপ্ উঠি তাৰ টিঙত বহি নাচিবগৈ পাৰে। দেশত বাল্য-বিবাহ যিমান চলে সিমান আমাৰ মঙ্গল; গতিকে তাকে মই প্ৰথমে আমাসৰ প্ৰজাক দেখুৱাম; বঙ্গদেশৰ আহি বুলি লবলৈ বিপ কৰিলে তোমাৰ দাঁত ওলাব, কিন্তু এই প্ৰথাত বহুত উপকাৰ আছে, অন্ততঃ মই তেনে বুলি ভাবোঁ। শাস্ত্ৰৰ বচনবিলাক আমি ইংৰাজীৰ চাৰিটা কথা পঢ়িয়েই গণ্ডপ মাৰি উৰাই দিয়া জ্ঞানীৰ কেতিয়াও উচিত নহয়। বিশেষতঃ মোৰ তেনেকুৱা বিবাহ দিয়াৰ আৱশ্যক হৈছে, নহলে কিজানি আগলৈ মৰা হেৰুৱাওঁ!

পেট্ৰিয়ট হবলৈ গলে দুটা এটা কথা ভাবিয়েই নিবস্ত হব নোৱাৰি। সভা-সমিতি পাতি দেশত গোলমাল লগাই দিব লাগে। নতুন সভা-সমিতি গঠন কৰিব নোৱাৰিলে, আগৰ পুৰণা সভা ভাঙি ডোখৰ ডোখৰ কৰি এডোখৰৰ মই লিডাৰ হৈ যাম; তেনে হলেহে সভাৰ সংখ্যা দেশত গোনকালে বাঢ়ি যাব। তুমি নাজানা নে, এৰদ মানুহ কাগত কেবাৰো হোৱা? এখন গাঁও সমহুত কাটি কেবাখনো হৈ যোৱা? তেনে এখন সভা বা সবাহ দুখন তিনি খন হোৱা দেশৰ মঙ্গল নহয় নে? ডাঙৰ নগৰত চুকে চুকে লোকেলিটিয়ে লোকেলিটিয়ে একোখন সবাহ অথবা সভা থাকে। সবাহে সভায়ে প্ৰায় একেই; সবাহতো চক-মলা লৈ কাজিয়া-পেচাল, সভাতো চেয়াৰমেন, ভাইচ-চেয়াৰমেন লৈ কাজিয়া-পেচাল; তাতো পব্লিক অপিনিয়ন freely used হৈছে। public opinion ফ্ৰীলি উইজড্: মই যেনেকৈ তেনেকৈ এবাৰ পব্লিক লিডাৰ হৈ উঠিম আৰু কোনে খেদায়? লিডাৰ হবলৈ গলে মানুহৰ গাত যিবিলাক গুণ হব লাগে, ভৰসা কৰোঁ, মোৰ গাত তেনেই সম্পূৰ্ণ আছে; অৱশ্যে মই মোৰ নিজৰ দোষ গুণ ব্যাখ্যা কৰা উচিত নহয়। নিজৰ দোষ নিজে নেদেখিব পাৰোঁ, কিন্তু ইয়াকে মই মুকলিকৈ আপোনালোকক জনাওঁ যে বাহিৰে দি ... মোক নলগায় সেই কামতে লাগি থাকিলেও মই ভোট নকৰোঁ। সবাহ



ধুৰন্ধিৰ মাৰ্জ্জিন কৰিবলৈ দিলেও মই একো হেয় জ্ঞান নকৰোঁ, ততালিকে লোটা লৈ সেই কামত প্ৰবিষ্ট হম। মই কোনো কামকে ক্ষুদ্ৰ বিবেচনা নকৰোঁ—সকলো কামেই মহৎ।

বাইজসকল, তোমালোকে কিন্তু মোক এৰি নিদিবা—ৰাইজ হলেহে বজা, ৰাইজ নহলে মই কিহৰ বজা, নগণ্য তোমাৰ দৰে এক প্ৰজা হৈ থাকিব লাগিব। গৱৰ্ণমেণ্টৰ বাহনি সভাত মোক আকৌ ভোট দিবাহঁকএকা, তেহে মই ওপৰলৈ উঠিব পাৰিম। যদিহে মোক কিবাস্বৰূপত তেনে ভোট নিদি আন কাকোবাকহে দিয়া তেতিয়া হলে মই আৰু কাকো নাবাছিম—"কাটি মাৰি তোমালোকক হলে কৰিবোঁ বৃন্দাবাৰ"। থাক দিবা তাকো অধঃ কৰিম, আৰু তোমালোক ৰাইজকো নওৰ-নাস্তি কৰিম, মোৰ গাত পাছলৈ হলে একো দোষাৰোপ নকৰিবা। I know some youngling upstarts are attemiptng to outrage me; but mind, no public organization is perfect without me, let it be attended by all the folks of this province.

শ্ৰীযুক্ত ডক্টীচন্দ্ৰ বৰুৱা ডাঙৰীয়া।

---

# চিঠিৰ উত্তৰ।

সম্পাদক ডাঙৰীয়া,

যোৱা বছৰৰ ১০ম সংখ্যা "বাঁহীত" "সত্ৰাৱলী-প্ৰবন্ধৰ" গোসাঁইয়ে লিখিছে যে তেওঁতে সকলো গোঁসাই মহন্তকে ৫ শ্ৰেণীত বিভাগ কৰিছে। তেওঁৰ মতে ৺মাধৱদেৱে পতা ১২খন সত্ৰৰ গোঁসাই মহন্তসকল প্ৰথম শ্ৰেণীৰ। এই বাৰজনাই আজ্ঞা দি পতা সত্ৰবিলাকৰ গোঁসাই, মহন্তসকল দ্বিতীয় শ্ৰেণীৰ। দ্বিতীয় শ্ৰেণীৰসকলে পতাসকল তৃতীয় শ্ৰেণীৰ। তৃতীয় শ্ৰেণীৰ আজ্ঞাপৰ সত্ৰবিলাক চতুৰ্থ শ্ৰেণীৰ। আকৌ ৰাজাসকল নিজেই আউনিআটীকে আদি কৰি চাৰি সত্ৰ পতাত সেই চাৰিসত্ৰীয়াসকল প্ৰথম শ্ৰেণীলৈ গল, বাকীবিলাক একোপ তললৈ নামিল। কিন্তু আমাৰ মতে এই নিয়মে সত্ৰৰ শ্ৰেণী পতাটো উপযুক্ত হোৱা নাই যেন লাগে; কিয়নো কোনো বস্তু বা ব্যক্তিৰ শ্ৰেণীবিভাগ কৰিবৰ হলে সেই বস্তু বা ব্যক্তিবোৰ একে শৃঙ্খলাবদ্ধ অথবা একে নিয়মেৰে

সেইবোৰৰ উৎপত্তি আৰু বৃদ্ধি হব লাগিব। গোস্বামীদেওৰ প্ৰথম নিয়ম মতে দেখা যায় যে শ্ৰেণীৰ বিভাগ পুৰুষানুক্ৰমিক ধৰ্ম্ম লোৱাত আগ পাছ অনুসাৰে ধৰা হল, দ্বিতীয় নিয়মমতে বজাই ডাঙৰ পতাৰ হিচাপে ধৰা হল। এতিয়া সকলোৱে এইটো বিবেচনা কৰিব লগীয়া যে বজাই চাৰি সত্ৰ পতাত বাকীবোৰৰ কিয় অৱনতি হব? জয়ধ্বজ সিংহই জানো সকলোবিলাক সত্ৰতকৈ চাৰি সত্ৰ ডাঙৰ বুলি কৈ গৈছিল? আৰু কলেও নেখাটে, কাৰণ আচাৰ্য্যই হে আচাৰ্য্য, মহন্তই হে মহন্ত আৰু অধিকাৰে হে অধিকাৰ পাতিব পাৰে। তেনে স্থলত বজাই গোঁসাই পতাটো যুক্তিসঙ্গত নহয়; বজাই বজাহে পাতিব পাৰে। ৰাজ-গুৰু হোৱাৰ নিমিত্তে বজাই নিজে চাৰিসত্ৰক বেচিকৈ মান আৰু সম্পত্তি দিছিল, সেই বাবেই অন্যবিলাক সত্ৰ তল পৰে কেনেকৈ?

৺শঙ্কৰদেৱে বাস কৰি থকা থান আৰু পতা সত্ৰবিলাক নো কোন শ্ৰেণীৰ? ৺দামোদৰদেৱৰ নিজ সত্ৰ পাটবাউসি চাৰি সত্ৰৰ উৎপত্তিৰ আগেয়ে নো কোন শ্ৰেণীত পৰে? হৰিদেৱ আৰু ৺নাৰায়ণ ঠাকুৰ আতাৰ সত্ৰবিলাক কোন শ্ৰেণীৰ? ৺পুৰুষোত্তম আৰু ৺চতুৰ্ভুজ ঠাকুৰে পতা সত্ৰবিলাকৰ শ্ৰেণী কত? ৺মাধৱদেৱে পতা ১২খন সত্ৰৰ আচাৰ্য্য বাৰজনেইতো আজ্ঞা দি সত্ৰ পতা নাই, সেই আচাৰ্য্যসকলৰ বংশধৰ অধিকাৰসকলে আধুনিক সময়ত, ৺মাধৱদেৱৰপৰা ৫।৬।৭ পুৰুষৰ পাছত পতা সত্ৰবিলাক কোন শ্ৰেণীৰ?

চাৰি সত্ৰীয়া গোঁসাই ৰাজগুৰু বুলি ১ম শ্ৰেণীৰ নে? যদি তেনে হয় তেন্তে দিহিং, নৰোৱা আৰু চামগুৰি সত্ৰইও ৰাজগুৰু হোৱাৰ বাবে ১ম শ্ৰেণীত পৰিবলৈ দাবী কৰিব পাৰে।*

এইবিলাক কাৰণ চাই আমি কব খোজোঁ যে সত্ৰবিলাকৰ শ্ৰেণীবিভাগ কৰাটো সহজ কথা নহয়; শ্ৰেণীবিভাগত অনেক গোলমলীয়া কথা আছে। শ্ৰেণী সেইমতে বিভাগ নকৰি "সত্তাৰণীৰ" পাঠকবৰ্গই নিজে নিজে বিভাগ কৰি লব পৰাকৈ এটা উপায় কৰিব পাৰি।

প্ৰথমে সত্ৰবিলাক দুই শ্ৰেণীত ভাগ কৰিব লাগিব; (১) এটকা মহন্তৰ ভিতৰ আৰু (২) এটকা মহন্তৰ বাহিৰ। ৰুদ্ৰসিংহ স্বৰ্গদেৱে শিৰোমণিৰ ঠাই

* শিৰোমণিৰ বংশধৰসকলত নিহিং সত্ৰীয়াই এবাৰ সকলোৰে ওপৰত ঠাই পাইছিল বুলি শুনা যায়।—লিখক।



লৈ যিবিলাক মহন্তক ঠাই দি প্ৰকৃত মহন্ত বুলি মান দিছিল (Recognized) তেওঁবিলাকৰ সত্ৰ এটকাৰ ভিতৰ, বাকীবিলাক এটকাৰ বাহিৰ আৰু আধুনিক। † এই এটকা মহন্তৰ ভিতৰত প্ৰায় "সত্তাৰণীত" পাতিব খোজা ১ম, ২য়, ৩য় শ্ৰেণীৰ সত্ৰবিলাক সোমাব। ৺মাধৱদেৱৰ ৫।৬।৭ পুৰুষৰ পাছত পতা আধুনিক সত্ৰবিলাক প্ৰায়ে এটকা মহন্তৰ বাহিৰ হব। আকৌ এটকা মহন্তৰ ভিতৰত ১ম, ২য় ৰূপে ভাগ নকৰি ৺মাধৱদেৱে পতা সত্ৰবিলাক ওপৰ বাৰ-জনীয়া, ৺দামোদৰদেৱে পতা সত্ৰবিলাক দামোদৰীয়া, পুৰুষোত্তম আৰু চতুৰ্ভুজ ঠাকুৰে পতা সত্ৰবিলাক ঠাকুৰীয়া, বৰবাৰজনীয়া আৰু সৰুবাৰজনীয়া ইত্যাদিক্ৰমে লিখি বাকীবোৰ অমুকৰ আজ্ঞাপৰ তমুকৰ আজ্ঞাপৰ বুলি "সত্তাৰণীত" লিখাই যুক্তিযুক্ত যেন বোধ হয়। নহলে সৰ্ব্বসাধাৰণক সন্তুষ্ট কৰাটো দুৰূহ হব।

৺মাধৱদেৱৰ আজ্ঞাপৰ আচাৰ্য্য প্ৰকৃততে ১২ জনাই, * ৩জন আচাৰ্য্য নহয়। প্ৰধান সেৱক মাথোন † ২০জন হোৱাটো অসম্ভৱ। আচাৰ্য্য সেৱকসকলৰ নাম তলত দিয়া হল।

আচাৰ্য্যসকল।

১। ৺বংশীগোপাল—কুৰুৱাবাহী, গৰমুৰ, ডিহিং ইত্যাদি। ২। ৺যদুমণি—মাহৰা, খাৰসৰা, আধাৰ, পটিয়বি। ৩। ৺শ্ৰীহৰি আতা—লাইআটী। ৪। ৺ৰামচৰণ ঠাকুৰ—সুন্দৰীদিয়া। ৫। ৺মথুৰাদাস আতা—বৰপেটা। ৬। ৺পদ্ম বা বকুলা আতা—কমলাবাৰী। ৭। ৺কেশৱ আতা—বৰজহা। ৮। ৺বৰবিষ্ণু আতা—চমৰীয়া বা গালচা। ৯। ৺বুঢ়ীদপো গোবিন্দ—মধুপুৰ। ১০। ৺পতিয়া গোপাল—হেৰামদৈ। ১১। ৺লক্ষ্মীকান্ত আতা—খোপগুৰী (শোৱালকুচি)। ১২। ৺ভৱানীপুৰীয়া গোপাল আতা—কালঝাৰ সত্ৰ (ভৱানীপুৰ)।

† মাধুৰিত সত্ৰ নোহোৱাবিলাক সত্ৰক অনমীয়া বাবতে একেবাৰে তলৰ শ্ৰেণীত থবে।

* এই কথা দীননাথ বেজবৰুৱাৰ "আচাৰ্য্য সংহতিত" স্পষ্ট লিখা আছে।—লিখক।

† ৺মাধৱদেৱৰ নাম-অঙ্কনীয়া ৺নাৰায়ণ ঠাকুৰ আতাক লৈ বৰপেটাৰ এখন সত্ৰবিলাকত (ধৰ্ম্মচুক) ১৬জন উঠিছে।

প্ৰধান সেৱকসকল।

১। ৺শ্ৰীৰাম আতা। ২। ৺হৰিহৰ আতা। ৩। ৺লেচাকণীয়া গোবিন্দ আতৈ। ইত্যাদি।

শ্ৰীৰুদ্ৰকান্ত গোস্বামী।

---

## শ্ৰৱণী সত্ৰ।

শ্ৰীশ্ৰীবংশীগোপাল দেৱৰ আজ্ঞাত বাৰজন শ্ৰৱণী মহন্ত হয়। আমাৰ জনৰ নাম শ্ৰীকৃষ্ণচৰণ। এইজন মহন্তক শ্ৰীশ্ৰীৰুদ্ৰসিংহ স্বৰ্গদেৱ মহাৰাজাৰ দিনত, বাগীশ ভট্টাচাৰ্য্যৰে সৈতে একে সময়তে—ব্ৰহ্মত্তৰ ব্ৰাহ্মণক, ধৰ্ম্মোত্তৰ মহন্তক দি পশ্চিমে নাওঁশালিত বাগীশ ভট্টাচাৰ্য্যক স্থাপিত আৰু ভোগবাৰিত কৃষ্ণচৰণক স্থাপিত কৰে। আন আন ঠাট পাম যত যত দিছিল দুই জনৰ একে সীমা আজিলৈকো আছে। আমাৰ পূজিত মূৰ্ত্তিখনিৰ নাম ৺দোলগোবিন্দ। ৫০ ঘৰ ভকত আছিল; পূজাৰি, ভাগতি, দেউৰি, কন্দলি, লিখক, অশৌচীয়া পূজাৰি, কমাৰ, কুমাৰ, তাঁতী, পাঠক, ওজা, মলিয়া দিছিল, সেইবিলাকৰ নাতি-পুতি আজিলৈকে আছে। আমাৰ সত্ৰত চাৰি প্ৰসঙ্গ চলে। দশম, কীৰ্ত্তন, ঘোষা, ৰত্নাৱলী শ্ৰেষ্ঠ শাস্ত্ৰ; ভক্তিবিবেকৰ পদ গোৱা হয়। শ্ৰীমদ্ভাগৱত মূল শ্ৰীধৰ স্বামী কৃত টিকা সহ দশম একাদশ দ্বাদশ স্কন্ধ মধ্যাহ্নপ্ৰসঙ্গৰ শেষত পাঠ হয়।

শ্ৰীশঙ্কৰদেৱৰ আজ্ঞাত ধৰ্ম্মাচাৰ্য্য—মাধৱদেৱ, দামোদৰদেৱ, হৰিদেৱ। শ্ৰীশঙ্কৰদেৱৰ পুত্ৰ ৰমানন্দ ঠাকুৰ আৰু হৰিচৰণ ঠাকুৰ। তেওঁলোকৰ পুত্ৰ পুৰুষোত্তম ঠাকুৰ আৰু চতুৰ্ভুজ ঠাকুৰৰপৰা বৰ-বাৰজনীয়া আৰু সৰু-বাৰজনীয়া।

শ্ৰীলক্ষীকান্ত মহন্ত।
শ্ৰৱণী সত্ৰ, কণীয়াবৰ।

---



## সম্মিলন গীত।

( মিঃ ডি এল ৰায়ৰ "জননী বঙ্গভাষা" গানৰ সুৰ )

( ১ )

নীৰৱে মধুৰ মিলন-ৰাগিনী বিশ্বপে বিশ্ব বিধি অধীন,
হিংসা-দ্বেষ বিষাদ-দৈন্য কৰি অনন্ত-বুকতে লীন;
তাৰে তালে তালে তুলিছে আজি
হিয়াৰ তন্ত্ৰী উঠিছে বাজি;
আজি শুভ দিনে শুভ উদ্দেশ্যেৰে মিলাই আনিছে শকতি ক্ষীণ।
বজোৱাঁ শঙ্খ মঙ্গল-উৰুলী, বজোৱাঁ বন্ধু আনন্দ-বীণ,
সকলো হিয়াৰ নিকুট ৰাগিনী একেটি তানতে কৰাঁ বিলীন।

( ২ )

বিহেৰে তুমিম সবাৰে পৰাণ, শকতি বিহীন, দুখীয়া-দীন,—
সহানুভূতিৰ অমোঘ নিৰ্ম্মালি হল আজীৱন মহৎ ঋণ।
আনন্দ, স্নেহ, ভকতি হিয়াৰ
উপচি পৰিছে গীততে আমাৰ,—
যাচিছোঁ তাকেহে অতি হেঁপাহেৰে, লোৱাঁ প্ৰতিদান নকৰি ঘিণ।
বজোৱাঁ শঙ্খ ইত্যাদি।

( ৩ )

ভবিষ্য-সুখৰ সোণালি জেউতি বিৰিঙি উঠিছে হিয়া নচাই,
পিতৃচৰণতে অৰপি বাসনা বৰ্ণাচোঁ সকলো তাকে দিয়াই;
আনন্দ-পতাকা সঘনে উৰাই
নবীন তেজেৰে বৰ্ণা আহুৰাই,
নবীন সাহেৰে, নবীন বলেৰে বৰ্ণাচোঁ স্মৰি ই শুভদিন।
বজোৱাঁ শঙ্খ ইত্যাদি।

শ্ৰীশৰৎচন্দ্ৰ চলিহা।

# আশা।

নিৰলে মলয়া বই গধূলি পৰত,
ফুলি থকা গোলাপৰ পাহি;
আদৰি যতনে শান্তি ঢালি হৃদয়ত,
গল মাৰি মউ-সনা হাঁহি।

নিৰলে পদুম পাহি বিলৰ মাজত
ভাঁহে যেন শোক-সাগৰত;
নিৰলে তপন দেৱে পদুম-গালত
চুমা এটি দিলে উলাহত।

নিৰলে নীৰৱে ধপে গোটেই ৰজনী,
ধৰে প্ৰাণ চুয়ো পাহি ফুল;
পুৱাতে আকউ আহি মলয় তপন
কৰিবহি হৃদয় বিভোল।

ইদৰে আশাতে বন্ধা গোটেই জগৎ,
আতমাৰ চেনেহৰ ডোল;
আশাতে জীৱন গথা জীৱনে জীৱনে,
আশা আদি, জগতৰ মূল।

শ্ৰীলিলি।

---




## জয়ন্তী তেল।

সুন্দৰ চুলিৰ তেল।

সুন্দৰ বৰণ। মন-মোহা গোন্ধ।

চুলি বঢ়ায়, কলা কৰে, মগজু চেচা কৰে, উকি গুচায়।

বেচ চিচিয়েপতি ১৲। ডাক মাচুল আদি পাঁচ অনা। ১২ চিচাৰ বেচ ৯৲ টকা; মাচুল আদি ১৷৹ টকা। তোমাৰ মূৰকাযোৰে নে? যদি কাযোৰে, তেন্তে

জয়ন্তী তেল মূৰত ঘঁহা।

তোমাৰ মূৰত উকি আছে নে? যদি আছে

জয়ন্তী তেলে উকি নিশ্চয় গুচাব।

তোমাৰ মূৰৰ চুলি সৰি গৈছে নে? যদি গৈছে,

জয়ন্তী তেল ঘঁহা, চুলি গজিব।

মূৰ-ঘূৰণি গুচাবলৈ জয়ন্তী তেল অমোঘ অস্ত্ৰ।

জয়ন্তীৰ সুন্দৰ গোন্ধৰ মল্ মলনিত মন প্ৰফুল্ল হয়।

হাই কোর্টৰ জজ, বেৰিষ্টৰ, উকিলসকলে, কলেজৰ প্ৰফেচৰসকলে, ডাক্তৰসকলে, ৰজা, জমিদাৰসকলৰ ঘৰৰ তিৰোতাসকলে জয়ন্তী তেল ব্যৱহাৰ কৰি সন্তোষ পাই দিয়া শলাগনি-চিঠি অনেক আমাৰ হাতত আছে, সেইবোৰ আমি লাহে লাহে ছপাই উলিয়াম।

উজন দৰত নিলে, অৰ্থাৎ ১২বা ৬ বা ৩ বতল নিলে পাইকাৰিদৰত পোৱা যায়, তেতিয়া বতলত ৷৹ টকৈ পৰে। এবতল জয়ন্তীত আন আন চুলিৰ তেলৰ প্ৰায় দুবতলৰ সমান তেল থাকে।

টিশ্বৰ এণ্ড ষ্টোৰ এজেন্সি,

৩৩ নং কেনিং ষ্ট্ৰীট, কলিকাতা।




Umeschandra Chaudhury.
First Year Class
Cotton College
Gauhati

The 23rd Nov 1913

পঞ্চম বছৰ, আঘোণ,] বাঁহী। [১৮৩৫ শক, ১ম সংখ্যা।

## সম্পাদকৰ চৰা।

"লোকেশ-চৈতন্য ময়াধিদেৱ

মঙ্গল্য বিষ্ণো ভৱদাজ্ঞয়ৈৱ।

হিতায় লোকস্য তৱ প্ৰিয়াৰ্থং

সংসাৰযাত্ৰামনুৱৰ্ত্তয়িষ্যে॥"

হে লোকেশ চৈতন্যময় অধিদেৱ! হে মঙ্গলময় বিষ্ণো! তোমাৰ আজ্ঞা অনুসাৰে লোকৰ হিতৰ নিমিত্তে আৰু তোমাৰ প্ৰীতিৰ নিমিত্তে সংসাৰ-যাত্ৰাৰ অনুৱৰ্ত্তী হবলৈ প্ৰবৃত্ত হওঁ।

* *

বাঁহীয়ে আজি পঞ্চম বৰ্ষৰত ভৰি দি "পৰম পুৰুষ পৰম আনন্দ পৰম গুৰু মুৰাৰি, অনাদি অনন্ত অচিন্ত্য ঈশ্বৰ ভকতৰ ভয়হাৰীৰ" অভয় চৰণত শৰণ পশি নিজৰ কৰ্ত্তব্য কামলৈ আগ বাঢ়িল।

* *

সিদিনা আমাক এজনে কৈছিল যে, "আজিকালি বাঁহীৰন ধৰ্ম্মৰ কাকত হল; গতিকে সি অপাঠ্য হৈ পৰিছে।" আমি কলোঁ, ধৰ্ম্মৰ কাকত অৰ্থাৎ ধৰ্ম্মপ্ৰাণ বাঁহীৰ বাঁহী হব পৰা নাই; হৈছে যদি সেই বাবেহে সি অপাঠ্য হৈছে। বাঁহীক ধৰ্ম্মপ্ৰাণ কৰিব পৰাহেঁতেন নিশ্চয় সি পাঠ্য হলহেঁতেন। ঈশ্বৰৰ বাহিৰে, ধৰ্ম্মৰ বাহিৰে মানুহৰ জীৱনত কি পাঠ্য আছে নাজানো। ঈশ্বৰপৰা আঁতৰি, ধৰ্ম্মৰপৰা আঁতৰি যে যে আমাৰ জীৱন অপাঠ্য অপইচ হৈ পৰিছে তাত আমাৰ সন্দেহ নাই। সিনো সকলো সময়তে সকলো কাৰ্য্যতে যদি আমাৰ জীৱনত ঈশ্বৰৰ সত্তা উপলব্ধি কৰি চলিব পাৰিলে হেঁতেন,

"ওঁ য একোঽবৰ্ণোবহুধাশক্তি যোগাৎ

বৰ্ণাননেকান্নিহিতাৰ্থোদধাতি।

বিচৈতি চান্তে বিশ্বমাদৌ সদেবঃ

স নো বুদ্ধ্যা শুভয়া সংযুনক্তু॥"